জয় গুৰু শঙ্কৰ

# মণিকাঞ্চন

শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘ

❒ Tech/RNP/GH-105/2012-14
❒ Regd. No. 63480/95

•মাহেকীয়া বাৰ্তালোচনী-

উনবিংশ বছৰ ঃ ষষ্ঠ সংখ্যা, ৫৬৫ শঙ্কৰাব্দ, মে’ ২০১৪ চন, মূল্য ঃ ৫.০০ টকা, পঞ্জীয়ন নং ঃ ৬৩৪৮০/৯৫

### গুৰুবাণী

সত্য যুগে প্ৰথমত ব্ৰহ্মা আদি দেৱ যত
হৰিনাম কৰিলা গুপুত।
কিনো কৃপাময় হৰি নামক বেকত কৰি
কলি পাপ কৰিলা লুপুত।।
যিটো মহা ম্লেচ্ছজাতি সিয়ো শুদ্ধ হেৱৈ আতি
মুখে মাত্ৰ হৰিনাম লয়।
কলিৰ ভয়ত গৈয়া নামত শৰণ লৈয়া
হৰিল সমস্ত ধৰ্ম্মতয়।।

—কীৰ্ত্তন-ঘোষা

## বৈষ্ণৱ পণ্ডিত সোণাৰাম চুতীয়াৰ জন্ম শতবৰ্ষ উদ্‌যাপনৰ আদৰণী সমিতি গঠন

আজি ০২/০৫/২০১৪ তাৰিখ শুক্ৰবাৰে বিয়লি ১.৩০ বজাত শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘ মৰিগাঁও জিলা নামঘৰত সঙ্ঘৰ পদাধিকাৰ ৰজনীকান্ত দত্তৰ পৌৰহিত্যত আৰু সঙ্ঘৰ প্ৰধান সম্পাদক বাবুল বৰাৰ উপস্থিতিত বৈষ্ণৱ পণ্ডিত সোণাৰাম চুতীয়াৰ জন্ম শতবৰ্ষ উদ্‌যাপনৰ বাবে এখনি শক্তিশালী আদৰণী সমিতি গঠন কৰা হয়। ডাঃ পুনিৰাম পাতৰ আৰু প্ৰদীপ কুমাৰ শইকীয়াক যথাক্ৰমে সভাপতি, কাৰ্যকৰী সভাপতি আৰু হৰেন্দ্ৰ বৰাক সাধাৰণ সম্পাদক হিচাপে লৈ ৫১জনীয়া সমিতিখনে এখনি স্মৃতিগ্ৰন্থ প্ৰকাশৰ আঁচনি লয়। সভাত জিলা সভাপতি গণেশ বৰা, মূলৰ সদস্য ভৈৰৱ বৰুৱা, মূলৰ ন্যাসপুজি সঞ্চালনা সমিতিৰ সদস্য প্ৰদীপ কুমাৰ শইকীয়া আৰু জিলাৰ প্ৰাক্তন সম্পাদক প্ৰদীপ কুমাৰ বৰাই বক্তৃতা প্ৰদান কৰে।

উল্লেখ থাকে যে শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘৰ উদ্যোগত আৰু মৰিগাঁও জিলা শাখাৰ আতিথ্যত শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘৰ প্ৰাক্তন পদাধিকাৰ বৈষ্ণৱ পণ্ডিত সোণাৰাম চুতীয়াৰ জন্ম শতবৰ্ষ উদ্‌যাপনৰ বছৰজোৱা কাৰ্যসূচীৰ শুভাৰম্ভ অনুষ্ঠানটি অহা ৮ জুন ২০১৪ তাৰিখে মৰিগাঁও নগৰৰ গান্ধী ভৱন প্ৰাঙ্গনত এদিনীয়া বৰ্ণাঢ্য কাৰ্যসূচীৰে অনুষ্ঠিত কৰা হ’ব বুলি সঙ্ঘৰ প্ৰধান সম্পাদক বাবুল বৰাই জানিবলৈ দিয়ে।◆

## সত্যসন্ধা প্ৰেছ বাস্তৱায়িত হ’ল এটি সপোনৰ

**ৰজনীকান্ত দত্ত, পদাধিকাৰ**

শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘৰ মজিয়াত জন্ম হ’ল এটি ছপাশাল। ষাঠিৰ দশকতে শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘৰ বহুজন ভৱিষ্যত দ্ৰষ্টাৰ মনগহনত থিতাপি লোৱা **‘সত্যসন্ধা প্ৰেছ’** ভূমিষ্ঠ হ’ল। ২৬ এপ্ৰিল ২০১৪ তাৰিখে এটি পবিত্ৰ মুহূৰ্তত এই সত্যসন্ধা প্ৰেছৰ বুটাম টিপি কাৰ্যক্ষম কৰি তোলা হ’ল। গুৱাহাটী মহানগৰীৰ মাজ-মজিয়াত অৱস্থিত ৰূপনগৰস্থ শঙ্কৰী সংস্কৃতি প্ৰকল্পত এই ছপাশাল প্ৰতিষ্ঠা কৰি কাৰ্যক্ষম কৰি তোলা হৈছে। শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘৰ দৰে এটি আগশাৰীৰ অনুষ্ঠানৰ বাবে এই ছপাশালে যে অভাৱনীয়ভাৱে সেৱা আগবঢ়াব এই কথা অনস্বীকাৰ্য। মূলৰ পৰা আৰম্ভ কৰি প্ৰাথমিক পৰ্যন্ত সকলো পৰ্যায়ৰ বাবেই এই ছপাশালে প্ৰয়োজনীয় ছপাকাৰ্য সম্পাদন কৰিবলৈ সমৰ্থ হ’ব বুলি আমাৰ বিশ্বাস। শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘৰ চাৰি তৰপীয়া অনুষ্ঠানটিৰ লগত জড়িত সকলো পক্ষ তথা শুভাকাঙ্খীয়ে উক্ত ছপাশালত ছপাসম্পৰ্কীয় কাৰ্য সম্পাদন কৰি ধন্য হ’বৰ বাবে আহ্বান জনালো।◆

## কেন্দ্ৰীয় ব’হাগী উৎসৱৰ সফল সমাপ্তি

**গোৱালপাৰা ঃ** শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘৰ কেন্দ্ৰীয় সেৱাবাহিনীৰ সৌজন্যত আৰু



গোৱালপাৰা জিলা শাখাৰ আতিথ্যত যোৱা ২৭ এপ্ৰিল, ২০১৪ তাৰিখ দেওবাৰে এক

*(৬ পৃষ্ঠাত চাওক)*

## শান্তি-সম্প্ৰীতি অটুট ৰাখিবলৈ সকলো পক্ষলৈ আহ্বান

বি.টি.এ.ডি.ত নিৰীহ আৰু নিৰস্ত্ৰ জনতাৰ ওপৰত উগ্ৰপন্থীৰ নিৰ্বিচাৰ গুলীচালনাত ৩৮জনতকৈ অধিক লোকৰ মৃত্যুৰ লগতে সমগ্ৰ অসমত ধাৰাবাহিকভাৱে সংঘটিত হিংসাজৰ্জৰ পৰিৱেশৰৰ বাবে গভীৰ উদ্বেগ প্ৰকাশ কৰিছে শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘই। বাতৰি কাকতলৈ প্ৰেৰণ কৰা এটি প্ৰেছ বিজ্ঞপ্তিতসঙ্ঘৰ পদাধিকাৰ ৰজনীকান্ত দত্ত আৰু প্ৰধান সম্পাদক বাবুল বৰাই কয়— ধৰ্মীয় সহনশীলতা, নৈতিক আৰু আধ্যাত্মিক চিন্তা-চৰ্চাৰ দ্ৰুত অৱনতিৰ ফল হত্যা-হিংসা। মহাপুৰুষ শ্ৰীমন্ত শঙ্কৰদেৱ আৰু আজান পীৰৰ সম্প্ৰীতিৰ বৰ অসমত হিংসাৰ কোনো স্থান নাই। শান্তিৰ বাতাবৰণ আৰু আলাপ-আলোচনাৰ মাজেৰে অনতিপলমে বি.টি.এ.ডি. লৈ শান্তি ঘূৰাই আনিবলৈ অসম চৰকাৰ আৰু বি.টি.এ.ডি. প্ৰশাসনক অনুৰোধ জনোৱাৰ লগতে ইতিমধ্যে মৃত্যুমুখত পৰা সকললৈ আৰু আহতসকলৰ পৰিয়াললৈ গভীৰ সমবেদনা জনায়।◆

## শ্ৰীমন্ত শঙ্কৰদেৱৰ নাট-ভাওনাৰ বৈশিষ্ট্য আৰু সমসাময়িক বিশ্বত ইয়াৰ স্থান

**ড° ৰাতুল চন্দ্ৰ বৰা**

সৰ্বগুণাকৰ মহাপুৰুষ শ্ৰীমন্ত শঙ্কৰদেৱ (১৪৪৯—১৫৬৮ খ্ৰীঃ) বিশ্বৰ এগৰাকী মানৱতাবাদী চিন্তা নায়ক, যুগদ্ৰষ্টা আৰু আধ্যাত্মিক গুৰু। তাৰা সনাতন হিন্দু ধৰ্মৰ সংস্কাৰক আৰু একশৰণ নামধৰ্মৰ প্ৰৱৰ্তক আৰু প্ৰচাৰক। মধ্যযুগত ভাৰতবৰ্ষৰ ভক্তি আন্দোলনৰ উত্তৰ-পূব প্ৰান্তৰ গুৰি ধৰোতা আৰু অসম-কামৰূপ-বেহাৰ— এই তিনিও ৰাজ্যৰ মাজত সাংস্কৃতিক সমন্বয়ৰ সেতু গঢ়োঁতা। তাৰাৰ প্ৰধান অৱদান হৈছে বৰ্ণাশ্ৰম হিন্দুধৰ্মই যিসকল লোকক নীচ, পাপী, শূদ্ৰ, ম্লেছ বুলি গণ্য কৰি ধৰ্মৰ অধিকাৰৰ পৰা বঞ্চিত কৰি ৰাখিছিল সেই সকলো লোকক শ্ৰীমদ্ভাগৱতৰ দৰ্শনৰ ভিত্তিত ধৰ্মৰ অধিকাৰ সাব্যস্ত কৰি “নাহি ভকতিত জাতি-অজাতি বিচাৰ”— এই মন্ত্ৰেৰে নতুন সামাজিক ব্যৱস্থা প্ৰৱৰ্তন কৰিছিল। তাৰাই যি একশৰণ হৰিনাম ধৰ্ম প্ৰৱৰ্তন কৰিলে এই ধৰ্ম সেই সময়ৰ সৰ্বসাধাৰণ লোকে বুজিব পৰাকৈ অভিনয়ৰ যোগেদিও প্ৰচাৰ কৰিছিল। তাৰাই সনাতন হিন্দুধৰ্মৰ সমস্ত সাৰমৰ্ম সংগ্ৰহ কৰি অসমীয়া, ব্ৰজাৱলী ভাষাত সৰ্বসাধাৰণে বুজিব পৰাকৈ বহুতো শাস্ত্ৰ ৰচনা কৰিলে।

*(২ পৃষ্ঠাত চাওক)*

## পিতা-পুত্ৰৰ বিৰোধ

**ৰজনীকান্ত দত্ত, পদাধিকাৰ**

দৈত্যেন্দ্ৰ হিৰণ্যকশিপুৱে ব্ৰহ্মাৰ বৰত বলীয়ান হৈ ‘ভাতৃবৈৰী বুলি কৰে মাধৱক দ্বেষ।’

স্বৰ্গ, মৰ্ত্য, পাতাল জয় কৰি বলেৰে ইন্দ্ৰৰ অমৰাৱতী কাঢ়ি ক’লে। দৈত্যেন্দ্ৰৰ ভয়ত ব্ৰহ্মা, বিষ্ণু আৰু ৰুদ্ৰৰ বাদে সকলো দেৱতাই দুৰন্ত দৈত্যক সেৱা কৰিবলৈ ধৰিলে। এইদৰে বহু হেজাৰ বছৰ হিৰণ্যকশিপুৱে দিব্যভোগ ভুগি, পীড়ন শোষণেৰে শাসন চলালে। দেৱতাসকলৰ সুখ, শান্তি নাইকিয়া হ’ল। কি কৰিব, কি নকৰিব তেওঁলোকৰ মনত উৰাদিহ হেৰাল। শেষত--

কৃষ্ণৰ চৰণে সৰে লৈলন্ত শৰণ।
হৰি বিনা নাহি আউৰ দুৰ্গতি তাৰণ।।
এহি বুলি বায়ু ভক্ষি নিদ্ৰা পৰিহৰি।
মাধৱক আৰাধন্ত কষ্টব্ৰত ধৰি।।

দেৱতাৰ তুতিত ভগৱন্ত সন্তুষ্ট হৈ আকাশবাণী কৰিলে। তেওঁলোকক ভয় পৰিহাৰ কৰি নিঃচিন্ত হবলৈ কলে। দৈত্যৰ প্ৰলয় সাধিব বুলি দৈববাণীৰে প্ৰকাশ কৰিলে।

দেৱগণ নকৰিবা ভয়।
কৰিবোহো দৈত্যৰ প্ৰলয়।।
ইটো দুঃখ হৈব উপশান্তি।
শুনা তাৰ মৰণৰ খ্যান্তি।।

*(১২ পৃষ্ঠাত চাওক)*

# নাট-ভাওনাৰ বৈশিষ্ট্য

(১ পৃষ্ঠাৰ পৰা)

শ্ৰীমন্ত শঙ্কৰদেৱৰ লক্ষ্য আছিল যুগ যুগ ধৰি অৱহেলিত হৈ থকা সৰ্বসাধাৰণ লোকক এক আধ্যাত্মিক চেতনা দান আৰু জীৱনৰ ধৰ্ম, অৰ্থ, কাম— এই তিনিওৱে ওপৰত ভক্তিধৰ্ম আচৰি, এক সহজ-সৰল সদাচাৰী, সাংসাৰিক জীৱন-যাপন কৰিব পৰা ব্যৱস্থা দান কৰা। তাৰাই নামধৰ্ম প্ৰচাৰৰ বাবে হৰি নাম শ্ৰৱণ-কীৰ্তনৰ ব্যৱস্থাৰ কৰাৰ বাহিৰেও দৃশ্য-শ্ৰাব্য (Audio Visual) ব্যৱস্থাৰে এক নতুন কৌশল আৱিস্কাৰ কৰিলে যিটোক যাত্ৰা, নাট বা ভাওনা বুলি জনা যায়। ১৪৬৮ খ্ৰীষ্টাব্দত শঙ্কৰদেৱে এনে এটি কলাৰ সৃষ্টি কৰিলে যিটি অকল অসম বা ভাৰততে নহয় বৰং সেই যুগত সমগ্ৰ বিশ্বৰ ভিতৰতে প্ৰথম। ‘চিহ্নযাত্ৰা’ নামৰ এক ভাওনাৰ সৃষ্টি কৰিলে। এই ‘যাত্ৰা’ৰ বাবে নতুন কৌশল উদ্ভাৱন কৰিলে। এই কৌশল বিলাকৰ ভিতৰত কেইটিমান বিশ্বৰ ভিতৰতে প্ৰথম। ‘চিহ্নযাত্ৰা’ ভাওনাৰ বাহিৰেও পৰৱৰ্তী সময়ত শঙ্কৰদেৱে ছয়খন অংকীয়া নাট যেনে— (১) পত্নীপ্ৰসাদ (২) পাৰিজাত-হৰণ (৩) কালিদমন (৪) ৰুক্মিণী-হৰণ (৫) কেলিগোপাল বা ৰাসক্ৰীয়া (৬) শ্ৰীৰামবিজয় নাটক ৰচনা কৰিছিল— যিবিলাক গুৰুজনাৰ জীৱিত কালত অভিনয় কৰা হৈছিল।

**শঙ্কৰী নাট-ভাওনাৰ বৈশিষ্ট্য ঃ** শঙ্কৰদেৱৰ নাটকেইখনক অঙ্কীয়া নাট আৰু অভিনয়ক ভাওনা বুলি কোৱা হয়। অংকীয়া নাট গুৰুজনাৰ অভিনৱ সৃষ্টি। গুৰুজনাই অৱশ্যে নাটসমূহক অংকীয়া নাট নাম দিয়া নাই তাৰাই নাটসমূহক নাট, নাটক, যাত্ৰা আৰু নৃত্য বুলিহে উল্লেখ কৰিছে। মহাপুৰুষ শঙ্কৰদেৱৰ নাটৰ প্ৰধান বৈশিষ্ট্যসমূহ হৈছে— (ক) সূত্ৰধাৰৰ প্ৰাধান্য (খ) ব্ৰজাৱলী ভাষাৰ প্ৰয়োগ (গ) গীত, শ্লোক আৰু পয়াৰৰ ব্যৱহাৰ (ঘ) গদ্যৰ ব্যৱহাৰ, যিটো লয়যুক্ত

এইবিলাকৰ বাহিৰেও অংকীয়া নাটত অগ্নিগড়, মুখা, আৰিয়া, ধেমালি (গায়ন-বায়ন) বেশ-ভূষা আদিৰ ব্যৱহাৰৰ বৈশিষ্ট্য বিদ্যমান। গুৰুজনাৰ নাটসমূহত শৃঙ্গাৰ, বীৰ, কৰুণ, হাস্য, ভয়ানক আদি বিভিন্ন ৰস থাকিলেও প্ৰধান ৰস হৈছে ভক্তিৰস। শঙ্কৰদেৱৰ নাটকসমূহ অধ্যয়ন আৰু গৱেষণা কৰি বিভিন্নজন সাহিত্যিক-পণ্ডিতে এনেদৰে মন্তব্য আগবঢ়াইছে—

(১) “আজিৰ এই বিভিন্ন দৃশ্য-শ্ৰাব্য মাধ্যমৰ প্ৰসাৰৰ যুগতো শঙ্কৰদেৱ উদ্ভাৱিত অংকীয়া নাট আৰু ভাওনা অসমীয়া সাহিত্য-সংস্কৃতিৰ এক অবিচ্ছেদ্য অংগ স্বৰূপে বিৰাজ কৰিছে। শঙ্কৰদেৱেই কিজানি সমগ্ৰ উত্তৰ ভাৰতত প্ৰথম নাটকৰ প্ৰণেতা, নিৰ্দেশক আৰু প্ৰয়োজক।”— ড° লক্ষ্মীনন্দন বৰা

(২) “মহাপুৰুষ শঙ্কৰদেৱে এই নাট উপস্থাপনত প্ৰয়োগ কৰা কিছুমান কলা-কৌশলৰ কথা ভাবিলে বিস্ময় মানিব লগা হয়। বহু গৱেষণাৰ মূৰত আজি যিবোৰ কলা-কৌশল অত্যাধুনিক মঞ্চৰ বাবে আৱিষ্কাৰ কৰা হৈছে সেই ধৰণৰ কলা-কৌশলবোৰ মহাপুৰুষ শঙ্কৰদেৱে পাঁচশ বছৰৰ আগতেই অসমক দি গৈছে। কোনোবা বিশেষ অভিনেতাক কোনো এটা বিশেষ মুহূৰ্তত আলোকপাত পৰিদৰ্শকক দেখুৱাবৰ ব্যৱস্থা নীলা বা হালধীয়া ৰঙৰ মহতা জ্বলাই মহাপুৰুষ শঙ্কৰদেৱেই কৰি গৈছিল। আজি ভাৰততে নহয় পৃথিৱীত এনে কোনো দেশ নাই য’ত পাঁচশ বছৰৰ আগতে অভিনয়ৰ কাৰণে এনেবোৰ কৌশল অৱলম্বন কৰিছিল।”— গজেন বৰুৱা

(৩) “মহাপুৰুষ শঙ্কৰদেৱে প্ৰথমে তুলাপাতত সপ্ত বৈকুণ্ঠৰ পট আঁকি ‘চিহ্নযাত্ৰা’ৰ অভিনয় কৰাৰ পাছত ছয়খনকৈ নাট ৰচনা কৰি ধেমালি, শ্লোক, ভটিমা, গীত, সংলাপেৰে পৰিপূৰ্ণ অভিনৱ ধৰণৰ অংকীয়া নাট-ভাওনাৰ সূচনা কৰিলে। প্ৰাচীন সংস্কৃত নাটকৰ আৰ্হিত ৰচনা কৰিলেও তেওঁ নাটকৰ আংগিক, কলা-কৌশল আৰু পৰিৱেশনত অনেক নতুনত্বৰ অৱতাৰণা কৰিলে।” —ভৱপ্ৰসাদ চলিহা।

(৪) “চিহ্নযাত্ৰাই অসমীয়া সঙ্গীত আৰু নাট কলাৰ এক অভূতপূৰ্ব অভিনৱ অধ্যায় ভাৰতীয় সংগীত আৰু নাট্য সাহিত্যৰ বুৰঞ্জীৰ এটি নতুন পাত মুকলি কৰি দিলে।” — ড° মহেশ্বৰ নেওগ।

শঙ্কৰদেৱৰ নাটৰ এটি প্ৰধান বৈশিষ্ট্য হৈছে সূত্ৰধাৰ। অংকীয়া নাটত সূত্ৰধাৰৰ ভূমিকা গুৰুত্বপূৰ্ণ আৰু সূত্ৰধাৰ শঙ্কৰী নাটৰ অদ্বিতীয় সৃষ্টি। “অংকীয়া নাট্যশৈলীটোত সূত্ৰধাৰ নামৰ চৰিত্ৰটোৰ অৱতাৰণাৰ ক্ষেত্ৰত সংস্কৃত নাটকৰ প্ৰভাৱৰ কথা কোৱা হয় যদিও সংস্কৃত নাটকৰ সূত্ৰধাৰ আৰু অংকীয়া নাটৰ সূত্ৰধাৰৰ নাম দুটাৰ মিল থকাৰ বাহিৰে কাৰ্যাৱলীৰ ক্ষেত্ৰত সম্পূৰ্ণ বিপৰীত দৃশ্যহে পৰিলক্ষিত হয়। ....সূত্ৰধাৰে অংকীয়া নাটত আৰম্ভণিৰ পৰা সামৰণি পৰ্যন্ত মঞ্চত উপস্থিত থাকি নানা ধৰণৰ কৰ্তব্য সম্পাদন কৰে। তেওঁ নৃত্য কৰে, গীত-ভটিমা গায়, আগতীয়াকৈ নাটকীয়া কাহিনীৰ আভাষ দৰ্শকৰ আগত দাঙি ধৰে, চৰিত্ৰসমূহৰ প্ৰৱেশ-প্ৰস্থান নিশ্চিত কৰে। সংস্কৃত শ্লোকসমূহ আবৃত্তি কৰে, নাটকত অভিনয় কৰি দেখুৱাব নোৱাৰা বা নেদেখুওৱা ঘটনাৱলীৰ বিৱৰণ দাঙি ধৰে। নাটকৰ মাজে মাজে দৰ্শকক ভগৱৎ ভক্তিৰ মাহাত্ম্যযুক্ত কথা বুজাই দিয়ে। সমগ্ৰ নাটকখনৰ মঞ্চ নিৰ্দেশনা কৰে সূত্ৰধাৰে।”— ড° উপেন্দ্ৰজিৎ শৰ্মা। মুঠতে সূত্ৰধাৰজন অংকীয়া নাটৰ সঞ্চালক বা পৰিচালক আৰু মূল চৰিত্ৰ। শঙ্কৰদেৱে এই সূত্ৰধাৰজনৰ যোগেদি সৰ্বসাধাৰণ দৰ্শকক (যি সকলৰ কাহিনীৰ বিষয়বস্তুৰ জ্ঞান নাই) সকলো কথা বুজিব পৰাকৈ আৰু গীত -নৃত্যৰ দ্বাৰা সুললিত ভাষাৰে দৰ্শকক আমোদ দিব পৰাকৈ নাটক পৰিৱেশন কৰাৰ কৌশল উদ্ভাৱন কৰিলে।

অংকীয়া নাটৰ বৈশিষ্ট্য হ’ল নাটৰ ভাষা- যিটো মূল ব্ৰজাৱলী। এই ব্ৰজাৱলী ভাষা গুৰুজনাৰ সৃষ্ট ভাষা। ব্ৰজাৱলী ভাষা ব্ৰজধামৰ শ্ৰীকৃষ্ণ কাহিনীযুক্ত ভাষা হ’লেও শঙ্কৰদেৱে ব্ৰজভাষাক নিজ পাণ্ডিত্যৰে অন্যান্য ভাষাৰ শব্দ সংগ্ৰহ কৰি স্থানীয় লোকৰ মুখৰ ভাষাৰ লগত লগলগাই ব্ৰজাৱলী বা ব্ৰজবুলি ভাষাৰ সৃষ্টি কৰিলে। *“Brajavali or Assamese Brajabuli as it was formerly known, is the vehicle of an old and ipressive literature virtually invented singlehandedly by the Assamese saint and reformer Sankaradeva.'' – Dr. W.L. Smith.* শঙ্কৰদেৱে সমগ্ৰ উত্তৰ ভাৰত-পূব ভাৰত তথা উত্তৰ-পূব ভাৰতৰ লোকে বুলিব পৰা এক উমৈহতীয়া ভাষাৰ সৃষ্টি কৰি অংকীয়া নাটকত এই ভাষা প্ৰয়োগ কৰিলে। এনেদৰে ভাষাটোক এক বিশেষ মৰ্যাদা প্ৰদান কৰি, জনগণৰ মুখৰ ভাষাৰ লগত সম্পূৰ্ণ এক নকৰি, নাটকৰ কাৰ্যবিলাক ভগৱানৰ বাণী বুলি দৰ্শকক আকৰ্ষিত কৰি এক ভক্তি ভাবৰ সৃষ্টি কৰিবলৈ চেষ্টা কৰিছিল। গুৰুজনাৰ এই প্ৰচেষ্টা সম্পূৰ্ণ সফল হৈছিল। সাম্প্ৰতিক কালতো এই ভাষাৰ মৰ্যাদা অটুট আছে। বৰ্তমান অসমীয়া ভাষাই নতুন ৰূপ পৰিগ্ৰহ কৰিলে বাবে অৱশ্যে অংকীয়া নাটৰ প্ৰচলন কিছু স্তিমিত হৈছে আৰু ইয়াৰ ঠাইত আধুনিক অসমীয়া ভাষাত নাট ৰচিত হ’বলৈ ধৰিলে আৰু এই নাট-ভাওনা অধিক জনপ্ৰিয় হৈছে।

অংকীয়া নাটৰ তৃতীয় বৈশিষ্ট্য হৈছে নাটকত ব্যৱহৃত গীত, শ্লোক আৰু পয়াৰ। অংকীয়া নাট মূলতে গীত আৰু নৃত্যযুক্ত। গীতে মানুহৰ মনত আনন্দ দিয়ে আৰু চেতনা শক্তি জগাই তোলে। লয়যুক্ত গদ্য আৰু সংস্কৃত শ্লোকৰ ব্যৱহাৰে অংকীয়া নাটকৰ গাম্ভীৰ্যতা বৃদ্ধি কৰিছে আৰু নাটকৰ ভাষাক এক উচ্চ পৰ্যায়লৈ নিছে। শঙ্কৰদেৱৰ নাটকসমূহত মুঠ ১৮০টা সংস্কৃত শ্লোক আছে বুলি পণ্ডিতে ঠাৱৰ কৰিছে। ইয়াৰ এটা শ্লোক বাদ দি ১৭৯টা শ্লোক শঙ্কৰদেৱে নিজে ৰচনা কৰিছে বুলি কোৱা হৈছে। ইয়াৰ পৰাই শঙ্কৰদেৱৰ ভাষাৰ ক্ষেত্ৰত থকা অসাধাৰণ পাণ্ডিত্যৰ কথা প্ৰমাণ কৰে।

উপৰিউক্ত বৈশিষ্ট্যবিলাকৰ বাহিৰেও শঙ্কৰদেৱে অংকীয়া নাটক পৰিৱেশনৰ বাবে নানা নতুন কৌশল উদ্ভাৱন কৰিছিল। এই বিলাকৰ ভিতৰত মুখাৰ ব্যৱহাৰ, গায়ন-বায়নৰ দ্বাৰা নৃত্য-গীতৰ মাজেৰে ‘ধেমালী’ পৰিৱেশন, দৃশ্যপট (চিহ্নযাত্ৰা) আঁৰ-কাপোৰ, আৰিয়া, অগ্নিগড়, ভোটা আদি প্ৰধান। নাটকত ব্যৱহৃত মুখ্য বাদ্য ‘খোল’ গুৰুজনাৰ দ্বাৰা সৃষ্ট। এইদৰে বিচাৰ কৰিলে দেখা যায় যে শঙ্কৰী নাটক আৰু ভাওনাত গুৰুজনাৰ বহুতো মৌলিক উপাদান আছে যিবিলাকৰ বাবে অংকীয়া নাটকে সমসাময়িক ভাৰতত এক বিশেষ স্থান লাভ কৰি আছে। চিহ্নযাত্ৰা ভাওনাত (১৪৬৮ খ্ৰীঃ) ব্যৱহাৰ কৰা প্ৰায় সকলো উপকৰণ শঙ্কৰদেৱৰ নিজা সৃষ্টি যিবিলাকে গুৰুজনাৰ অসাধাৰণ পণ্ডিত্যৰ কথাকে প্ৰমাণ কৰে।

**সমসাময়িক বিশ্বত শঙ্কৰী নাট-ভাওনাৰ স্থান ঃ** ভাৰতবৰ্ষত দ্বিতীয় শতিকাত সংস্কৃত নাটক ৰচনা কৰা হয়। পিছৰ যুগত বিশেষকৈ মধ্যযুগত ধৰ্ম প্ৰচাৰৰ বাবেই সংস্কৃত নাটকসমূহ থলুৱা ভাষালৈ অনুবাদ কৰি ৰামায়ণ, মহাভাৰতৰ কাহিনীসমূহক নাট্যৰূপ দিবলৈ আৰম্ভ কৰিলে। অসমত শ্ৰীমন্ত শঙ্কৰদেৱে এক অপূৰ্ব নৃত্য-নাট্যৰ সৃষ্টি কৰিলে যিটো ধাৰা ভাৰতত আগতে কোনেও কৰা নাছিল। খ্ৰীষ্টপূৰ্ব পঞ্চম শতিকাত তিনিজন নাট্যকাৰে প্ৰথমে গ্ৰীক নাটকসমূহ লিখিছিল, এই বিলাকৰ মূল বিষয় ধৰ্ম যদিও মানুহৰ সমস্যা আৰু মনস্তাত্বিক বিষয়ৰ ওপৰত নাটক ৰচনা হৈছিল। *“All the extant plays of Aeschylus, Sophocles and Euripides were written during the fifth century B.C. ..... We have maintained that Aeschylus' basic orientation was towards theology and religion.” (The Complete Greek Drama Vol-1, Edited by W.J. Oates and E.O. Neill)* ৰোমান নাটকত গ্ৰীক নাটক আৰু সাহিত্যৰ প্ৰভাৱ বিদ্যমান বুলি পণ্ডিতসকলে স্থিৰ কৰিছে। কিন্তু মধ্যযুগত ৰোমান নাটকে সমগ্ৰ ইউৰোপকে প্ৰভাৱন্বিত কৰিছিল। *“Roman drama served as a direct model for European drama of the sixteenth and seventeenth Centuries” (The Complete Roman Dram, Vol-I, Edited by G. E. Duckworth).* শঙ্কৰী সাহিত্যৰ এগৰাকী গৱেষক পণ্ডিত ডিম্বেশ্বৰ নেওগে মন্তব্য কৰিছে যে— “১৫৮৭ ৰ পৰা ১৬১১ লৈ এই ২৪/২৫ বছৰৰ ভিতৰত শ্বেক্সপীয়েৰে তেওঁৰ শ্ৰেষ্ঠ নাটখিনি লিখিছিল আৰু সেই কালতহে ইংলেণ্ডত নিয়মিতভাৱে চিত্ৰিত দৃশ্যপটৰ ব্যৱহাৰ হৈছিল। ১৬০০ খ্ৰীষ্টাব্দতো ইংলেণ্ড মুঠতে এক লাখ নাগৰিকৰ এখন সৰু চহৰ বুলিব পাৰি। তেন্তে চিহ্নযাত্ৰা নাট আৰু তাৰ নাটশাল ইংলণ্ডৰ নিয়মিত নাট আৰু নাটশালতকৈ নাই বুলিও ছকুৰি বছৰৰ যে আগ, তাক ঠাৱৰাব পাৰি। শঙ্কৰদেৱৰ এই প্ৰথম নাট চিহ্নযাত্ৰা আজি পাবলৈ নাই বাবেই সি নাছিল এনে আশংকা অমূলক; কিয়নো শঙ্কৰদেৱৰ প্ৰায় ছকুৰি বছৰৰ পাছৰ শ্বেক্সপীয়েৰেও তেওঁৰ নাটবোৰ শেষ কাললৈকে নিজে সাঁচি সামৰি ৰখা নাছিল।” (ডিম্বেশ্বৰ নেওগ)

সমসাময়িক বিশ্বত শঙ্কৰী নাটৰ স্থান সম্পৰ্কে জানিবলৈ আমি কেইজনমান গৱেষক পণ্ডিতকৰ মতামত জানিব লাগিব। এনে কেইগৰাকীমান পণ্ডিতৰ লিখনিৰ পৰা কিছু উদ্ধৃতি দিয়া হৈছে.... (ক) “ধৰ্ম প্ৰচাৰৰ বিশিষ্ট লক্ষ্যৰে অৱশ্যে শ্বেক্সপীয়েৰে নাটসমূহ ৰচনা কৰা নাছিল। এখেতৰ সময় আছিল ১৫৬৪ খ্ৰীষ্টাব্দৰ পৰা ১৬১৬ খ্ৰীষ্টাব্দলৈকে। পঞ্চদশ শতিকাৰ শেষ ভাগৰপৰা শ্ৰীমন্ত শঙ্কৰদেৱৰ নাট ৰচনাৰ ক্ৰম আৰম্ভ হয়। উল্লিখিত সময়ছোৱাত ইংলেণ্ড, হলেণ্ড, স্পেইন আদি দেশত নাটক ৰচনাৰ জয় জয় ময় ময় অৱস্থা নাছিল। ইংৰাজী নাটকৰ ‘চিহ্নযাত্ৰা’ আৰম্ভ হৈছিলহে। যি সময়ত অসমীয়া সাহিত্যক শ্ৰীমন্ত শঙ্কৰদেৱৰ ৰচনাৰে অসমীয়া ভাষা সাহিত্য সংস্কৃতি ধন্য হৈছিল, সেই সময়ত ইংলেণ্ডত লেটিন আৰু গ্ৰীক নাটকৰ অনুকৰণ চলিছিল। যদি গুৰুজনাৰ তিৰোধানৰ সময় ১৫৬৮ বুলি কওঁ, তেনেহ’লে ইংলেণ্ডত তেতিয়াও হেমলেট (১৬০১) কিং লিয়েৰ (১৬০৫), ড° ফষ্টাৰ্চ (১৫৯২) আদিৰ দৰে বিশ্ববিখ্যাত নাট্য সৃষ্টি হোৱাই নাছিল।”

(খ) “সমসাময়িক ভাৰতত কিয় ইউৰোপতো এনেদৰে নাট আৰু ৰঙ্গমঞ্চ ৰচনা কৰা কথা বিৰল, ই কেৱল শঙ্কৰদেৱৰ দৰে অভ্ৰভেদী ব্যক্তিত্ব আৰু দিগন্ত প্ৰসাৰী প্ৰতিভাৰ কাৰণেহে সম্ভৱ হৈছিল, ইয়াকো ধাৰণা কৰিব পাৰিব লাগিব।” — ডিম্বেশ্বৰ নেওগ

(গ) *‘Chinha-Yatra’ is said to be first modern drama in the Indo-Aryan Languages staged anywhere in the world, but this claim cannot be substantiated as the text of the play has not been found. Interesting, it would be another eighty years before the first 'Early Modern English Drama' is staged in London in 1576'' –Dr. Bimal Phukam*

(ঘ) *''Srimanta Sankardev*

(৬ পৃষ্ঠাত চাওক)

# নামঘোষা ঃ দাস্য-ভক্তিৰ আন এটি নাম

ড° দিলীপ কুমাৰ মেধি, গুৱাহাটী বিশ্ববিদ্যালয়

'নাম-ঘোষা' মাধৱদেৱৰ অনুপম ৰচনা। মাধৱদেৱৰ ৰচনাৰ ই 'মণিকুট'।[১] পৰমভক্ত মাধৱদেৱৰ আধ্যাত্মিক জীৱনৰ অভিজ্ঞতাৰ ই হৈছে ছন্দোময় প্ৰকাশ।[২] অসমীয়া জাতীয় জীৱনত ই গীতা আৰু উপনিষদ সদৃশ।[৩] নৱবৈষ্ণৱ ধৰ্মৰ ই হৈছে মূলসূত্ৰ।[৪] আচাৰ্য বিনোৱা ভাৱে ভাৰতবৰ্ষৰ দুই চাৰিখন উত্তম গ্ৰন্থৰ ভিতৰত 'নাম-ঘোষা'কো স্থান দিছে। মহাপুৰুষীয়া বৈষ্ণৱ ধৰ্মৰ বিশেষ উল্লেখযোগ্য গ্ৰন্থ চাৰিখন হৈছে — 'কীৰ্ত্তন-ঘোষা', 'দশম', 'নাম-ঘোষা' আৰু 'ৰত্নাৱলী'।[৫]

'নাম-ঘোষা'ত এক হাজাৰ ঘোষা আছে, আৰু সেই বাবেই ইয়াক 'হাজাৰী ঘোষা'ও বোলে।[৬] কিন্তু ইয়াৰ সিংহভাগ ঘোষাই সংস্কৃতৰ বিভিন্ন বৈষ্ণৱ গ্ৰন্থৰ পৰা কৰা অনুবাদ। এই সংস্কৃত শ্ৰোত গ্ৰন্থসমূহ হৈছে - বাল্মীকি ৰামায়ণ, মহাভাৰত, ভাগৱত, বিষ্ণুপুৰাণ, পদ্মপুৰাণ, ব্ৰহ্মপুৰাণ, ব্ৰহ্মাণ্ড পুৰাণ, স্কন্দ পুৰাণ, বামন পুৰাণ, ভৱিষ্য পুৰাণ, নাৰদ পুৰাণ, বৈষ্ণৱানন্দ লহৰি, মাৰ্কণ্ডেয় পুৰাণ, বিষ্ণু ৰহস্য, গীতা, পাণ্ডৱী গীতা, বৃহন্নাৰদীয় পুৰাণ, শ্ৰীধৰ স্বামীকৃত ভাগৱত ভাৱাৰ্থ দীপিকা গীতাৰ সুবোধিনী ব্যাখ্যা, শংকৰাচাৰ্যৰ মোহ-মুদগৰ, বিষ্ণুপুৰীৰ ভক্তি-ৰত্নাৱলী আদি।

উপৰত উল্লিখিত গ্ৰন্থসমূহৰ পৰা অনুবাদ কৰাৰ বাবেই অনেক পণ্ডিতে 'নাম-ঘোষা'ক অনুবাদ গ্ৰন্থ বুলি ক'ব খোজে। আপাততঃ অনুবাদ যেন লাগিলেও তথাকথিত বিষয়বোৰ হৃদয়ঙ্গম কৰি নিজ যুক্তি সহকাৰে সাৱলীল ভাষাত প্ৰস্তুত কৰি উলিয়াইছে। ডাঃ মাগধে অনুবাদৰ সলনি 'পুনৰ্নিৰ্মাণ' শব্দৰ প্ৰয়োগ কৰিছে।[৭] তেখেতৰ সুকোমল অনুভূতিয়ে, ভাৱব্যঞ্জক শব্দাৱলীয়ে, সপ্ৰেষণীয় ভাষাৰ প্ৰয়োগে অনুবাদক মৌলিকত্বৰ নিচেই কাষ চপাইছে। ঘোষাবোৰ যে সংস্কৃত গ্ৰন্থৰ হুবহু অনুবাদ নহয়, সি ধ্ৰুৰূপ আৰু ইয়াত কবিৰ যথেষ্ট মৌলিকতা আছে।

'নাম-ঘোষা' হৈছে ভক্ত হৃদয়ৰ কৰুণ পুকাৰ, দাস্য-ভক্তিৰ চৰম নিদৰ্শন। "মাধৱদেৱৰ 'নাম-ঘোষা' দাস্য-ভক্তিৰ অনুপম প্ৰকাশ।"[৮] নাম-ঘোষাত 'নৱধাভক্তি'ৰ[৯] ভিতৰত আটাইতকৈ গুৰুত্ব দিয়া দেখা যায় দাস্য-ভক্তিৰ ওপৰত। দাস্য ভক্তিত ভক্তই ভগৱানক শাশ্বত স্বামী বুলি স্বীকাৰ কৰি নিজকে নিষ্ঠাবান সেৱক হিচাপে গণ্য কৰি আত্মসমৰ্পণ কৰে। ইয়াত ভগবান অনুগ্ৰহকৰ্তা আৰু ভক্ত অনুগ্ৰহগ্ৰাহ্য।

বাস্তৱিক অৰ্থত দাস, দাসত্ব বা দাস্যভাৱ যিমানেই নিন্দনীয় নহওক কিয়, আধ্যাত্মিক অৰ্থত ই বন্দনীয়। জন-জীৱনত দাসত্বৰ জঞ্জীৰ ছিঙি চুৰমাৰ কৰাৰ বাবে মানুহে ছটফটাই থাকে যদিও আধ্যাত্মিক জীৱনত কিন্তু ভক্তই দাসত্বৰ বান্ধোনত সাঙোৰ খাই পৰাৰ একান্ত হাবিয়াস কৰে। সেয়ে ভক্তসবে সগৌৰৱে নিজকে 'দাস' বুলি কৈয়ে ক্ষান্ত নাথাকি দাসৰো দাস বুলি কৈ অপাৰ আনন্দ লভে। মাধৱদেৱৰ দাস্য-ভক্তিত দাস্য-ভাৱৰ এই আটাইবোৰ লক্ষণ 'নামঘোষা'ৰ পাতে- পাতে জ্‌লজল্ পট্‌পট্‌কৈ ধৰা পৰিছে।

লৌকিক বা অলৌকিক দুয়োটা ক্ষেত্ৰতে আমি দেখিবলৈ পাওঁ যে মালিক আৰু চাকৰ (অথবা স্বামী আৰু দাস)ৰ মাজৰ সম্বন্ধৰ গভীৰতা নাইবা স্থায়িত্ব নিৰ্ভৰ কৰে তেওঁলোকৰ ব্যক্তিত্বৰ ওপৰত। মাধৱদেৱৰ স্বামী হৈছে শ্ৰীকৃষ্ণ। বিশাল ব্যক্তিত্বৰ অধিকাৰী। শাশ্বত স্বামী। অনন্ত গুণৰ অধিকাৰী। হিমালয় সদৃশ গুণৰ অধিকাৰী। সেয়েহে মাধৱদেৱৰ শ্ৰীকৃষ্ণৰ প্ৰতি ইমান শ্ৰদ্ধা, ইমান আস্থা। নিজৰ গাত নথকা গুণবোৰ যেতিয়া শ্ৰদ্ধেয়ৰ গাত দেখা যায়, শ্ৰদ্ধালুৰ তেতিয়া শ্ৰদ্ধেয়ৰ প্ৰতি আনুগত্য বাঢ়ি যায়, শ্ৰদ্ধা বাঢ়ি যায়, মূৰ দোঁ খাই যায়। কৃষ্ণ হৈছে গুণনিধি। এনেহেন কৃষ্ণক মাধৱদেৱে স্বামী হিচাপে গ্ৰহণ কৰিবলৈ সক্ষম হৈছে—

পৰম ঈশ্বৰ কৃষ্ণ দেৱতাৰ
গুণৰ নাইকে অন্ত।
—পৃ. ৬৮৪

এনেহেন গুণনিধি কৃষ্ণৰ দাস হৈ পদ-সেৱন কৰাৰ মাদৱদেৱৰ কিমান যে হাবিয়াস—

দান্তে তৃণ তুলি ধৰো/যিমতে সেৱাত ৰহো
দিয়া মোক সেহি উপদেশ।
— পৃ. ৬৩৯

অভয় দান মহাদান। প্ৰতিজন দাসে নিজৰ স্বামীৰ পৰা অভয় বিচাৰে। কৃষ্ণতকৈ উত্তম স্বামী কোন হ'ব পাৰে, যিয়ে প্ৰতিটো ক্ষণতে, বিপদতে আতুৰজনক অভয় দান দিব পাৰে—

কালগ্ৰাহে ধৰি সবাকো গিলয়
চেতন নাহিকে মনে।
ত্ৰাহি হৰি বুলি পশিলো শৰণে
অভয় হৰি চৰণে।।
— পৃ. ৬৬৫

কৃষ্ণৰ চৰণত যেন সকলো নিৰাপদ। ভয় ত্ৰাস, সংকট, মৃত্যুভয়, একোৰে যেন চিন্তা নাই। সৰু কেচুৱাই যেন নিজ পিতৃৰ ওচৰত নিশ্চিন্ত। এনে স্বামী কৃষ্ণৰ প্ৰতি মাধৱদেৱৰ অগাধ বিশ্বাস। দাস্যভক্তিত ভক্তৰ ভগৱানৰ প্ৰতি অগাধ বিশ্বাস বাঞ্চনীয়। এই সুদৃঢ় বিশ্বাসেই বাধ্য কৰাইছে শৰণ ল'বলৈ মাধবদেৱক গুণনিধি কৃষ্ণৰ ওচৰত—

জয়তি জগত গুৰু এ গুণৰ নিধি
নিজ নিৰঞ্জন নিৰাকাৰ,
তোমাৰ চৰণে সদা শৰণ আমাৰ।।
— পৃ. ৭৫৩

প্ৰকৃত ভক্তি হব লাগে অহৈতুকী।[১০] ই হ'ব লাগে ইশ্বৰৰ কৃপা লাভৰ বাবে আত্মসমৰ্পণ। মাধৱদেৱৰ আত্ম সমৰ্পণত আমি অহৈতুকী ভাৱ দেখিবলৈ পাওঁ। ইয়াত কোনো কামনা-বাসনাৰ স্থান দেখা নাযায়। গুণনিধি বা কৃপানিধিৰ কৃপা অহৰহ পোৱাটোৱেই আত্মসমৰ্পণৰ মূল উদ্দেশ্য।

অনন্ত গুণৰ অধিকাৰী, আশ্ৰয়দাতা শৰণাগতবৎসল স্বামী কৃষ্ণৰ সম্পূৰ্ণ ওলোটা হৈছে একান্ত সেৱক মাধৱদেৱ। কৃষ্ণ-গুণ সিন্ধু সম বিশাল, হিমালয় সম উচ্চ, কিন্তু মাধৱদেৱৰ গুণ তৃণ সদৃশ। কৃষ্ণ হৈছে কৰুণা সিন্ধু, পতিতপাৱন। এনে পতিতপাৱন আন কোনো নাই—

হে হৰি মোক দুৰাচাৰ বুলি
নকৰিবা পৰিহাৰ।
তুমি বিনে মহা পতিত পাৱন
কোন দেৱ আছে আৰ।।
— পৃ. ৬৭৪

আনহাতে মাধৱদেৱ হৈছে পৰম পতিত। তেওঁ জ্ঞানশূন্য আৰু হীনমতি—

ভকতি মিনতি প্ৰণতি নজানো হৰি এ
মোত পৰে জ্ঞানশূণ্য হীনমতি নাই ৰাম-ৰাম।।
— পৃ. ৭৫৪

বাৰম্বাৰ নিজকে মাধৱদেৱে মূৰুখমতি, মূঢ়মতি, মহা মূঢ়জন, ভৃত্য, মহাপাপী, কিংকৰ আদি শব্দৰ প্ৰয়োগেৰে এহাতে নিজ স্বামী শ্ৰীকৃষ্ণক গুণ-শিলাৰ শিখৰত উপস্থাপন কৰিবলৈ সক্ষম হৈছে, আনহাতে দাস্য ভাৱৰ এনাজৰী ডালত ধৰি শিখৰত অধিষ্ঠিত স্বামীৰ চৰণ যুগলত শৰণ লৱলৈ উন্নীত হোৱাত নিজেও সক্ষম হৈছে। মাধৱদেৱৰ আত্মনিন্দই মাধৱৰ বিনন্দীয়া স্বৰূপটো দাঙি ধৰাৰ লগতে নিজৰ সুবিশাল ভক্ত হৃদয়খন উজাৰি দেখুৱাবলৈ সক্ষম হৈছে। আত্মনিন্দাৰ মাজেৰে যিদৰে নিজকে ধিক্কাৰ দিছে সি অতি দৰ্শনীয়—

তোমাক নাজানি জড় মিছা শৰীৰক মঞি
প্ৰাণবন্ধু পিতাম্বৰ এ
আত্মা বুলি ভৈলো সেৱা চোৰ।
প্ৰাণবন্ধু কিনো মঞি অজ্ঞানী দুৰ্ঘোৰ হৰি এ।।
—পৃ. ৭৪৬

দুৰ্লভ মনু তনু লাভ কৰিও যদি কোনোৱাই নিজ স্বামীক সেৱা কৰাৰ পৰা বঞ্চিত হয় নাইবা দূৰত থাকে তাতকৈ আৰু পৰিতাপৰ বিষয় আন একো হ'ব নোৱাৰে। ই আত্মঘাতীৰ বাহিৰে আন একো নহয়। আনহাতে আত্মঘাতীতকৈ আৰু বেয়া কৰ্ম আন একো হ'ব নোৱাৰে—

কত মহাদুখে পুণ্য কৰি/ অপৱৰ্গ যোগ্য নৰতনু/পায়া পৃথিৱীত বিষয়ত মজি ৰৈল। ইটো খেদ হৰি সেৱা তজি/ আপুনাক আত্মঘাটি কৰি/ সিটো মহাপাপী আপুনি বঞ্চিত ভৈল।। (পৃ. ৭৩৬)

স্বামীৰ প্ৰতি থকা অগাধ বিশ্বাস আৰু শ্ৰদ্ধাই ভক্তৰ মনত আনি দিয়ে দুৰ্দান্ত সাহস। আৰু সেই সাহসৰ বলত বলীয়ান হৈ মৃত্যু, যম, শোক, জৰা কালৈকো ভয় নকৰে ভক্তই। ভেঙুচালি বা উপলুঙা কৰাৰ বাবেও কুণ্ঠাবোধ নকৰে। যমদূতক কিদৰে 'বেংকামুৱা' বুলি কৈ ব্যঙ্গ কৰিছে সি অতি মনোমোহা —

ৰাম কৃষ্ণ নামৰ কল্লোল ৰোল শুনি
বেংকামুৱা যমদূত পলাৱে আপুনি।।
—পৃ. ৭০৭

ইয়াত 'বেংকামুৱা' যমদূতৰ পলায়ন মনকৰিবলগীয়া।

কৃষ্ণৰ অনন্য সেৱক, ভক্ত শিৰোমণি মাধৱদেৱৰ এই দাস্যভাৱত দেখা যায় সেৱকজনৰ অনুনয়-বিনয়, আতুৰতা, কাতৰতা, আকুল আহ্বান। শান্ত আৰু কৰুণৰ যেন সুন্দৰ সংমিশ্ৰণ ঘটিছে। হৃদয় বিগলিত কৰুণ আৰ্তনাদে সোঁৱৰাই দিয়ে চিকাৰী বধ্যৰ হাতত নিহত হোৱাৰ পিছত আনটো ক্ৰৌঞ্চ পক্ষীয়ে কৰা সে কৰুণ ক্ৰন্দনৰ হৃদয় বিদাৰক দৃশ্য। পৰম সেৱকজনৰ আকুল আহ্বান কৰুণ, প্ৰাৰ্থনাৰ মাজত ফুটি উঠিছে এটি বিম্ব, অনুপম দৃশ্য — সাক্ষাৎ ভগৱান যেন সন্তুষ্ট হৈ সন্মুখত উপস্থিত আৰু অষ্টাঙ্গ প্ৰণিপাতসহ চৰণ স্পৰ্শ কৰি অশ্ৰুসিক্ত নয়ণেৰে গদ-গদ কণ্ঠ স্বৰেৰে উদ্ধাৰ কৰাৰ বাবে, চৰণত শৰণ দিয়াৰ বাবে যেন দাসজনাই খাটনি ধৰিছে। এবাৰ, অন্ততঃ এবাৰ সকলো দোষ মৰিষণ কৰি নিজৰ দাস বুলি যেন আশ্ৰয় দিয়ে। মুক্তিত নিস্পৃহ[১২] এই একনিষ্ঠ সেৱকজনক যেন আন একোকে নালাগে, লাগে মাথোন মালিকৰ অহৰহ সঙ্গ—

মনুষ্য যোনিৰ কৰ্ম্মে নিশেষ যোনিত ফুৰি
দীনবন্ধু দামোদৰ এ
হৰি হৰি বাৰে বাৰে ভুঞ্জিলো অপাৰ।
দীনবন্ধু কতবা ভুঞ্জিলো নাহি পাৰ,
ইবেলি তোমাৰে দুই চৰণে শৰণ লৈলো
দীনবন্ধু দামোদৰ এ
হৰি হৰি নকৰিবা মোক পৰিহাৰ।
প্ৰাণবন্ধু চৰণত ৰাখিয়ো ইবাৰ হৰি এ।।
—পৃ. ৭৪৮

কাৰণ মুক্তি[১৩] পোৱাৰ পিছত দাস ৰূপে ভক্তি কৰাৰ সুযোগ আৰু নাথাকিব। সেয়েহে সাধাৰণতে সাযুজ্য মুক্তিক শ্ৰেষ্ঠ বুলি মান্যতা দিলেও সেৱক-সেব্য ভাৱৰ বিলুপ্তি ঘটে বাবে গুৰুজনাই এইবিধ মুক্তিক বিচৰা নাই। ভক্তিকে মুক্তিতকৈ শ্ৰেষ্ঠ বুলি বাৰে বাৰে দোহাৰিছে। ভক্তি হৈছে মুক্তি লাভৰ আহিলা।[১৪] ভগৱন্তৰ পদ সেৱা যাতে জনমে-জনমে কৰিব পাৰে তাকে কামনা কৰে। কিমান কাতৰতাৰে, ব্যথিত হৃদয়েৰে অনুনয় বিনয় কৰিছে এই ঘোষাটিত—

ইবাৰ কৰুণাময় হৰি কমলাপতি
মোকে নছাড়িবা নাৰায়ণ।
অৰুণ চৰণ তলে হৰি কমলাপতি
সত্যে-সত্যে পশিলো শৰণ।।
—পৃ. ৭৩৭

স্বয়ং কমলাপতি যেন সন্মুখত, মাটিত মূৰ পেলাই আঠুকাঢ়ি অশ্ৰুসিক্ত নয়ণেৰে, মলিন বদনেৰে, কৰুণ স্বৰেৰে, থুকাথুকি মাতেৰে ভক্তই যেন সত্যে সত্যে বুলি শপত (শইত) খাই চৰণ যুগল স্পৰ্শ কৰি বাৰে বাৰে বিনম্ৰতাৰে অনুৰোধ কৰিছে — তেওঁক যাতে অথাই সাগৰত অনাথ কৰি থৈ নাযায়। এনে এটি অনুপম হৃদয়স্পৰ্শী বিম্ব সহজে চকুত ভাহি উঠে। ই মাদৱদেৱৰ অন্যতম বৈশিষ্ট্য।

কিন্তু এই কৰুণ অনুনয়-বিনয়ৰ মাজতো সোমাই আছে মনৰ দৃঢ়তা, নিশ্চয়তা আৰু স্থিৰতা। নিজৰ (লগতে গুৰুৰ) অলৰ-অচৰ, অটল সিদ্ধান্তক, আত্মনিবেদনক, দাস্যভক্তিক, উপদেশ ৰাজিক বলিষ্ঠভাৱে, সজোৰে, দৃঢ়সংকল্পবদ্ধভাৱে ভক্তপ্ৰাণত প্ৰতিষ্ঠিত কৰাৰ বাবে ঘোষাবোৰৰ নিৰ্মাণ কৰিবলৈ খনিকৰজন যেন বদ্ধপৰিকৰ। মিঠা মিঠা কোমলকান্ত পদাৱলীৰ মাজত সোমাই আছে এক অদ্ভুত শব্দ-শক্তি। কিছুমান সাৰ্থক, সাভিপ্ৰায়মূলক সুন্দৰ শব্দৰ বাছনিয়ে সুকোমল হৃদয়ৰ নিভৃত কোণৰ পৰা নিগৰি ওলোৱা তৰল বাণীসমূহক স্থায়ীভাৱে দৃঢ়তাৰে প্ৰতিষ্ঠিত কৰাৰ সবল প্ৰয়াস দেখা যায়। জানিবা, কেৱলে, মাত্ৰ, নিশ্চয়. আউৰ, দৃঢ় কৰি— আদি শব্দৰ প্ৰয়োগে এইক্ষেত্ৰত আৰু অধিক সহায় কৰিছে।

শাৰদীয় নীলাকাশত থকা সামান্য শুকুলা মেঘৰ দৰে কেতিয়াবা যদি ভক্তজনাৰ মনাকাশত যৎকিঞ্চিত সংশয়ৰ সৃষ্টি হয়, তাকো ভ্ৰূক্ষেপ নকৰি ভয়াবহ আধ্যাত্মিক শব্দ কিছুমানৰ মাজেৰে সমস্যাৰ উপশম কৰাৰ চেষ্টা দেখা যায়, নিজৰ উদ্দেশ্য (সিদ্ধান্ত)ৰ পিনে বাট পোনাই যোৱা দেখা যায়। মলম-বেণ্ডেজেৰে নোৱাৰিলে চিকিৎসকে অপাৰেশন কৰি আৰোগ্য কৰাৰ দৰে অনুনয় বিনয়সূচক শব্দৰ প্ৰয়োগৰ পিছত প্ৰয়োজন সাপেক্ষে এই ভয়াবহ শব্দৰ প্ৰয়োগ দেখা যায়। মৰস, মজি, ডুবি, ভুঞ্জা আদি শব্দৰ প্ৰয়োগ প্ৰায়ে দেখা যায়।

*(১০ পৃষ্ঠাত চাওক)*

মৃণিকাঞ্চন

সম্পাদকীয়

// উনবিংশ বছৰ ঃ ষষ্ঠ সংখ্যা ঃ গুৱাহাটী ঃ মে’ ২০১৪ চন ঃ 565

## শঙ্কৰদেৱৰ দেশৰ মানুহ

সমাজৰ শোষণ নিপীড়নৰ ফলত যিসকল লোক শিক্ষা-সংস্কৃতি, অৰ্থনীতি আদি সকলো দিশৰ পৰাই পিছপৰা আৰু অৱহেলিত সেই সকললোকক অনুন্নয়নৰ পথৰ পৰা উন্নয়নৰ পথলৈ আনিবলৈ কৰা প্ৰযত্নই আছিল শঙ্কৰদেৱৰ মূল আদৰ্শ। এই আদৰ্শৰ প্ৰেৰণাতে গাৰোৰ গোবিন্দ গিৰি, নগাৰ নৰোত্তম, যৱনৰ চান্দখাই, মিৰিৰ পৰমানন্দ আদি বিভিন্ন জাতি-জনগোষ্ঠীৰ লোকক বৈষ্ণৱ আদৰ্শত শৰণ দিয়াই এক বৃহত্তৰ জাতি গঠন কৰাৰ বুনিয়াদ গঢ়ি তুলিছিল। অসমীয়াৰ ৰাজনৈতিক অদূৰদৰ্শিতা আৰু এক শ্ৰেণী লোকৰ ক্ষমতাৰ লোভে বৰঅসমৰ বৃহত্তৰ জাতিসত্তাত চৰম আঘাত হানি অসমৰ প্ৰাচীন ঐতিহ্যক প্ৰায় ধ্বংস কৰি পেলালে। অসম গুচি ভিন্ ভিন্ সাতখন ৰাজ্য হ’ল। মানুহৰ মনবোৰো ভাগ ভাগ হ’ল। অসম বুলিবলৈ অৱশেষত যিখিনি বাকী আছিল সেইখিনিও একে প্ৰক্ৰিয়াৰে বলি হ’বলৈ ওলাইছে। সকলোকে ৰাজনৈতিক স্বাধিকাৰ লাগে। কিন্তু আজিৰ অসমীয়া সমাজখনো সকলো জাতি-জনগোষ্ঠীকে সাবটি বৃহত্তৰ জাতি হিচাপে বৰ্তি নাথাকিলে বাকী থকা কণো থানবান হ’বলৈ সৰহ পৰ নালাগিব। বিশেষকৈ অসমৰ সমূহ জনজাতি লোকসকলৰ অংশগ্ৰহণ সবাতো প্ৰকাৰ মন কৰিবলগীয়া বিষয়। প্ৰসঙ্গ ক্ৰমে মহাভাৰতৰ সভাপৰ্ব আৰু উদ্যোগ পৰ্বত উল্লেখ থকা পূৰ্বাঞ্চলীয় ঐতিহ্য আৰু পৰৱৰ্তী সময়ত অসমৰ ইতিহাসৰ ঘটনাৰ ইংগিতলৈ আঙুলিয়াব খুজিছোঁ।

সভাপৰ্বৰ ‘ভগদত্ত জয়’ নামক ২৬নং অধ্যায়ৰ ৮নং আৰু ৯নং শ্লোকত কোৱা হৈছে— “মহাৰাজ, সেই প্ৰাগজ্যোতিষপুৰ নগৰত ভগদত্ত নামে এজন প্ৰধান ৰজাই ৰাজত্ব কৰিছিল; তেওঁৰ লগত অৰ্জুনৰ ঘোৰ যুদ্ধ হ’ল।৮।।

সেই প্ৰাগজ্যোতিষপুৰৰ ৰজা ভগদত্তক কিৰাট, চীন আৰু সমুদ্ৰ কাষত বাস কৰা অন্যান্য বহুত সৈন্যই ঘেৰি আছিল।৯।। (মহাভাৰত ঃ সভাপৰ্ব ঃ প্ৰকাশন বিভাগ, গুৱাহাটী বিশ্ববিদ্যালয়)

এইটো অধ্যায়ত ১৬টা শ্লোকৰ দহটা শ্লোকতে অৰ্জুন ভগদত্ত সংবাদ কথিত হৈছে, বাকী ৬টা শ্লোকত অন্যান্য ৰজাসকলৰ নামহে মাত্ৰ উল্লেখ পোৱা যায়। আঠদিন ধৰি তয়াম৯া যুদ্ধ চলিছিল।

মহাভাৰতৰ ‘উদ্যোগ পৰ্ব’তো প্ৰায় একে কথাকে পোৱা যায়। কুৰুক্ষেত্ৰ যুদ্ধত ভগদত্তই কৌৰৱৰ পক্ষলৈ যুদ্ধ কৰিছিল। যুদ্ধক্ষেত্ৰত শ্ৰীকৃষ্ণই অৰ্জুনক প্ৰতিপক্ষৰ ৰথী-মহাৰথীসকলৰ বল-বিক্ৰমৰ আভাস দিয়া প্ৰসঙ্গত ভগদত্তলৈ আঙুলিয়াই কৈছে— “তস্য চীনৈঃ কিৰাতৈশ্চ কাঞ্চনৈৰিব সংবৃত্তংবভৌ বলম্।” অৰ্থাৎ সোণৰ দৰে চিকমিকাই থকা চীন আৰু কিৰাতসকলৰ দ্বাৰা তেওঁ পৰিবেষ্টিত হৈ আছে। ভগদত্ত প্ৰসঙ্গত দুয়োটা পৰ্বৰে মূল কথাটো হ’ল ভগদত্তৰ সৈন্য-বাহিনী। তেওঁৰ সৈন্য-বাহিনী— কিৰাত অৰ্থাৎ ইন্দো তিব্বতীয়; চীন অৰ্থাৎ ইন্দো-মঙ্গোলীয় আৰু সাগৰৰ পাৰত বাস কৰা অন্যান্য জনজাতিবোৰৰ দ্বাৰা গঠিত এটা যৌথ বাহিনী আছিল। অন্য এক প্ৰসঙ্গত ইতিহাসবিদ সদানন্দ চলিহা ডাঙৰীয়াই তেওঁৰ ‘বুৰঞ্জীৰ খলা-বমাত গুৱাহাটী’ গ্ৰন্থত কৈছে— “মহাভাৰতৰ পৰা পাব পৰা ঘাই শিক্ষাটো হ’ল, এয়ে যে অখিল ভাৰতীয় যুদ্ধ ক্ষেত্ৰত আমি যদি তিষ্ঠিব খোজো তেন্তে যৌথ সৈন্যবল এটা লৈ আমি তাত উপস্থিত হ’ব লাগিব। নেতৃত্ব অসমৰ হাতত থাকিব, ওচৰ-চুবুৰীয়া ৰাজ্যবোৰ হ’ল অসমৰ সমভাগী। আমি একেই মানুহ, তেওঁলোক কিৰাত আৰু আমিও কিৰাত— পাৰ্থক্য মাথো তেওঁলোক আচল কিৰাত আৰু আমি হিন্দু কিৰাত বা ‘শৰণীয়া’ কিৰাত।”

মহাপুৰুষ শঙ্কৰদেৱে এই মহাভাৰতীয় ঐতিহ্য সুন্দৰভাৱে আয়ত্ত কৰিছিল। প্ৰাগজ্যোতিষপুৰৰ গৌৰৱ ভগদত্তৰ আদৰ্শত হয়তো অনুপ্ৰাণিত হৈয়ে অকল বৰ্ণ হিন্দুসকলৰ আৰেষ্টনীৰ মাজত থাকিয়েই শঙ্কৰদেৱে তাৰাৰ আদৰ্শ প্ৰচাৰ কৰিব নিবিচাৰি আপামৰ জনতাক এক বুলি সাৱতি লৈ এক বিষ্ণু ভগৱন্ত কৃষ্ণৰ শৰণীয়া ভকতৰূপে সকলোকে যোগ্যতা অনুসাৰে সমাজত স্থান দিছিল। “সকল প্ৰাণীক দেখিবাহা আত্মসম” বুলি পূৰ্বাঞ্চলৰ সকলো লোককে এক বুলি সাৱতি লৈ জাতি-বৰ্ণ, উচ্চ-নীচ, ধনী-দুখীয়া সকলোকে সমমৰ্যাদা প্ৰদান কৰি সামাজিক গাঠনি দৃঢ় কৰি এক সংহতি পূৰ্ণ বৰঅসমৰ বৰঅসমীয়া ঐতিহ্য গঢ়ি তুলিছিল। কিন্তু তাৰাৰ পৰৱৰ্তী সময়ত এই আদৰ্শ বুজা লোকৰ অসম মুলুকত যেন অভাৱ হ’ল। ক্ষমতাৰ মোহ, নেতৃত্বৰ অহংকাৰ, বিভিন্ন লিপ্সাই আমাৰ ৰাজ্যৰ লোকৰ মূৰত ধৰিলে। দাতিকাষৰীয়া অনুন্নত লোকসকলক নিজৰ তলতীয়া কৰি লোৱাৰ প্ৰৱণতাই গা কৰি উঠিল।

সোতৰ শতিকাৰ শেষ ভাগত স্বৰ্গদেউ ৰুদ্ৰসিংহই (১৬৯৬-১৭১৪) বৰ অসমৰ সপোন দেখিবলৈ গৈ এটা সৈন্য বাহিনী গঠন কৰিলে, য’ত একমাত্ৰ খাঁচ অসমীয়া লোকসকলকহে অন্তৰ্ভুক্ত কৰা হ’ল। দাঁতি কাষৰীয়া স্বতনতৰীয়া ৰজাসকলক পদানত কৰিবলৈ যত্ন কৰিলে। ফলত এই দাঁতিকাষৰীয়া ৰজাসকল অসমীয়া জাতিসত্তাৰ পৰা ওলাই যাবলৈ বাধ্য হ’ল। তাৰ পাছত স্বৰ্গদেউ শিৱসিংহই হিন্দু শাক্ত পন্থাৰ প্ৰতি অহেতুক দৰদ দেখুৱাই আনসকল লোকৰ ওপৰত শাক্ত আদৰ্শ বলেৰে জাপি দিবলৈ ওলাল। বৰৰজা ফুলেশ্বৰীয়ে বৈষ্ণৱ মহন্তক বলেৰে বলিৰ ফোট পিন্ধালে। ফলত তেওঁলোক আৰু বেছি আঁতৰি গ’ল। সেয়েহে ১৮১৬ চনত মানৰ প্ৰথম আক্ৰমণৰ সময়ত মটকৰ ৰজা সৰ্বানন্দই তেওঁৰ ৰাজ্যৰ মাজেৰে মানসকলক বাট এৰি দিলে। পূৰ্ণানন্দ বুঢ়াগোহাঞিয়ে মানৰ বিৰুদ্ধে যিটো সৈন্য-বাহিনী গঠন কৰিলে সিয়ো আছিল অসমীয়া সৈন্য বাহিনী। মটকৰ ৰজা সৰ্বানন্দৰ লগতে নাগা, ডিমাছা, ছিন্টেং, খাচী, ডফলা সকলো আঁতৰি গ’ল। ফলত মানে অসম তহিলং কৰিলে। মহাপুৰুষ শঙ্কৰদেৱৰ পৰিকল্পনাৰ বৃহত্তৰ অসমীয়া জাতি গঠনত বৃহৎ কুঠাৰঘাত পৰিল। বৰ অসমীয়া জাতি থানবান হ’ল!

আজিও যেন আমি আকৌ একেটা ভুলকে কৰিবলৈ ওলাইছোঁ। মানৰ আক্ৰমণৰ পাছত ৰবিন্সন চাহাবে দিয়া তথ্য অনুসৰি ১৮৩৯ চনত ব্ৰহ্মপুত্ৰ উপত্যকাত অসমীয়া ভাষা কোৱা মানুহৰ সংখ্যা আছিল প্ৰায় ছয়লাখ। আজি একবিংশ শতিকাৰ দ্বিতীয় দশকৰ প্ৰথম ভাগত সেই জনসংখ্যা তিনি কৌটি কুৰি লক্ষৰো অধিক। ইমানবোৰ মানুহ ক’ৰপৰা কেনেকৈ আহিল তাৰ ইতিহাস প্ৰতিজন অসমীয়াই জানে। কিন্তু আমাৰ জাতীয় জীৱনৰ ঐক্য সংহতিৰ প্ৰসঙ্গতে কোন বাটেৰে অগ্ৰসৰ হ’ব লাগিব ইয়াকলৈহে যেন বিভ্ৰাং। আমাৰ সৰল আৰু পোনপটীয়া মন্তব্য বৰঅসমৰ পৰিকল্পনাৰ বাবে এটিয়ে মাত্ৰ পথ মুকলি আছে, সেয়া শঙ্কৰদেৱৰ পথ, শঙ্কৰী ঐতিহ্যৰ পথ— জাতি-বৰ্ণ-ভাষা নিৰ্বিশেষে সকলোৱে শঙ্কৰদেৱে দেখুৱাই যোৱা পথেৰে অগ্ৰসৰ হোৱাৰ যেন আজি বিকল্প পথ নাই। আমাৰ মন্তব্যৰ সমৰ্থনত চৈয়দ আব্দুল মালিক ছাৰৰ এষাৰ কথা ক’ব বিচাৰিছোঁ। মালিক ছাৰে ভাষণ প্ৰসঙ্গত কৈছিল— “শঙ্কৰদেৱৰ মেধা, জ্ঞান, প্ৰতিভা আৰু কৰ্মশক্তিৰ প্ৰভাৱত মোৰ নিজকে দুৰত ৰৈ পৰ্বতৰ ওপৰৰ জুইৰে চিগাৰেট জ্বলাবলৈ বিচৰা বুদ্ধিহীন মানুহটোৰ নিচিনা লাগে। তথাপি মোৰ বেয়া নালাগে। এনেকুৱা এখন দেশত মোৰ জন্ম, যাৰ চিনাকিৰে মই পৃথিৱীৰ সন্মুখত নিজৰ চিনাকি দিব পাৰোঁ। মোৰ নিজস্ব পৰিচয় পৃথিৱীলৈ আগবঢ়োৱাৰ অন্য কেনো সম্বল আমাৰ নাই। এটা গৰ্বিত পৰিচয় আমাৰ আছে, আমি শঙ্কৰদেৱৰ দেশৰ মানুহ। যি ভাষাৰে শঙ্কৰদেৱে মানুহক ঈশ্বৰৰ পথ চিনাই দিছিল, সেই ভাষাৰে নিজৰ দীন ভাবানুভূতিক প্ৰকাশ কৰাৰ অধিকাৰ আমি পাইছোঁ।”◆◆

ÂÓÕ±¿ñßÂ±]] ßÂÙ÷ ।।ৰজনীকান্ত দত্ত।।

## মে’ ২০১৪ বিশ্ব শ্ৰমিক দিৱস, শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘ আৰু সেৱাবাহিনী আদি...

বিশ্বৰ মেহনতি জনতাৰ শ্ৰমৰ ইতিহাস অত্যন্ত কণ্টকাকীৰ্ণ আৰু কৰুণ। ১ মে’ বিশ্ব শ্ৰমিক দিৱসৰূপে ইতিমধ্যে সুপ্ৰতিষ্ঠিত হৈ পৰিছে। এনে এটি প্ৰতিষ্ঠাৰ আঁৰৰ বুৰঞ্জী নাজানিলে শ্ৰম, শ্ৰমিক, মেহনতি জনতা আৰু মালিক পক্ষৰ হৃদয় স্তম্ভত সময়ে সময়ে ক্ৰিয়া কৰি অহা উত্থান পতনৰ প্ৰকৃত পৰিচয় নঘটে। এই পৰিচয়ৰ লগত নিজক মিলাই ল’ব নোৱাৰিলে জগতৰ শ্ৰমৰ বুৰঞ্জী সম্পৰ্কেও আমি অজ্ঞ হৈ ৰ’ম। শ্ৰম এনে এটি উপাদান যাৰ বস্তুনিষ্ঠ যথাৰ্থ ব্যৱহাৰ অবিহনে সমাজৰ ৰূপান্তৰ সহজ, সুষম আৰু দ্ৰুততৰ হ’ব নোৱাৰে। এখন দেশৰ অৰ্থনৈতিক বিকাশৰ মূল চাবি-কাঠিয়েই হ’ল শ্ৰম। সমাজবিদসকলে এই কথা জানে যে শ্ৰমিকৰ শ্ৰম অবিহনে সমাজ জীৱনৰ ৰূপান্তৰ অসম্ভৱ। তথাপিও কিন্তু এই কথা অতি সত্য যে শ্ৰমিকসকলক কোনো দিনেই মালিক পক্ষই যোগ্য স্থানত ৰাখি ব্যৱহাৰ কৰা নাই। এখন সমাজৰ বাবে শ্ৰম হ’ল নিজাববীয়াকৈয়ে মহা মূল্যবান সম্পদ। ই অতি মৰ্যদাকৰো। কিন্তু দুৰ্ভাগ্যৰ কথা হ’ল-- আৱহমণিৰ পৰাই শ্ৰমৰ গৰাকী শ্ৰমিকসকলক মৰ্যাদাৰ আসনত বহুৱাবৰ যত্ন কোনো পক্ষই কৰা নাই। বৰঞ্চ এই শ্ৰমৰ গৰাকীসকলক শোষণ, পীড়ণ, বঞ্চনাৰ পাত্ৰৰূপেহে ব্যৱহাৰ কৰি অহা হৈছে। ফলস্বৰূপে দুয়োপক্ষৰ মাজত অনাকাঙ্খিত সংঘাটে গা কৰি উঠিছে। এনে সংঘাটৰ ফলশ্ৰুতিত সমাজত প্ৰগতি বাধাগ্ৰস্ত হৈ পৰিছে, মৰ্যাদাৰ প্ৰশ্নত বহুজনে প্ৰাণ পৰ্যন্ত বলি দিব লগা হৈছে। বঞ্চনাৰ বিৰুদ্ধে অবিৰত সংগ্ৰামত বিশ্বৰ বিভিন্ন দেশৰ শ্ৰমিকসকলে ৰত হৈ শ্ৰেণী স্বাৰ্থ ৰক্ষাৰ বাবে কৰা এই যুঁজখন বহু শতিকাৰ পুৰণি। ১৮৯০ খ্ৰীষ্টাব্দৰ ১মে’ তাৰিখৰ পৰা নিজৰ দাবী পূৰণৰ বাবে আন্তৰ্জাতিক মে’ দিৱস (আন্তৰ্জাতিক শ্ৰমিক সংহতি দিৱস) পালন কৰি আহিছে। এই সংগ্ৰাম মানৱতাৰ ৰক্ষাকবচ প্ৰাপ্তিৰ সংগ্ৰাম, এই সংগ্ৰাম মৰ্যাদা ৰক্ষাৰ সংগ্ৰাম, সংগ্ৰামৰ আঁৰত লুকাই আছে শ্ৰেণীহীন সুষম সমাজ প্ৰতিষ্ঠাৰ আহ্বান। আজিৰ সময়ত মে’ দিৱসৰ প্ৰাসঙ্গিকতা অত্যন্ত গুৰুত্বপূৰ্ণ। কাৰণ দেখাদেখিকৈ আজি শোষক আৰু শোষিতৰ মাজত এটা বৃহৎ পাৰ্থক্য গা কৰি উঠিছে। এই ব্যৱধানত পৰিস্ফুট হৈছে এফালে খাটি খোৱা মানুহ আৰু অন্যফালেদি সেই মেহনতি জনগণৰ শ্ৰমক ধন ঘটাৰ আহিলাৰূপে গ্ৰহণ কৰা মালিক পক্ষ। দুয়োটা শ্ৰেণীৰ মাজত ব্যৱধান ক্ৰমগতিত বৃদ্ধি হ’ব ধৰিছে, শ্ৰমিকৰ অৱস্থাই অৱনতিৰ পথ লৈছে অন্যহাতেদি মালিকসকলৰ অৱস্থাৰ উত্তৰণ ঘটিছে ক্ৰমগতিত।



আজিৰ আমাৰ দেশৰ সমাজখনত এনে বিসঙ্গতি বাৰুকৈয়ে পৰিস্ফুট হৈ পৰিছে। ভাৰতবৰ্ষৰ ১৩০ কোটি জনগণৰ মাজত ৬০ শতাংশৰ ওপৰ বোধকৰো শ্ৰমিক শ্ৰেণীৰ “দিন ভিক্ষা জীৱন ৰক্ষা” তেওঁলোকৰ সম্বল। সাচন-সামৰণৰটো প্ৰশ্নই নাই। দৰিদ্ৰ সীমাৰেখাৰ তলৰ এই লোকসকলে শোষিত, শাসিত, পীড়িত শ্ৰমিক। কেন্দ্ৰীয় চৰকাৰৰ দ্বাৰা এওঁলোকৰ জীৱন ধাৰণৰ মান উত্তৰণ ঘটাবৰ বাবে ‘এনৰেগা’ৰ দৰে আঁচনিৰ অধীনত কাৰ্যসূচী গ্ৰহণ কৰা হৈছে যদিও সামগ্ৰিকভাৱে ই পালন হোৱা নাই। তদুপৰি ব্যক্তিগত খণ্ডৰ শ্ৰমিকসকলৰ জীৱনত বিভিন্ন বিপৰ্যয়ে লগ এৰা নাই।

গীতা, ভাগৱত, উপনিষদে কয়-- “আমাৰ জীয়াই থকাৰ অধিকাৰ সকলোৰে বাবে একেই” আৰু এই অধিকাৰ মৰ্যাদাসহকাৰে পাব লাগিব। উপনিষদে কয়--

“ঈশা বাস্যমিদং সৰ্বংযৎকিঞ্চ
জগত্যাং জগত
তেন ত্যক্তেন ভুঞ্জিথা, মা গৃধঃ
কস্যচিদ্ধনং।”

ভোগ যদি কৰিবই লাগে ত্যাগৰ মহান পথেৰে এই ভোগ কৰিব লাগিব। তাতহে পৰম আনন্দ বিৰাজ কৰিছে। সৰ্বগ্ৰাস কৰি যদি আনৰ অধিকাৰত হাত দি ভোগৰ কথা ভবা হ’ব সি হয় অমানবিক ভাৱনা। ইয়াত ঐশী ভাৱনা, ঐশী চিন্তা নাথাকে।

(৬ পৃষ্ঠাত চাওক)

# বৰগীতৰ তাত্ত্বিক বিচাৰ আৰু ভাবাৰ্থ

**সুহাগমণি বৰ্মন**

বৰগীতৰ বিচাৰ আৰু ভাবাৰ্থ আলোচনাৰ পূৰ্বে বৰগীতৰ নামকৰণ আৰু বৈশিষ্ট্য জনা প্ৰয়োজন।

নামকৰণৰ ক্ষেত্ৰত মহাপুৰুষ শঙ্কৰদেৱ আৰু মাধৱদেৱে ৰচনা কৰা গীতসমূহে বৰগীত। অৱশ্যে তেখেতসকলে বৰগীতক গীত বুলি কৈছে। পৰৱৰ্তীকালত সহৃদয় সেৱসকলে বৰগীত আখ্যা দি গীতসমূহৰ মৰ্যাদা চিৰকাললৈ সুৰক্ষিত কৰি থৈ গ’ল।

এই প্ৰসঙ্গত ড° বাণীকান্ত কাকতিয়ে কোৱা এষাৰ কথা ক’ব পাৰি। তেওঁ কৈছে— “বৰগীতবোৰ ওখ নৈতিক আৰু আধ্যাত্মিক ভাবৰ ওপৰত প্ৰতিষ্ঠিত। সেই কাৰণেই সেইবোৰক ‘বৰগীত’ বোলা হয়। ইংৰাজ কবি হেৰিকেও (Herrick) কেতবোৰ আধ্যাত্মিক ভাবৰ কবিতা ৰচনা কৰি সেইবোৰৰ নাম দিছিল ‘Noble Numbers’। একে কাৰণতে, কালিৰাম মেধিয়ে বৰগীতবোৰক Great Song বা Song Celestial আৰু দেৱেন্দ্ৰনাথ বেজবৰুৱাই Holy Songs আখ্যা দিছে।

ড° মহেশ্বৰ নেওগে বৰগীতক বৰগীত বোলাৰ কাৰণ হিচাপে পাঁচটা বৈশিষ্ট্য দাঙি ধৰিছে। যেনে প্ৰথমতে বৰগীতৰ ভাষা। শঙ্কৰদেৱৰ প্ৰায়খিনি আৰু মাধৱদেৱৰ বেছিখিনি বৰগীতৰে ভাষা ব্ৰজবুলি। দ্বিতীয় কথা, বিষয়বস্তুৰ সংৰক্ষণশীলতা বা সংযম। এই বৰগীতত আছে বেদান্তৰ মৰ্ম সহজ সৰল ভাষাত; তাত বাজি আছে আধ্যাত্মিক চিন্তা ঐকান্তিক ভক্তিৰ গদগদ সুৰত আৰু আছে বিশ্বম্ভৰ ‘ভগৱান স্বয়ং’ শ্ৰীকৃষ্ণৰ বিশ্ববিমোহন বাল্যৰূপৰ বিৱৰণ জকমকীয়া শব্দৰ আধাৰত। বিশেষকৈ মাধৱদেৱৰ পৰম তৃপ্তি ত্ৰিজগত পতিৰ ৰাখোৱাল ৰূপত, তেওঁৰ শিশুসুলভ ক্ৰীড়া-কৌতুকত। ইয়াতে উল্লেখ কৰিব পাৰি যে কৃষ্ণৰ ক্ৰীড়া কৌতুকৰ বৰ্ণনা আমোদপ্ৰিয় কবিৰ কল্পনা মাত্ৰ নহয়। এই বৰ্ণনাৰ আঁৰত লুকাই আছে এক আধ্যাত্মিক জগত, যাৰ জ্যোতিক প্ৰতিটি বৰ্ণনা হীৰাবুলীয়া নিয়ৰৰ দৰে বা সঞ্চাৰিণী দীপশিখাৰ দৰে ভাস্কৰ। তৃতীয়তে বৰগীতৰ সুৰৰ বৈশিষ্ট্য। বিষয়বস্তু, উদ্দেশ্য আৰু উপলক্ষ্য অনুসৰি এই গীতখিনিত নৃত্য-গীত-কলা-বিশাৰদ শ্ৰীমন্ত শঙ্কৰদেৱ আৰু মাধৱে সংযোজন কৰি দি গৈছে। সেয়ে ক’ব পাৰি, বৰগীত অসমৰ ‘ক্লাছিকেল’ বা ধ্ৰুপদী সঙ্গীত। চতুৰ্থতে বৰগীতবোৰ চৈধ্য প্ৰসঙ্গৰ পৰিক্ৰমাত যথাস্থান আছে। পঞ্চমতে বৰগীতৰ এটি সীমা আছে। বৰগীতৰ সীমাবদ্ধ পৱিত্ৰতাৰ প্ৰতি সদায় লক্ষ্য ৰাখিব লাগিব। শঙ্কৰ-মাধৱ বিৰচিত, সাঁচিপাতত থকা বিশেষ গীতসমূহেই বৰগীত। একে ৰাগ-তাল আৰু ভাব-ভাষাৰে আন কবিৰ গীতসমূহক বৰগীত নোবোলে।

ড° সত্যেন্দ্ৰনাথ শৰ্মাৰ মতে— “দৰাচলতে বিষয়বস্তুৰ মহত্ব ৰচনাৱলীৰ সৌষ্ঠৱ আৰু শাস্ত্ৰীয় সুৰৰ গাম্ভীৰ্য আৰু শাস্ত্ৰীয় সুৰযুক্ত গীতৰ পৰা পৃথক কৰিছে আৰু এই কাৰণেই ইয়াক সাধাৰণ গীতৰ বিপৰীতে ‘বৰগীত’ বোলা হ’ল।”

ক’ব পাৰি— বৰগীতৰ আৱেদন আৰু মৰ্যাদা অত্যাবধি অটুট আছে আৰু ভৱিষ্যতলৈকে থাকিব।

এফালে ওখ আধ্যাত্মিক তাৎপৰ্য আৰু আনফালে আৱেগ সঞ্চাৰি সুৰ— এই দুই শক্তিৰে বৰগীতসমূহে শঙ্কৰদেৱৰ ধৰ্মৰ প্ৰচাৰত বিপুল অৰিহণা যোগাইছিল। বৰগীতৰ ভাষা ব্ৰজাৱলী (পূৰ্বতে উল্লেখ কৰা হৈছে) এই ভাষা মাধুৰ্যপূৰ্ণ আৰু উত্তৰ ভাৰতৰ বিস্তৃত এলেকাৰ মানুহে এই ভাষা বুজি পায়। ব্ৰজাৱলীত অ, আ, ই, ঈ, উ, ঊ, ঋ, এ, ঐ, ও, ঔ— এই এঘাৰটি স্বৰ, প্ৰাচীন পদকাব্য, মন্ত্ৰপুথি, ভট্টদেৱৰ গদ্যতো পোৱা যায়। বৰগীত সম্বন্ধে আৰু বহুত কথা জানিবলগা আছে; সেইবিলাকো পিছত আলোচনা কৰা হ’ব। সম্প্ৰতি শঙ্কৰদেৱৰ এটি বৰগীতৰ ভাৱাৰ্থ প্ৰকাশ কৰা হওক।

**বৰগীত, ৰাগ ঃ শ্ৰী**

ধ্ৰুং।।

গোপালে কি গতি কৈলে
গোবিন্দে কি মতি দিলে
নাথ ঃ বিফলে জনম সৱ গেলৰে[1]।।

পদ।।

এ ভৱ গহন বন আতি মোহ পাশে ছন্ন
তাহে হামু হৰিণা বেড়াই।
ফন্দিলো মায়াৰ পাশেকাল ব্যাঘে ধায়া আসে
কাম ক্ৰোধ কুত্তা খেদি খাই।।
হৰাইল চেতন হৰি ন-জানো কিমতে তৰি
গুণিতে দগধ ভেল জীৱ।
লোভ মোহ দুহো বাঘ সততে নছাৰে লাগ
ৰাখু ৰাখু এ সদাশিৱ।।
পলাইতে নেদেখো সন্ধি দিনে দিনে দৃঢ় বন্দী
ভৈলো মন্দ মনৰ যুগুতি।
তুৱা হৰি লাগো গোড় মোৰ মায়া পাশ ছোড়
শঙ্কৰ কৰয় কাকুতি।।

(পাঠান্তৰ ঃ জনম সৱ গেলৰে = বয়স সব গেলিৰে। হামু = হামো। ফান্দলো = ফান্দিলো। হৰাইল = হৰাইলো। ভেল = ভেলি, ভৈল। দুহো = দোহো। ৰাখু ৰাখু এ সদাশিৱ = ৰাখু ৰাখু সদাশিৱ।)

(কেইটামান শব্দৰ অৰ্থ ঃ হৰিণ = কবি নিজে। বেড়াই = ঘূৰি ফুৰে। কূত্তা = কুকুৰ (এবিধ পোহনীয়া জন্তু)। চেতন = জ্ঞান। তৰি = ৰক্ষা পোৱা। সন্ধি = পথ।)

শব্দাৰ্থ আৰু টোকা ঃ

কি গতি কৈলে = কি গতি কৰিলা; কি পথ দেখুৱালা।

বিফলে বয়স সব গেলৰে = এই জন্মটো বিফলে গ’ল।

এ ভৱ গহন বন = এই সংসাৰখন গহীন বন এখন।

আতি মোহ পাশে ছন্ন = মায়া মোহৰ বশৱৰ্তী হৈ থকা।

তাহে হামু হৰিণা বেড়াই = সেই হাবিত মই হৰিণাৰ দৰে ঘূৰি ফুৰে। (তাহে তাত সংসাৰ হাবিত)

ফান্দিলো মায়াৰ পাশে = মায়াজালত আৱদ্ধ হ’লো। মায়াত বন্দী হ’লো।

কাল ব্যাধে ধায়া আসে = ব্যাধৰ দৰে সময়ে খেদি আহে।

কাম ক্ৰোধ কুত্তা খেদি খায় = কাম ক্ৰোধ আদি সহজাত প্ৰবৃত্তিবোৰে কুকুৰৰ দৰে আক্ৰমণ কৰে।

হৰাইলা চেতন হৰি = চেতনা নোহোৱা হ’ল।

নজানো কি মতে তৰি = কেনেকৈ ৰক্ষা পাওঁ তাক নাজানো।

গুনিতে দগধ ভৈল জীৱ = চিন্তা কৰোতে জীৱনটো দগ্ধ হ’ল।

গুনিতে = চিন্তা কৰোতে

দগ্ধ = পুৰি চাই হোৱা।

লোভ মোহ দুহো বাঘ = লোভ মোহ বাঘৰ দৰে হিংস্ৰ।

দুহো = দুয়ো।

ৰাখু ৰাখু সদাশিৱ = হে সদাশিৱ বা হে ভগৱান ৰক্ষা কৰা।

পলাইতে নেদেখো সন্ধি = পলাবলৈ কোনো পথ নাই। কাম ক্ৰোধ-লোভ-মোহ আদিৰ পৰা আঁতৰি থাকিবলৈ কোনো পথ নাই।

সন্ধি = পথ

দিনে দিনে দৃঢ় বন্দী = দিন যিমানে যায় সিমানে প্ৰবৃত্তিবোৰৰ যন্ত্ৰণা বেছি হয়।

ভৈলো মন্দ মনৰ যুগুতি = মনৰ বিচাৰ কৰা শক্তি বেয়া হ’ল।

মন্দ = বেয়া

যুগুতি = যুক্তি।

তুৱা হৰি লাভ গোড় = হে প্ৰভু তোমাৰ চৰণত ধৰো।

তুৱা = তোমাৰ।

লাগু = ধৰো।

গোড় = চৰণ।

মোৰ মায়া পাশ ছোড় = মায়া মোহৰ পৰা মোক যুক্ত কৰা।

শঙ্কৰ কৰয় কাকুতি = শঙ্কৰে কাকুতি কৰিছে।

সাৰ কথা ঃ এই সংসাৰখন মায়াত আৱদ্ধ। কাম, ক্ৰোধ, লোভ, মোহ আদি সহজাত প্ৰবৃত্তিবোৰে মানুহক সদায় সকলো সময়তে যন্ত্ৰণা দি আহিছে। এই প্ৰবৃত্তিবোৰৰ পৰা আৰু মায়াময় সংসাৰৰ পৰা পলাই যাবলৈ কোনো পথ নাই। কিন্তু একমাত্ৰ পথ আছে, ভগৱানৰ ওচৰত আত্মসমৰ্পণ কৰি মায়াময় সংসাৰৰ পৰা মুক্তি পোৱা।

সহজ ভাৱাৰ্থ ঃ হে ভগৱান, মোৰ মতি গতি কি কৰি দিলা? যাৰবাবে এই জীৱনটো এতিয়া বিফলে যায়। এই সংসাৰখন এখন

(৬ পৃষ্ঠাত চাওক)

**পুথি সমালোচনা**

**ড° পাৰুল চৌধুৰীৰ**

## শঙ্কৰদেৱৰ দৃষ্টি আৰু দৰ্শন

চিন্তাশীল বিশ্লেষণধৰ্মী লেখিকা অধ্যাপিকা ড° পাৰুল চৌধুৰীৰ ‘শঙ্কৰদেৱৰ দৃষ্টি আৰু দৰ্শন’ শীৰ্ষক গৱেষণাধৰ্মী গ্ৰন্থখনত শঙ্কৰদেৱৰ বিভিন্ন দিশ সম্পৰ্কে গভীৰভাৱে আলোচনা কৰিছে। এই গ্ৰন্থখনত শঙ্কৰদেৱৰ দৰ্শন, মায়াবাদ, নামধৰ্মৰ বৈশিষ্ট্য, সমাজ-সাহিত্য, সংস্কৃতিলৈ অৱদান, প্ৰাৰ্থনাৰ প্ৰয়োজনীয়তা, শঙ্কৰদেৱ, যোগদৰ্শন আৰু সাধনমাৰ্গ, সাহিত্যত সাৰ্বজনীনতা, নৈতিক আদৰ্শসমূহ, মনৰ ধাৰণা, শঙ্কৰদেৱৰ দৃষ্টি আৰু দৰ্শন আদি কৰি মুঠ পোন্ধৰতা প্ৰবন্ধ সন্নিৱিষ্ট কৰা হৈছে। আজিৰ পৰা ৫৬৫ বছৰ আগতে গুৰুজনাই পৰিৱেশ প্ৰদূষণৰ বিষয়ে চিন্তা কৰিছিল আৰু পৰিৱেশ কিদৰে প্ৰদূষণ মুক্তকৈ ৰাখিব লাগে সেইকথা গুৰুজনাই কেনেদৰে উত্থাপন কৰিছে তাৰ ব্যাখ্যা ড° চৌধুৰীয়ে নিৰ্মোহ বিশ্লেষণেৰে দাঙি ধৰিছে। শঙ্কৰদেৱৰ দৰ্শন সম্পৰ্কে ইতিমধ্যে বহু পণ্ডিতে আলোচনা-বিলোচনা কৰিছে যদিও ড° পাৰুল চৌধুৰীয়ে অদ্বৈতবাদ আৰু একেশ্বৰবাদৰ স্পষ্ট ধাৰণা দিবলৈ যত্ন কৰিছে। মায়াবাদৰ বিশ্লেষণো যথেষ্ট যুক্তি আৰু তথ্য নিৰ্ভৰশীল। তদুপৰি ‘নামধৰ্ম’ৰ বৈশিষ্ট্যসমূহ স্পষ্টভাৱে নিদ্ধাৰণ কৰি তাৰো ব্যাখ্যা দাঙি ধৰিছে। নামধৰ্মৰ সহজ ব্যাখ্যাই অকল গৱেষকসকলকে নহয় সাধাৰণ পাঠকৰো সহজবোধ্য হৈছে আৰু লগতে বিষয়বস্তুৰ অভ্যন্তৰলৈ দৃষ্টিপাত কৰাৰ অৱকাশ দাঙি ধৰিছে। নাৰীমুক্তি আৰু অধিকাৰ সম্পৰ্কে আলোচনা দাঙি ধৰি ড° চৌধুৰীয়ে ‘ভাৰতীয় বৈষ্ণৱ আদৰ্শত নাৰীৰ স্থান গৌণ আছিল’ বুলি মন্তব্য প্ৰকাশ কৰিছে আৰু বৈষ্ণৱ আদৰ্শ নাৰীবাদৰ পৰিপন্থী আছিল বুলি কোৱাসকলৰ যুক্তিৰ সমৰ্থনত তাৰাৰ ৰচনাৱলীৰ পৰা কেইবাটাও উদ্ধৃতি দাঙি ধৰিছে কিন্তু ড° চৌধুৰীয়ে একেটা প্ৰবন্ধতে শঙ্কৰদেৱ যে নাৰী বিদ্বেষী নাছিল অথবা নাৰীৰ প্ৰতি উদাৰ দৃষ্টিভঙ্গী প্ৰকাশ কৰিছিল সেই কথা যথেষ্ট যুক্তি সহকাৰে তাৰাৰ পদ-পুথিৰ পৰা নানান উদ্ধৃতি দাঙি ধৰি উত্থাপন কৰিছে। বিস্তৃত অধ্যয়ন আৰু চিন্তাৰ গভীৰতাৰে বিষয়বস্তু দাঙি ধৰাত লেখিকা সফল হৈছে। অদ্বৈত্ববাদ আৰু কৃষ্ণতত্ত্ব শিতানত তেওঁ স্পষ্টভাৱে কৈছে— “শঙ্কৰদেৱৰ সমস্ত চিন্তন আৰু সৃষ্টি কৰ্মৰ মূল ‘কৃষ্ণ’। প্ৰাসংগিকভাৱে আৰু কৈছে যে শঙ্কৰদেৱৰ দৰ্শন বুলিলে এটা প্ৰণালীবদ্ধ সূত্ৰ বা বিচাৰ পৰম্পৰাক পোৱা নাযায়। কিয়নো তেওঁ সচেতনভাৱে কোনো চিন্তাধাৰাক শৃঙ্খলিত বা প্ৰণালীগত ৰূপ দি সজোৱা নাই।” কৃষ্ণ তত্ত্বৰ ব্যাখ্যা ইয়াৰ পূৰ্বেও অনেকে দাঙি ধৰিছে। কিন্তু ড° চৌধুৰীৰ ভাষাত কৃষ্ণ অকল অৱতাৰী পুৰুষেই নহয় “এটা শ্ৰেষ্ঠ আদৰ্শ— কৃষ্ণ আদৰ্শ। কৃষ্ণ আদৰ্শ হৈছে আন্ধাৰত খেপিয়াই ফুৰা পথহাৰা পথিকৰ বাবে পোহৰৰ উৎস— জ্ঞানৰ উৎস। মানুহক ভালপোৱা ,মানুহৰ প্ৰতি প্ৰেমভাব ৰখা, মানুহৰ সেৱাৰ মাজেৰে সাধনাক বিচাৰি পোৱাই হৈছে কৃষ্ণ আদৰ্শ।” ঐশ্বৰিকতা আৰু ৰহস্যৰ জালৰ পৰা উলিয়াই আনি কৃষ্ণ চৰিত্ৰৰ এক নিৰ্মোহ ব্যাখ্যা দাঙি ধৰাৰ প্ৰয়াস কৰিছে। সকলোৰে প্ৰতি সমভাব প্ৰদৰ্শন কৰা আৰু জীৱন আৰু জগতৰ পৰা উদ্ধাৰ পোৱাৰ পথ কৃষ্ণ চৰিত্ৰৰ মাজত নিহিত থকাটো ড° চৌধুৰীয়ে স্পষ্টভাৱে দাঙি ধৰিছে। তদুপৰি জগতৰ সকলো বস্তুৰ প্ৰতি প্ৰেমভাব প্ৰদৰ্শন কৰিব পাৰিলেহে যে জগতত শান্তি স্থাপন হ’ব তাকো স্পষ্টভাবে প্ৰকাশ কৰিছে। “পৰিৱেশ সজাগতা” নামৰ শিতানত শঙ্কৰদেৱক এগৰাকী পৰিৱেশ সংৰক্ষক হিচাপে উপস্থাপিত কৰিছে। ধৰ্ম আৰু দৰ্শনৰ জটিল যুক্তি তৰ্কৰ মাজৰ পৰা ওলাই আহি বৰ্তমান সময়ৰ সমাজ প্ৰেক্ষাপটত অতিকে প্ৰয়োজনীয় পৰিৱেশ সজাগতা বিষয়তো শঙ্কৰদেৱে সেই তাহানিতে যে চিন্তা কৰি তাৰ দিহা কৰিছিল সেই তথ্যও ড° চৌধুৰীয়ে গৱেষণা কৰ্মৰ মাজেৰে প্ৰাঞ্জলভাৱে প্ৰকাশ কৰিছে।

সৰহ কথালৈ নগৈ ইমানকে ক’ব পাৰি যে শঙ্কৰদেৱ সম্পৰ্কে সামগ্ৰিকভাৱে অধ্যয়ন কৰিবলৈ “শঙ্কৰদেৱৰ দৃষ্টি আৰু দৰ্শন” এখন উপদেয় গ্ৰন্থ। অকল সাধাৰণ পাঠকৰ বাবেই নহয় গৱেষকসকলৰ বাবেও গ্ৰন্থখনৰ মূল্য উচ্চ বুলি সাহসেৰে ক’ব পাৰি।❑❑

## পদাধিকাৰৰ কলম

(৪ পৃষ্ঠাৰ পৰা)

মহাপুৰুষ গুৰু শ্ৰীমন্ত শঙ্কৰে ভাগৱতৰ এই মহামন্ত্ৰ সাৰোগত কৰি মানুহে যাতে কোনো ক্ষেত্ৰতে সম অধিকাৰৰ পৰা বঞ্চিত নহয় তাৰ ওপৰত গুৰুত্ব দি ভাগৱত ধৰ্মৰ ব্যাখ্যা কৰিছে। এই চিন্তাত সাম্য দৰ্শনৰ মাৰ্গ বিৰাজ কৰিছে। মানুহে মানুহৰ বাবে ভাবিব লাগিব, মানুহে মানুহৰ বাবে কান্দিব লাগিব। 'শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘ' গুৰুজনাৰ এই মানৱতাবাদী দৰ্শনৰ আধাৰত স্থাপিত এটা সৰ্বোদয় অনুষ্ঠান। এই অনুষ্ঠানে সাম্য মৈত্ৰীৰ মন্ত্ৰেৰে জগত খনক সুন্দৰ কৰি তুলিব বিচাৰে। মানুহৰ মাজত উচ্চ-নীচ, ধনী-দুখীয়া, জ্ঞানী-মূৰ্খ, শোষক-শোষিত, শ্ৰমিক মালিক ভেদেৰে যাতে এখন লেতেৰা সমাজ থাকিব নোৱাৰে তাৰ ওপৰত গুৰুত্ব প্ৰদান কৰি কাৰ্যসূচী ৰূপায়ণ কৰি আহিছে। মহাপুৰুষজনাৰ অৱতাৰৰ আগৰ পৰাই আমাৰ দেশ অসমত অধিক সংখ্যক লোকেই শ্ৰমজীৱী। এই লোকসকলকো বহু সময়ত শোষণ, পীড়নৰ কাঠগড়াত পেলাই তদানীন্তন শোষক তথা তথাকথিত মালিক পক্ষই জ্বলা কলা কৰাৰ ইতিহাস সৰ্বজন বিদিত। মহাপুৰুষ জনাই ৰাজমাৰ্গ প্ৰদৰ্শন কৰি ক'লে যে আমাৰ ইন্দ্ৰিয় বৃত্তিসমূহে ভাগৱত ধৰ্ম পালন কৰিব লাগিব। একাদশ ইন্দ্ৰিয়ই কেৱল জগতৰ হিতাৰ্থেই কৰ্মত প্ৰবৃত্ত হ'ব লাগিব "বহুজন সুখায়, বহুজন হিতায়" তত্ত্বেৰে কাম নকৰিলে প্ৰকৃত মানৱত্বৰ অধিকাৰী হ'ব নোৱাৰে। সেইয়ে "পৰৰ কাৰণে কান্দিব জানিলে কান্দনতো সুখ পায়। মালিকানাধীন সকলো খণ্ডতে শোষণ-পীড়নৰ বাঘজৰীডালে মেৰিয়াই ৰাখিছে। চৰকাৰীয়েই হওক বা বেচৰকাৰীয়েই হওক শ্ৰমজীৱীসকল সদাসৰ্বদা বঞ্চিত হৈ আহিছে। কৃষিখণ্ডই হওক নাইবা অন্যান্য লঘু-গুৰু ভিন্ন উদ্যোগ খণ্ডতেই হওক শ্ৰমজীৱীসকলে প্ৰতিনিয়ত উপেক্ষিত হৈ আহিছে। 'যাৰ জহত শাঁকসেন্দুৰ, তাকে পাতে ভেকুৰা এন্দুৰ'ৰ অৱস্থা। সেইয়ে এনে দলিত পীড়িত শ্ৰমজীৱী জনগণৰ জীৱন বীক্ষাৰ সম্পৰ্কত ভাবিব নোৱাৰিলে সমাজৰ উত্তৰণ হ'ব নোৱাৰে। মহাপুৰুষ গুৰু শ্ৰীমন্ত শঙ্কৰে মানুহক কি দৃষ্টিৰে চাব লাগে ক'লে--

"কুকুৰ শৃগাল গৰ্দ্দভৰো আত্মাৰাম
জানিয়া সবাকো পৰি কৰিবা প্ৰণাম।।"

এইয়া সমত্ব বুদ্ধি। এই বুদ্ধি সমাজৰ দৰ্শনত প্ৰয়োগ হ'ব লাগিব। আৰু ক'লে--

"বিশেষতঃ মনুষ্য গণত যিটো নৰে
বিষ্ণুবুদ্ধি ভাৱে সৰ্বদায় মান্য কৰে।।"

মৰতৰ পৰা উধাই গৈ বৈকুণ্ঠবাসীৰ ধ্যান-ধাৰণাৰে উদ্বুদ্ধ হ'ব লাগিব এইখন সমাজ শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘ এই তত্ত্বৰ আধাৰত প্ৰতিষ্ঠিত সমাজ। ইয়াত কৰ্ম বিমুখৰ স্থান নাই। শ্ৰম বিমুখ ৰঘূমলা এইখন সমাজত পৰিত্যক্ত। কৰ্মৰ প্ৰতি শ্ৰদ্ধাহীনজনৰ বাবে এইখন সমাজ নিজৰ ঘৰ হ'ব নোৱাৰে। পশ্চিমীয়া সভ্যতা, সংস্কৃতিৰ আগ্ৰাসনত আমাৰ সমাজখন থানবান হৈ পৰা সময়ত আমাৰ ডেকাশক্তিক মোগল সেনাপতি ৰামসিংহই পঞ্চমুখ প্ৰশংসা কৰা এটা অৱস্থালৈ ঘূৰাই আনিব লাগিব। কৰ্ম প্ৰেৰণা, উদ্দীপনা, প্ৰবল মানসিক শক্তিৰ দ্বাৰাই ডেকাসকলক তৈয়াৰ কৰিব লাগিব।

এই উদ্দেশ্য আগত ৰাখি শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘই গঠন কৰিছে সেৱাবাহিনী। এই বাহিনী গঠন হ'ব সেৱা মন্ত্ৰেৰে দীক্ষিত সেৱক-সেৱিকাসকলৰ দ্বাৰাই। সেৱকসকলৰ বয়স নিৰ্দ্ধাৰণ কৰা হৈছে বয়ঃসন্ধি কালৰ দুৱাৰদলিত অৱস্থান কৰাৰ অত্যন্ত গুৰুত্বপূৰ্ণ বয়স ১২ বছৰৰ পৰা। তাৰ পিচতেই আৰম্ভ হ'ল টিনেজ (Teenage)। তেৰৰ পৰা ১৯ বছৰ বয়সীয়া এই ডেকা-গাভৰুসকলে বয়ঃসন্ধিৰ বহুতো দুৰ্ভোগৰ মাজেদি জীৱনৰ যাত্ৰা আৰম্ভ কৰে। বহুজনে এই সমছোৱাত জীৱন যাত্ৰাত হাবুডুবু খাই পৰে আৰু বহুজনে এইখিনি সময়তে আৰম্ভ কৰে জীৱনৰ মধুৰতৰ যাত্ৰা-- মানুহৰ ইতিহাস অধ্যয়ন কৰিলে দেখা যায় সমাজৰ প্ৰতিটো ক্ষেত্ৰতে প্ৰতিষ্ঠা লাভ কৰা মহান ব্যক্তিসকলে ১৩ বছৰৰ পৰা ৩০ বছৰ বয়সতে নিজক ভিন্ন বিষয়ত প্ৰতিষ্ঠা কৰিবলৈ সমৰ্থ হৈছে। সমাজ সংস্কৃতি, ধৰ্ম, বিজ্ঞান, অৰ্থনীতি আদি যি বিষয়তেই নহওক কিয় এই সকলো ক্ষেত্ৰতে এই কথা অতি সত্য। মহা মহা মনিষীসকল তাৰেই স্বাক্ষৰ।

মহাপুৰুষ গুৰুৰ এটি প্ৰসিদ্ধ নামেই হ'ল ডেকাগিৰি। এই নামৰ আঁৰত লুকাই থকা প্ৰসিদ্ধিৰ অসমীয়া ডেকাসকল সকলোৰে আদৰ্শৰ স্থল হওক-- এই আশা শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘই কৰিছে। ৰূপকোঁৱৰ জ্যোতিপ্ৰসাদ আৰু যাযাবৰী জনতাৰ শিল্পী বিষ্ণু প্ৰসাদেও নিজৰ কৰ্মময় জীৱনৰ মহান আদৰ্শেৰে আমাৰ ডেকা শক্তিক কৰ্মদক্ষ, প্ৰাণৱন্ত হৈ উঠাৰ ওপৰত গুৰুত্ব প্ৰদান কৰিছে। সেৱা ৰসত জীৱনৰ মহানতা লুকাই আছে। এইখন পৃথিৱী মানুহৰ পৃথিৱী। এই মৰততে সৰগৰ সুষমা সৃষ্টি কৰিবলৈ হ'লে মানুহে সেৱা ৰসৰ মহিমা উপলব্ধি কৰিবই লাগিব। তাকেই যদি নহয় তেতিয়া হ'লে আমি মানৱ জীৱনৰ অৰ্থকে বুজিব নোৱাৰিম।

নতুন প্ৰজন্মক সামগ্ৰিকভাৱে মানৱতাৰ মহান আদৰ্শেৰে গঠন কৰিবৰ বাবেই এই সেৱা বাহিনীৰ সৃষ্টি কৰা হৈছে। কৰ্মৰ প্ৰতি অনুৰাগী এটা মনৰ সৃষ্টি কৰিব নোৱাৰিলে--- এখন কৰ্ম সচেতন সমাজ কেতিয়াও গঠন নহয়। কৰ্মস্পৃহা মানৱজীৱনৰ বাবেই অত্যন্ত গুৰুত্বপূৰ্ণ বস্তু। এনে স্পৃহাৰ মাজত লুকাই আছে সমাজ গঠনৰ প্ৰেৰণাদীপ্ত এটি শক্তি। এনে শক্তিৰ দ্বাৰাই সমাজত ন ন সৃষ্টি সম্ভৱ হৈ উঠে। কৰ্ম বিমুখিতা বা শ্ৰম বিমুখিতাই আমাক ব্যক্তিগত ভাৱেই নহয় সামাজিক ভাৱেও স্খলিত জীৱনৰ দিশে লৈ যায়। ফলস্বৰূপে আমিবোৰ অনাকাঙ্খিত ৰূপত তলৰ পৰা তললৈ নামি যাব লগাত পৰে।

আজিৰ পৃথিৱীখনেই প্ৰতিযোগিতাৰে ভৰা। সমাজ জীৱনৰ প্ৰতিটো ক্ষেত্ৰতে এই প্ৰতিযোগিতা। এই প্ৰতিযোগিতাত তিষ্ঠি থাকিব লাগিলে যোগ্যতা অৰ্জন কৰিব লাগিব। যোগ্যসকলৰ বাবেহে এইখন পৃথিৱী ভোগৰ স্থলী-- "Survival of the fittest"। সেইবাবেই জীৱনৰ এই সোণালী সময়ছোৱাৰ সদব্যৱহাৰৰ ওপৰত নিৰ্ভৰ কৰিছে আমাৰ প্ৰতিজনৰ সোণালী ভৱিষ্যৎ।

শ্ৰম দিৱসৰ এই পবিত্ৰ অৱসৰত আমি সকলো পক্ষলৈকে বিনম্ৰ ভাৱে অহ্বান জনাব বিচাৰিছোঁ-- যাতে যিকোনো ধৰণৰ শ্ৰমৰ প্ৰতি আমি শ্ৰদ্ধাশীল হৈ আমি তাক গুৰুত্বপূৰ্ণ ৰূপেৰে ৰূপায়ন কৰাত আত্মনিয়োগ কৰিব পাৰো। এইয়া দৰাচলতে সামাজিক দায়বদ্ধতা। এইয়া প্ৰকৃত অৰ্থত দেশৰ স্বাৰ্থ, সমাজৰ স্বাৰ্থ। এই স্বাৰ্থৰ আগত যাতে আমাৰ ব্যক্তিস্বাৰ্থই ক্ৰিয়া কৰি শ্ৰমবিমুখিতাক তিলমানো গুৰুত্ব নিদিওঁ তাৰ বাবে আগবাঢ়ি আহিবলৈ আমি শ্ৰদ্ধাসহকাৰে আহ্বান জনাইছো।

জয়তু মেহনতি জনতা, জয়তু সেৱাবাহিনীৰ সেৱক-সেৱিকাসকল, জয়তু শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘ।◆

## বৰগীতৰ তাত্ত্বিক বিচাৰ

(৫ পৃষ্ঠাৰ পৰা)

মায়াময় গহীন বননি। মানুহ জন্মে আৰু মৰে। কিন্তু জন্ম মৃত্যুৰ মাজৰ কালছোৱাত প্ৰতিজন মানুহেই মায়াত আৱদ্ধ হৈ পৰে। মোকো মায়া মোহে আৱৰি ৰখাত মই অসহায় হৰিণাৰ দৰে তাত ঘূৰি ফুৰিছোঁ। সংসাৰ মায়াজালত আৱদ্ধ হোৱাত, কালৰূপী সময়ে ব্যাধৰ দৰে মোক সংহাৰ কৰিবলৈ আগুৱাই আহিছে আৰু কাম-ক্ৰোধ আদি প্ৰবৃত্তিবোৰে সিমানেই বাঢ়ি শক্তিশালী হৈ মানুহক প্ৰকৃত পথৰ পৰা আঁতৰাই নি লঘু লাঞ্ছনা কৰে। ক্ষন্তেকীয়া জীৱনৰ কথা ভাবিব নোৱাৰি মায়াত আৱদ্ধ হৈ থাকে। ফলত মানুহৰ জীৱনলৈ আহে অশেষ কষ্ট আৰু দুখ। মানুহে চেতনা হেৰুৱাই পেলায়। ইপিনে লোভ-মোহে বাঘৰ দৰে খাবলৈ খেদি ফুৰে। পৰম ব্ৰহ্ম পৰমেশ্বৰেই আচল সত্য। তেওঁৰ কৃপা অবিহনে মানুহে সংসাৰত সুখ-শান্তি লাভ কৰিব নোৱাৰে। সকলো দুখ-কষ্টৰ পৰা পৰমেশ্বৰেহে সকলোকে ৰক্ষা কৰিব পাৰে। সেই কাৰণে মানুহে মায়াৰ বান্ধ ছিঙি সহজাত প্ৰবৃত্তিবোৰক দমন কৰি ভগৱান আশ্ৰয় ল'ব লাগে। তেতিয়াই মানুহে পৰম শান্তি লাভ কৰিব পাৰে।

এই বৰগীতৰ মাধ্যমত জগতৰ মানুহৰহে মহাপুৰুষ শঙ্কৰ গুৰুজনাই মায়া-মোহৰ পৰা সৃষ্টি হোৱা কাম-ক্ৰোধৰ পৰা আঁতৰি থাকি সুখ-শান্তিৰে জীৱন অতিবাহিত কৰিবলৈ কাতৰ প্ৰাৰ্থনা কৰি কৈছে— হে ভগৱান, মায়াময় সংসাৰ জালৰ তাপত মই যেন চেতনা হেৰুৱাই পেলাইছো, লোভ-মোহে বাঘৰ দৰে খেদি খাবলৈ খেদি ফুৰিছে, কোনো মতে এৰা নিদিয়ে। হে প্ৰভু, তুমি মোক ৰক্ষা কৰা। মোৰ মনৰ বিচাৰ শক্তিও হীন হৈ আহিছে। গতিকে হে প্ৰভু ভগৱন্ত তোমাৰ চৰণত ধৰি কাকুতি কৰিছোঁ, এই মায়া জালৰ পৰা মোক মুক্ত কৰা।

সংসাৰৰূপী গভীৰ অৰণ্যত শঙ্কৰদেৱে নিজকে হৰিণাৰূপে কল্পনা কৰি কৈছে হাবিত থকা হৰিণাই বাঘ ভালুক আদি হিংস্ৰ জন্তুবোৰক ভয় কৰাৰ দৰে কাম-ক্ৰোধ-লোভ আদি প্ৰবৃত্তিবোৰক ভয় কৰি নিজকে অসহায় হৰিণাৰ লগত তুলনা কৰিছে আৰু মুক্তিৰ পন্থা বিচাৰি ভগৱানৰ আশ্ৰয় বিচাৰিছে। অৰ্থাৎ তেওঁৰ দেহ-মন সকলো ভগৱানৰ ওচৰত সমৰ্পণ কৰি প্ৰকাণ্ডভাৱে ভক্তি কৰিবলৈ ইচ্ছা কৰিছে।❑

## নাট-ভাওনাৰ বৈশিষ্ট্য

(২ পৃষ্ঠাৰ পৰা)

*brought about many innovations in his plays. It was he who introduced the Shantarasa for the first time in his plays. It had not been there in the Natya-Shastra of Bharata ..... It was again Srimanta Sankaradeva who used Proscenium for the first time in the entire world for enactment of his plays. However it had not been used in his first play Chinha-Yatra, where eleveted stage was used, the too being the first time in the world.*

*Srimanta Sankardeva's use of drama as a medium for religious preaching was a great act of innovation. In this respect, he was a pioneer in the entire world. –Dr S.K. Borkakati.*

**উপসংহাৰ ঃ** ওপৰৰ চমু আলোচনাটিৰ পৰা আমি শঙ্কৰদেৱৰ নাট ৰচনা, ইয়াৰ বৈশিষ্ট্য, নাট পৰিৱেশন অৰ্থাৎ ভাওনাৰ অভিনৱত্ব, নাটৰ ভাষা, গীত-নৃত্যৰ সৃষ্টি, সূত্ৰধাৰৰ অভিনৱ উপস্থাপন, লোক সংগ্ৰহ, লোকৰঞ্জন আৰু লোকস্থিতিৰ বাবে প্ৰয়োগ কৰা কৌশল— ইত্যাদিৰ বিষয়ে কিছু কথা জনা হ'ল। শঙ্কৰী নাট— যি বিশ্ব নাট্য সাহিত্যৰ এক সমূল্য সম্পদ তথা নাট পৰিৱেশন অৰ্থাৎ ভাওনা পদ্ধতি যি গুৰুজনাৰ অভিনৱ সৃষ্টি আৰু এই সৃষ্ট বিশ্বৰ ভিতৰতে এক নতুন পদক্ষেপ সেই কথা বৰ্তমান পণ্ডিতসকলে গৱেষণা আৰু শঙ্কৰদেৱ অধ্যয়নৰ পৰা জানিব পাৰিছে। গতিকে শঙ্কৰদেৱে পোন্ধৰ শতিকাতে নগাঁৱৰ বৰদোৱাত যি নাট-ভাওনা সৃষ্টি কৰিলে সেয়া কেৱল অসমৰে নহয় বৰং ভাৰত তথা বিশ্ব সাহিত্য-সংস্কৃতিৰ এক অমূল্য সম্পদ।

## কেন্দ্ৰীয় ব'হাগী উৎসৱ

(১পৃষ্ঠাৰ পৰা)

বৰ্ণাঢ্য পৰিৱেশত দশম বাৰ্ষিক কেন্দ্ৰীয় ব'হাগী উৎসৱভাগি গোৱালপৰীয়া বিহুতলী (ধূপধৰা হাইস্কুল খেলপথাৰ)ত অনুষ্ঠিত হৈ যায়। পুৱা ৫.০০ বজাত জিলা সেৱাবাহিনীৰ দ্বাৰা পৰিৱেশ নিকাকৰণৰ পাছত নাম-প্ৰসঙ্গ অনুষ্ঠিত হয়। পুৱা ৮.০০ বজাত বৃক্ষ ৰোপণ কাৰ্যসূচী ৰূপায়ন কৰে অবেশ্বৰ কছাৰী (ভাৰপ্ৰাপ্ত প্ৰধান শিক্ষক, ধূপধৰা হাইস্কুল), মঃ চহৰাব আলী (প্ৰধান শিক্ষক, ধূপধৰা ছোৱালী হাইস্কুল), চিৰেন বড়ো (প্ৰধান আচাৰ্য, শঙ্কৰদেৱ শিশু/বিদ্যা নিকেতন, ধূপধৰা), মুকুট পাটগিৰী (প্ৰধান শিক্ষক, ৬৮ নং খয়ৰুদ্দিন আদৰ্শ প্ৰাথমিক বিদ্যালয়, ধূপধৰা)। পুৱা ৮.৩০ বজাত শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘৰ পদাধিকাৰ তথা কেন্দ্ৰীয় সেৱা বাহিনীৰ মুখ্য নিয়ন্ত্ৰক ৰজনীকান্ত দত্তবাপে পবিত্ৰ ধৰ্মধ্বজা উত্তোলন কৰে। ইয়াৰ পাছতে বঙাইগাঁও মণ্ডলৰ আই-মাতৃসকলৰ মাজত পিঠা-পনা আৰু গামোচা প্ৰতিযোগিতা এখন অনুষ্ঠিত হয়। শিশু আৰু আই-মাতৃ কল্যাণ সমিতিৰ সভানেত্ৰী মামণি চলিহা আইয়ে উদ্বোধন কৰা প্ৰতিযোগিতাখনিত আইসকলৰ যোগদান আছিল উৎসাহজনক।

দিনৰ ১১ বজাত স্মৃতিগ্ৰন্থ উন্মোচন আৰু আলোচনা-চক্ৰ সভাখনি অনুষ্ঠিত হয়। পদাধিকাৰ ৰজনীকান্ত দত্তবাপৰ সভাপতিত্বত অনুষ্ঠিত হোৱা সভাত বিহু উপলক্ষ্যে প্ৰকাশিত স্মৃতিগ্ৰন্থ 'মুৰুলী' উন্মোচন কৰে উপ-পদাধিকাৰ ভৱেন্দ্ৰনাথ ডেকাবাপে। 'সাম্প্ৰতিক সময়ত ৰঙালী বিহুৰ প্ৰাসঙ্গিকতা' শীৰ্ষক মনোজ্ঞ আলোচনা-চক্ৰভাগি উদ্বোধন কৰে যুটীয়া সম্পাদক আনন্দ কুমাৰ বৰাবাপে। মুখ্য আলোচক হিচাপে এক সাৱলীল বক্তব্যৰে উপস্থিত শ্ৰোতা দৰ্শকক আপ্লুত কৰি মৰাণ মহাবিদ্যালয়ৰ অধ্যক্ষ ড° অনিল শইকীয়াবাপে কয়— প্ৰথম মঞ্চবিহু আৰম্ভ হৈছিল 'গোলাঘাট বেতনীবাৰী'ত; তাৰ পাছতহে ই ক্ৰমান্বয়ে আন ঠাইলৈ বিয়পি পৰে।

বিয়লি ২.৩০ বিহু হুঁচৰি প্ৰতিযোগিতা উদ্বোধন কৰে সংস্কৃতি শাখাৰ সম্পাদক পৰিত্ৰপ্ৰাণ বৰাবাপে। শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘৰ মুঠ ১৪খন জিলাই অংশগ্ৰহণ কৰা বিহু হুঁচৰি প্ৰতিযোগিতাত শিৱসাগৰ জিলা ই প্ৰথম স্থান, দৰং জিলাই দ্বিতীয় স্থান আৰু ৰঙিয়া জিলাই তৃতীয় স্থান লাভ কৰে। লগতে বঙাইগাঁও জিলা শাখাক উদ্‌গনিমূলক বঁটা প্ৰদান কৰা হয়। প্ৰণিধানযোগ্য যে প্ৰতিযোগিতাৰ পাছত স্থানীয় শিল্পীসকলে বিহুনৃত্য, ৰাভানৃত্য লগতে বিভিন্ন সাংস্কৃতিক কাৰ্যসূচী ৰূপায়ণ কৰে।◆

# সাঁচিপাত ঃ শঙ্কৰদেৱ আৰু গছবিহু

**ড° হৰিচৰণ দাস**

মহেন্দ্ৰ কন্দলিৰ টোলত কৃতবিদ্য হৈ যেতিয়া যুৱক শঙ্কৰদেৱ ঘৰলৈ উভতিছিল, খেৰসূতি আইকে প্ৰমুখ্য কৰি পৰিয়াল-পৰিজনৰ মনত আনন্দৰ জোৱাৰ উঠিছিল। পিতৃৰ অবৰ্তমানত অভিভাৱক স্বৰূপ হৈ পৰা জয়ন্ত দলৈয়ে গুৰুজনাক সাৱট মাৰি ধৰি সুধিছিল— "বাপু, তুমি সৰ্বশাস্ত্ৰত বিশাৰদ হৈ আমাৰ বংশৰ নাম উজ্জ্বল কৰিলা। আমি সঁচাকৈয়ে অতি আনন্দিত আৰু গৌৰৱান্বিত। কোৱাচোন এনে কৃতকাৰ্যতাৰ বাবে তোমাক কি পুৰস্কাৰ লাগে? আমাৰ সাধ্যানুসৰি তোমাক পুৰস্কাৰ দিম।" মহাপুৰুষ শঙ্কৰদেৱে তেতিয়া ক'লে— "মোক যদি পুৰস্কাৰেই দিব বিচাৰা তেনেহ'লে এভাৰ সাঁচিপাত দিয়া।" শঙ্কৰদেৱৰ কথা শুনি জয়ন্ত দলৈ পৰম আনন্দিত হ'ল। পিছে এভাৰ সাঁচিপাত উলামূলা কথাও নাছিল। সাঁচিপাত প্ৰস্তুত কৰাটো এক ব্যয়বহুল আৰু কষ্টসাধ্য কাম আছিল। সাঁচিপাত নিৰ্মাণৰ বাবে লাগে পূৰঠ সাঁচি গছ। পূৰঠ সাঁচিগছৰ পৰা ছাল এৰুৱাই তাক উতলাই, শুকুৱাই, শিলেৰে ঘঁহি মিহি কৰি সুনিৰ্দিষ্ট আকাৰত কাটি তাৰ ওপৰত মাটিমাহ আৰু হালধিৰ প্ৰলেপ দিয়াৰ পিছত পুনৰ শুকুৱাই লোৱাৰ অন্ততহে একোখন সাঁচিপাত লিখিবৰ বাবে প্ৰস্তুত হয়। গতিকে শঙ্কৰদেৱ মহাপুৰুষে বিচৰা ধৰণে এডাল সাঁচিপাত অৰ্থাৎ দুটা ডাঙৰ পাচিৰে দুপাচি সাঁচিপাত প্ৰস্তুত কৰি উলিয়াবলৈ ভালেসংখ্যক মানুহ আৰু গছৰ ছালৰ আৱশ্যক হৈছিল। মনোগ্ৰাহী মহাপুৰুষ শঙ্কৰদেৱে জ্ঞান চৰ্চা কৰাৰ বাবে ইমান বিপুল সংখ্যক সাঁচিপাতৰ অৱশ্যে আৱশ্যকো আছিল। নিতৌ ন ন সৃষ্টিৰে সাহিত্য কৰ্মতব্ৰতী গুৰুজনাৰ বিদ্যা চৰ্চাৰ বাবে অত্যাৱশ্যকীয় আছিল সেই সময়ৰ লেখন সামগ্ৰী সাঁচিপাত। গুৰুজনাই সাঁচিপাত বিচৰা কথাটোৱে দুটা দিশ প্ৰতীয়মান কৰে— এটা হ'ল গুৰুজনাৰ শিক্ষানুৰাগ আৰু দ্বিতীয়তে সেই সময়ত সাঁচিপাতৰ মূল্য। শ্ৰেষ্ঠ পুৰস্কাৰৰূপে সদায় মূল্যবান বস্তু দিয়া হয়, যিদৰে বৰ্তমান সময়ত শ্ৰেষ্ঠ বিদ্যাৰ্থীসকলক চৰকাৰে 'লেপটপ' দিবলৈ ধৰিছে। উল্লেখনীয় যে সাঁচিপাতৰ মূল্য বৰ্তমানেও কমি যোৱা নাই। কাৰণ এটা সাঁচিপাত হাজাৰ বছৰ ধৰি সাঁচি ৰাখিব পাৰি, কিন্তু কাগজৰ পাত এখিলা আমি এশবছৰেই ৰাখিব নোৱাৰো। সত্ৰ সচঙত আজিও শ শ বছৰ ধৰি সাঁচিপাতৰ পুথি পঢ়িবলৈ পৰা হৈয়ে আছে। পিছে সাঁচিগছৰ আন এক পৰিচয়ো আছে, সেয়া হ'ল সাঁচিগছেই হৈছে অগৰু গছ। প্ৰকৃতি সংগঠন অৰণ্য সুৰক্ষা সমিতি অসমে, ঐতিহ্য পৰিৱেশ আৰু অৰ্থনীতিৰ দিশৰ পৰা সাঁচিগছক অসমৰ জাতীয় ঐতিহ্য বৃক্ষৰূপে ঘোষণাৰ দাবী কৰিছে আৰু গছ-বিদ্য অৰ্থাৎ গছপুলি ৰুৱা বিহু উৎসৱ পাতি, সাঁচি গছ ৰোপণত বিশেষভাৱে মনোনিৱেশ কৰিছে। শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘৰ দুমহদহ শঙ্কৰদেৱ প্ৰকল্পতো সমিতিয়ে সাঁচিগছ ৰোপণ কৰিছে। দৰাচলতে আমাৰ ঐতিহ্যৰ বাহক সাঁচিগছ প্ৰতি ঘৰে ঘৰে ৰোপণ কৰা উচিত। সাঁচিগছ ৰোপণৰ উত্তম সময় হ'ল ব'হাগ। এতেকে ব'হাগী উৎসৱৰ লগতে সাঁচিগছ ৰুৱা গছ বিহু পাতি আমি ঐতিহ্য বৃক্ষ সংৰক্ষণ কৰাৰ বাবে হাত উজান দিব নোৱাৰোনে? ❑

# মণিকাঞ্চনত শঙ্কৰদেৱৰ দৃষ্টিত নাৰী বিষয়ে পঢ়ি দু-আষাৰ

**ময়ূৰী বৰুৱা**

সমাজৰ এক সন্মানৰ প্ৰতীক হ'ল নাৰী। ভাৰতীয় বৈষ্ণৱ আদৰ্শত নাৰীৰ স্থান গৌণ। প্ৰকৃততে এগৰাকী নাৰীয়ে হৈছে এজন পুৰুষৰ উন্নতি বা অৱনতিৰ মূল চাবিকাঠি। নাৰী এগৰাকীয়ে ইচ্ছা কৰিলে এজন পুৰুষক সমাজত সন্মানৰ পাত্ৰ কৰি তুলিব পাৰে আৰু ইচ্ছা কৰিলে সমাজৰ মাজত অপমানিতও কৰি তুলিব পাৰে। জীৱৰ মুক্তিৰ পথ নাৰীয়ে অৱৰোধ কৰে বুলি ধৰ্মগুৰুসকলে নাৰীক দূৰতে বিদূৰ কৰিছিল। মধ্যযুগৰ অসমৰ খ্যাতনামা মনীষী মহাপুৰুষ শ্ৰীমন্ত শঙ্কৰদেৱে ধৰ্মৰ নামত অন্ধবিশ্বাস আৰু কুসংস্কাৰেৰে আচ্ছন্ন হৈ থকা পুণ্যভূমি অসমৰ জনগণক উদ্ধাৰ কৰিবলৈ নৱবৈষ্ণৱ ভক্তি আন্দোলন সুদৃঢ় কৰি তোলে। খ্যাতনামা অসমীয়া মনীষী গৰাকীৰ নাৰীৰ প্ৰতি থকা দৃষ্টিভঙ্গীৰ বিষয়েই এই প্ৰবন্ধৰ প্ৰধান আলোচ্য বিষয়। মহাপুৰুষ শ্ৰীমন্ত শঙ্কৰদেৱৰ দৃষ্টিত নাৰীৰ বহুৰূপৰ বিষয়ে তলত চমুকৈ দাঙি ধৰা হ'ল— (১) মহাপুৰুষ শ্ৰীমন্ত শঙ্কৰদেৱৰ দৃষ্টিত নাৰীৰ মাতৃৰূপ, (২) শঙ্কৰদেৱৰ দৃষ্টিত নাৰীৰ প্ৰেমিকা/ পত্নীৰূপ, (৩) শঙ্কৰদেৱৰ দৃষ্টিত নাৰীৰ সখীৰূপ। শঙ্কৰদেৱৰ দৃষ্টিত নাৰীৰ প্ৰতি থকা এনে সন্মানে বৰ্তমান সমাজত প্ৰভাৱ পেলোৱাৰ সলনি বৰ্তমান সমাজত নাৰীৰ বলৎকাৰ হৈ থকা দেখিবলৈ পোৱা গৈছে। ক'বলৈ গ'লে বৰ্তমান সমাজত কেৱল পুৰুষৰ ওপৰতে সকলো দোষ জাপি দিলেও নহ'ব। নাৰী এগৰাকীও নিজৰ চৰিত্ৰৰ প্ৰতি সচেতন হ'ব লাগিব। সমাজত পুৰুষতকৈ নাৰী এগৰাকীহে সজাগ হৈ থকাৰ নিতান্তই বাঞ্চনীয়— এই কথাষাৰৰ প্ৰতি লক্ষ্য ৰাখিয়েই গুৱাহাটীৰ ৰূপনগৰত 'শ্ৰীমন্ত শঙ্কৰদেৱ ভৱন'ৰ আধাৰশিলা স্থাপন কৰা হৈছে যাতে মহাপুৰুষ শ্ৰীমন্ত শঙ্কৰদেৱৰ জীৱন চৰিত্ৰ অৰ্থাৎ নাৰীৰ প্ৰতি থকা যোগাত্মক দৃষ্টিভঙ্গীৰ প্ৰভাৱ আমাৰ সমাজত প্ৰচুৰ প্ৰভাৱ পৰে। এই আধাৰশিলা স্থাপনৰ বাতৰি পঢ়ি আনন্দ পাইছোঁ। কাৰণ মই জনো যে অসমখন সকলো ফালৰ পৰা ধনী। এনে এখন ধনী ৰাজ্যত যদি নাৰীসকলৰ চৰিত্ৰত ব্যাঘাত জন্মে, তেতিয়াহ'লে ইয়াতকৈ ডাঙৰ দুখৰ কথা আৰু একো হ'ব নোৱাৰে। মই বিচাৰোঁ শ্ৰীমন্ত শঙ্কৰদেৱ ভৱনৰ কেৱল এখন ঠাইতে নহয়, সকলো ঠাইতে স্থাপন কৰাৰ ব্যৱস্থা কৰিব লাগে যাতে সেই ঠাইৰ সকলো মানুহে চৰিত্ৰও শঙ্কৰদেৱৰ দৰে গঢ়ি তুলিব পাৰে আৰু নিজকে সমাজৰ মাজত উচ্চ স্থান দিব পাৰে।

'মণিকাঞ্চন'ত নাৰী আৰু শঙ্কৰদেৱৰ সম্পৰ্কে পঢ়ি যথেষ্ট জ্ঞান পালোঁ। তাৰ বাবে 'মণিকাঞ্চন'লৈ মোৰ আন্তৰিক কৃতজ্ঞতা জনালোঁ। ❑

**লেখক ঃ ছাত্ৰী, শঙ্কৰদেৱ শিশু আৰু বিদ্যা নিকেতন**
**বিলাসীপাৰা**

# ভোৰতাল নৃত্য আৰু বৰপেটীয়া সমাজৰ ভূমিকা

**পাপৰি মজুমদাৰ**

সংস্কৃতি এখন সমাজ, এটা জাতিৰ বৰ্ণময় জীৱনৰ প্ৰতিচ্ছবি। সংস্কৃতিৰ মাজেৰেঅ প্ৰকাশিত হয় এখন সমাজৰ মানুহৰ মানসিকতা। সংস্কৃতিৰ প্ৰসাৰ আৰু বিকাশত সত্ৰ সংস্কৃতিৰ প্ৰাণকেন্দ্ৰ বৰপেটাও পিছপৰি থকা নাই। অসমৰ সংস্কৃতিৰ ভালেমান উপাদান এই বৰপেটাৰ সত্ৰ, ইয়াৰ লোকজীৱনৰ মাজত সোমাই আছে।

বৰপেটাত প্ৰচলিত তথা বৰপেটাত প্ৰাণ পাই উঠা এনে এবিধ অন্যতম পৰিৱেশ্য কলা হ'ল ভোৰতাল নৃত্য।

মহানন্দ সূত্ৰধাৰৰ দ্বাৰা পৰিকল্পিত আৰু উদ্ভাৱিত ভোৰতাল নৃত্যক বাস্তৱত ৰূপায়িত কৰিছিল বৰপেটা সত্ৰৰ প্ৰথম সত্ৰাধিকাৰ নৰহৰি বুঢ়া ভকতে। তেওঁ নিজে নৃত্য প্ৰদৰ্শন কৰি, জনসমাজত এই নৃত্য অতিশয় জনপ্ৰিয় কৰি তোলে। কাঁহৰ তাল (ভোৰ) বজাই বজাই কৰা এক বিশেষ ধৰণৰ নৃত্যই হ'ল ভোৰতাল নৃত্য।

বৰপেটাৰ লোকায়ত অনুষ্ঠান থিয়নামৰ শীৰ্ষ মুহূৰ্তত ভোৰতাল নৃত্য প্ৰদৰ্শিত হয়। ভোৰতাল নৃত্য সম্পৰ্কত হৰিদেৱ পাঠকে আগবঢ়োৱা মন্তব্য বিচাৰযোগ্য। তেওঁৰ মতে, থিয়নামৰ পদচালন ভঙ্গীমা, নামত ব্যৱহৃত বৰতাল ঘূৰোৱা কৌশল আৰু সত্ৰীয়া নৃত্যৰ চমকপদ হস্তপ্ৰয়োগৰ লগত সংগতি ৰাখি উপস্থাপন কৰা নৃত্য বিশেষেই হ'ল ভোৰতাল নৃত্য। 'ভোৰতাল' নামৰ দুখন তাল দুহাতে লৈ গীত বা নামৰ ছেৰে ছেৰে মুদ্ৰা দি পৰমানন্দৰ পৰা এক বিন্দু হ'লেও আনন্দ ভিক্ষা কৰি তাৰাক প্ৰাৰ্থনা কৰা নৃত্যৰ নামেই ভোৰতাল নৃত্য।

ভোৰতাল নৃত্যত নৃত্যই মুখ্য স্থান লাভ কৰে। পাঠকে লগাই দিয়া মতে পালিকসকলে নামৰ পদ গায়। পালিসকলৰ লগত তাল বাদকৰ লগতে নাগৰা বাদকো থাকে। তেওঁলোকে মঞ্চৰ এফালে পাঠকৰ লগত বহি বাদ্য বজায়। নৃত্য প্ৰথমৰে পৰা ত্ৰিতালত আৰম্ভ হয়। পাঠকে "পাৱে পৰি হৰি কৰহো কাতৰি প্ৰাণ ৰাখবি মোৰ" আদি বৰগীতো এইবিধ নৃত্যত ত্ৰিতালত গায়। 'ভোৰতাল নৃত্য'ত গীত-বাদ্য আৰু পালিৰ চাপৰি ক্ৰমে যেতিয়া চৌতাল গায়, তেতিয়া নৃত্যৰ তাল ঘূৰোৱা কলা প্ৰদৰ্শনো চমকপ্ৰদ হ'বলৈ ধৰে।

নটুৱাৰ সংখ্যাৰ কোনো ধৰাবন্ধা নথকা ভোৰতাল নৃত্য এককভাৱে বা বহুকেইজন শিল্পী একেলগেও পৰিৱেশন কৰিব পাৰে। ভোৰতাল নৃত্যত শিল্পীসকলে সত্ৰীয়া শিল্পীৰ পোছাকে পৰিধান কৰে। নটুৱাসকলে মূৰত গায়ন-বায়নীয় পাগুৰি, গলত মালা-মণি, হাতত খাৰু, ভৰিত জুনুকা, কাণত অলংকাৰ পিন্ধে। পালিসকলে কোনো অলংকাৰ পৰিধান নকৰে। ওজাজনে বগা নেট কাপোৰৰ চাপকন পিন্ধে আৰু বগা কমৰ বান্ধ এখনো থাকে। খালী গা হ'লে কান্ধত পতি স্বৰূপে চেলেং কাপোৰ লয়।

'ভোৰতাল নৃত্য' সত্ৰীয়া নৃত্য হয় নে নহয় এই লৈ কিছু মতভেদ আছে। কিন্তু শঙ্কৰী সংস্কৃতিৰ আধাৰত গঢ়ি উঠা এই নতুন ধৰণৰ নৃত্যটিক সত্ৰীয়া নৃত্য বুলি ক'ব পৰা যায় এই কাৰণেই যে, ইয়াৰ মূল হ'ল সত্ৰীয়া নৃত্য-গীত আদি।

'ভোৰতাল নৃত্য'ৰ ক্ষেত্ৰত এটি কথা মন কৰিবলগীয়া যে, সত্ৰীয়া মাজেৰে গঢ় লৈ উঠিলেও ভোৰতাল নৃত্য সত্ৰত অনুষ্ঠিত গুৰু দুজনাৰ তিথি, দৌল-উৎসৱ আদিত পৰম্পৰাগতভাৱে নচা নহয়। অৰ্থাৎ সত্ৰীয়া কৰ্মৰাজিৰ ভিতৰত ইয়াক স্থান দিয়া নহয়। কিন্তু সত্ৰত পালন কৰা গুৰু দুজনাৰ তিথি, সত্ৰাধিকাৰসকলৰ তিথি, দৌল-উৎসৱ আদিৰ ৰঙ্গমঞ্চতহে এই নৃত্য পৰিৱেশন কৰা হয়। সত্ৰৰ বাহিৰতো বিভিন্ন সভা-সমিতি আদিত আৰম্ভণিতে এই নৃত্য পৰিৱেশন কৰা হয়।

ভোৰতাল নৃত্য নৰহৰি বুঢ়া ভকতে যিদৰে আৰম্ভণি কৰিছিল, সেই ৰূপতেই এতিয়াও প্ৰচলন হৈ আছে। সময়ৰ লগে লগে এইবিধ নৃত্যই যথেষ্ট জনপ্ৰিয়তা অৰ্জন কৰিছে। আজিৰ পৰা প্ৰায় এটা দশক আগতে ভোৰতাল নৃত্যৰ প্ৰসাৰে আৰু প্ৰচাৰ কিছু স্তিমিত হৈ পৰিছিল। কিন্তু বৰপেটাৰ যুৱ সংঘ, সত্ৰৰ দ্বাৰা পৰিচালিত সত্ৰীয়া মহাবিদ্যালয়, শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘ আদিয়ে বৰ্তমান প্ৰচাৰ আৰু প্ৰসাৰত ভালেখিনি আগভাগ লৈছে। এই অনুষ্ঠানবোৰে নিয়মীয়াকৈ নৃত্য শিকোৱাৰ লগতে সময়ে সময়ে কৰ্মশালা অনুষ্ঠিত কৰি নৃত্যৰ প্ৰতি আগ্ৰহীসকলক আগবাঢ়ি যোৱাত সহায় কৰিছে। পুৰুষসকলৰ মাজতে এতিয়া এই নৃত্য আৱদ্ধ হৈ থকা নাই, সময়ৰ লগে লগে ছোৱালীসকলেও এই নৃত্য প্ৰদৰ্শন কৰিবলৈ লৈছে।

অসমৰ বিভিন্ন ঠাইৰ লগতে বিদেশতো এই নৃত্য প্ৰদৰ্শিত হৈছে আৰু সমাদৰো লাভ কৰিছে। বিভিন্ন সত্ৰীয়া সভা-সমিতি, কোনো গাম্ভীৰ্যপূণ অনুষ্ঠান আৰম্ভণি আদিত এই নৃত্য প্ৰদৰ্শন কৰা হয়।

সত্ৰনগৰী বৰপেটা ইয়াৰ ভাষা-সংস্কৃতি আদি প্ৰতিটো দিশতেই স্বকীয়তা প্ৰদৰ্শন কৰি আহিছে। ভোৰতাল নৃত্যও ইয়াৰ ব্যতিক্ৰম নহয়। নটুৱাসকলে মনোমোহা নৃত্য প্ৰদৰ্শনেৰে সকলোকে আকৃষ্ট কৰে এইদৰে বৰপেটা সংস্কৃতিক এক বিশেষ মাত্ৰা প্ৰদান কৰিছে ভোৰতাল নৃত্যই। ❑

# কেন্দ্ৰীয় ব'হাগী উৎসৱৰ কেইটিমান স্মৰণীয় মুহূৰ্ত.....











# কবিতা

## গৈ আছোঁ পিছলৈ আৰু পিছলৈ

শিমলু তুলাৰ চক্ৰবাতত
মোৰ কাচঘৰ বিধ্বস্ত চূৰ্ণীকৃত।
তুষাৰ পাতত দগ্ধ মৰ নদীখন
নিৰ্জীৱ অৰ্দ্ধামৃত।
মৰুদ্যানত মৰীচিকা খেদি
ৰুগ্ন-ভগ্ন জৰ্জৰিত হৃদপিণ্ড।
মোৰ খবৰ ৰাখোতাবোৰ
সন্তোগৰ মদিৰাত প্লাৱিত।
ঘৰ আছে মোৰ
মেটমৰা পৰিয়ালৰ কোলাহল।
মুখত পানী দিওঁতাৰ আজি আহৰি নাই;
সোণৰ সংসাৰ বহ্নিত বিধ্বস্ত
মুখাগ্নিৰ বহ্নি কাৰো হাতত নাই
বহুল পথাৰ সোণৰ চপৰাৰে ভৰপূৰ
কিয় সৎকাৰৰ স্থান ক'তো নাই?
এয়ে মোৰ কষ্টোপাৰ্জিত সম্পাদৰ
সহজ মূল্যায়ন নে?
আহুু প্ৰতি টোপাল তেজ অথলে গ'ল মোৰ।
মেৰাই ধৰিলে মোক তিমিৰাচ্ছন্ন নিস্তব্ধতা
আৰু কদৰ্য আৰ্বজনাবোৰে।
শব্দহীন শব্দ প্ৰদূষণ
অদৃশ্য হাতোৰাৰ নিমন্ত্ৰণ আলিঙ্গন
ক্ষণে ক্ষণে ধৰ্ষিতা
ক্ষণে ক্ষণে প্ৰেতাত্মাৰ চুম্বন।
ভীতিগ্ৰস্ত অপদস্থ
মহাপ্ৰলয়ৰ গৰ্জনতকৈ ভয়াবহ
প্ৰখৰ ৰৌদ্ৰতকৈয়ো দুৰ্বিষহ
হতভগাৰ ক্ষত-বিক্ষত নিৰ্জল নদী।
ৰথৰ চকৰি জাবজ কৰ্ণৰ দৰে স্থবিৰ।
আস্ফালন প্ৰলোভন উৎপীড়ন
এয়ে সিহঁতৰ মাৰণাস্ত্ৰ
চক্ৰব্যেুহত অসহায় অভিমন্যু শ্বাসৰুদ্ধ।
অভেদ্য ৰুদ্ধদ্বাৰত ভীমৰ গৰ্জনি।
ক্ৰমান্বয়ে নিৰ্বাপিত হয়
জয়দ্ৰথৰ লৌহ কপাট।
মোৰ জীৱন বন্তি প্ৰজ্বলিত কৰিবলৈ
শকুনিহঁতৰ দলবদ্ধ প্ৰস্তুতি।
সিহঁতৰ সান্দহ খোৰা বালি তল যাব বুলি
মৰিব নিদিয়ে মোক
শুনাইঁত গঙ্গাজল বিচাৰি নাযাবা গঙ্গালৈ।
মোক আৰু সঞ্জীৱিত নকৰিবা
নিৰ্জন দ্বীপত শুনো নিয়তি পক্ষীৰ ৰাও।
মোৰ একাকী গহ্বৰ স্তব্ধ
তমসাবৃত্ত নিমাওমাও।
অন্ধকাৰ মই বৰ ভাল পাওঁ
য'ত মোৰ নিজৰ লগতে
ছাঁটোকো দেখা নাপাওঁ।
শব্দহীন আস্ফালনৰ
নাগপাশৰ পৰা নিষ্কৃতি পাবলৈ
মই দৌৰি আছোঁ।
দৌৰি আছোঁ
পৰিত্যক্ত সংকীৰ্ণ পথত
সীমাহীন নিৰ্যাতন
সীমাহীন লঘু-লাঞ্ছনা
অপযশ অপবাদৰ
হেমহাৰ পিন্ধি
দৌৰি আছোঁ মায়ানগৰত
পিছলৈ আৰু পিছলৈ।◆

তিলেশ্বৰ বৰা

## আত্মাযান

কেইলাশ গিৰি' পেৰাচুট সাগৰলৈ আছে
সাগৰৰ পৰা আকৌ মৰ্ত্যলৈ আহে।
পেৰাচুট যানবোৰ পাল পাতি আহে
জুম জুম মানুহবোৰ যাত্ৰী হৈ বহে।
জীৱন লীলা মাথো সাংসাৰিক চক্ৰ
পেৰাচুট যানৰ যাত্ৰী হ'লেহে অনুমেয়।
অন্তকৰ পিছত আত্মাৰ জ্যোতি
দেৱযানৰ যাত্ৰী তিৰ্‌বিৰ্ গতি
স্লেচ্ছক আত্মা যায় নৰকলৈ
যম দূতে শাস্তি দিয়ে চাবুকধাৰালৈ।
ছয় ভক্ত গ'ল দিব্য যানত বহি
সপ্ত বৈকুণ্ঠ আদি, পালে সুতল পুৰী।
হেন জানি এৰা মনাই আক্ষৰিক কাম
নিৰন্তৰে ঘোষিওক বোলা ৰাম ৰাম।◆

১. বিশাখাপট্টনম সাগৰৰ পাৰত থকা এখন পাহাৰ

ডিম্বেশ্বৰ দাৰ

## বৰগীত

সহস্ৰ হৃদয়ে উদঙাই কি যে গুণি
ফুটি উঠে ভাব অবুজন ৰাগ ধ্বনি
আমনি নালাগে শুনি সুস্বৰ মধুৰ
অভিলাষী অপূৰ্ব উপায় সুচতুৰ।
অগ্নেয় প্ৰেমভাব কমল কুসুম
কিনো মহান সুৰত হিয়া দিয়া নিয়া
বৰগীত পৃথিৱীত সাথৰ অবুজ
সংকেতে বুজাই ভাব আত্মা বান্ধৰত
দিলেহি সুৰ বুজনি ইহ জগতত
ইয়ে বেকত ৰাগিনী কানন ফুলত
প্ৰকাশ্যে ফুটাই নৰ কৰিলে আকুল
হেপাহৰ অন্তৰত প্ৰভাত মধুৰ
কতো আৰু নাই ইটি সুমধুৰ সুৰ।।◆

প্ৰদীপ্তি ডেকা

## মোৰ প্ৰত্যাশা

বন এড়ালো ছিঙিব নোৱাৰা
মোৰ মিছা শক্তিৰে
মই জগত জিনিব খোজো
সঁচা শক্তিক মই বুজিয়ো নুবুজো।
আৰ্জন কৰোঁ যশমান ঐশ্বৰ্য-বিভূতি
ভাবো এয়ে মোৰ যেন উত্তম সম্পত্তি
মিছা দৰ্প মিছা দম্ভ মিছা অহংকাৰ
ভাৱো এয়ে মোৰ যেন ভকতি ভাণ্ডাৰ
পৃথিৱীৰ সুখ-ভোগ মিছা আনন্দ
সেয়াই যেন বোধ হয় পৰমানন্দ
তোমাৰ শক্তিক কৰো সততে স্লান
আমি দৃষ্টিহীন পৰম অজ্ঞান।
পিছে—
তোমাৰ শক্তিৰ জানো আছে
কৃপাও তোমাৰ অসীম অনন্ত
ভক্তজনকহে দিয়া পৰম পন্থ
দৰ্প দম্ভ অহংকাৰ নিজে কৰি ছয়
বলিক ছলি যিদৰে দিলা
কৃপা পদ তলে ঠাই
জ্ঞানীজন সিদৰে সততে তৰে
তোমাৰ কৃপা পৰশ পায়।
জানি—
তোমাৰ কৃপা চৰণ আমি দাস
দূৰ কৰা মনৰ মিছা আশ
চূৰ্ণ কৰা মিছা দৰ্প অহংকাৰ
পূৰ্ণ কৰা প্ৰেমামৃতে হৃদয় ভাণ্ডাৰ
দূৰ হওক অজ্ঞান আন্ধাৰ।
মোৰ প্ৰত্যাশা—
পৰম অমৃতময় প্ৰেম অমৃতৰ নদী
সদা স্পৰ্শোক মোৰ উন্মুক্ত হৃদয় বেদী
নিতে কৰি তাতে স্নান অহৰ্নিশে কৰি পান
মই হওঁ অমৃত সন্তান
গাওঁ জগত জিনাৰ গান।◆

সুশীল লাহন

## ইবাৰ নেৰিবা

কাৰোবাবে সাধু হ'ল
কাৰোবাবে ইতিহাস
ভকতৰ হিয়াই হিয়াই কিন্তু
তোমাৰ বিন্যাস
সুখৰ কালত আমাৰ লগত যেনেকৈ থাকা
দুখৰ কালতো তুমি
আমাক তেনেকৈয়ে ৰাখা
মোৰ গুৰু ঐ
ইবাৰ নেৰিবা।◆

নমিতা বৈশ্য

## অ' মোৰ গুৰু ঐ

খোল নে ঢোল নে মৃদংগৰ ছেও
নুবুজো
আৰু নুবুজো
ভাওনাৰ চং আৰু
নাচোনৰ লয়লাস

বুঢ়া ভকতে জুৰিছে ঘোষাৰ ৰাগ
কলপটুৱাৰ ঘেৰে
ৰাখিছে বন্তিগছ
অ' মোৰ গুৰুজন
তুমি ক'ত?

কোন চান্দখায়ে বিলাব
নামঘৰৰ প্ৰসাদ
ক'ত পৰমানন্দই জুৰিব
ভাওনাৰ বিলাপ
আহিবনে আকৌ নৰোত্তম
তোমাক ক'বলৈ
তোক তুমি ক'বলৈ
আহিলো বুলি
শুনিবলৈ পাম নে
ৰামৰামৰ তালৰ ৰেপনি
মাধৱে গোৰা কীৰ্ত্তনৰ পদ আৰু
ঘোষাৰ ৰাগিনী
পাহৰিয়ে গ'লো তাহানিৰ
ৰমাই ভকত
গোবিন্দ আতৈ আৰু
হৰিদাস দামোদৰ
অ' মোৰ গুৰুজন
অপৰাধ নিবাৰণ

তুমি আকৌ আহা
সত্ৰৰ তোৰণ, নামঘৰৰ দুৱাৰ
বহলকৈ মেলা
জাত-পাত এৰি
সকলো আহক
হিয়াৰ আমঠু
দেশৰ জনতা।◆

হৰেন্দ্ৰ ওলেমন

## কৃষ্ণ শিল্প

কৃষ্ণ আছিল তেওঁৰ বাবে অবয়ব
গঢ় দিছিল কলকলকৈ
এক পূৰ্ণ শৈল্পিক অবয়বৰ।
যাৰ প্ৰকাশ জীৱন যৌৱন গতি
সুৰ সমৃদ্ধিৰ অনন্য উপকৰণ।

তেওঁ আন্তৰিকতাৰ স'তে সহবাস কৰে
য'ত শিল্প উত্তৰণ আৰু বিস্তৃতি থাকে।

তেওঁ গঢ়িব বিচাৰে সিদ্ধ, বিচ্ছিন্ন সত্তা।
শিল্প উত্তৰণ যে এক নান্দনিক স্বাভাৱিকতা

সেয়ে নিজেই কয়—
'মই শিল্পী
কেৱল শিল্পী
কেৱল শিল্পৰে মোৰ সহবাস
চিৰদিন চিৰৰাতি।।◆

অজয় বৰুৱা

# দাস্য-ভক্তিৰ আন এটি নাম

*(৩ পৃষ্ঠাৰ পৰা)*

ধৰ্মভীৰু, সহজ-সৰল হোজা জনতাই উপায়বিহীন হৈ অৱশেষত মানিবলৈ বাধ্য হয়।

দাস্য-ভক্তিৰ প্ৰৱল সোঁতে কিছুমান মুহূৰ্তত ভক্ত আৰু ভগৱানক ইমানে কাষ চপায় যে ইজনে-সিজনৰ সান্নিধ্যৰ অবিহনে তিষ্ঠি থাকিব নোৱাৰা হয়। ইয়াৰ পৰিণতি স্বৰূপে পৰস্পৰৰ মাজত মান-অভিমান, ৰাগ-বিৰাগ, আহ্বান-প্ৰত্যাহ্বান আদিৰ সূত্ৰপাত হয়। মাধৱদেৱৰ ঘোষাবোৰৰ মাজত প্ৰায়ে ফুটি উঠিছে কেতিয়াবা পিতা-পুত্ৰসুলভ আৰু কেতিয়াবা বন্ধুসুলভ মান-অভিমান, স্নেহভৰা খেদ-আক্ষেপ, ললসাৰ-চুনৌতি আদি। ওজৰ-আপত্তি, ঠেহ, আৰোপ -প্ৰতিআৰোপৰ সীমা সংখ্যা নাই— যদি তুমি সঁচাকৈয়ে মালিক আৰু মই তোমাৰ দাস তেনেহ’লে মোক কেনেকৈ আশ্ৰয় (শৰণ) নিদিয়াকৈ থাকিবা? নাইবা, তুমি যদি পতিতপাৱন, তেনেহ’লে কেনেকৈ মোক উদ্ধাৰ নকৰাকৈ থাকিবা? কাৰণ মোতকৈ আৰু পতিত এই দুনিয়াত নাই। অন্যথা তোমাৰ পতিতপাৱন নাম বৃথা, সেই চাৰ্টিফিকেটখনো মিছা—

পতিতপাৱন ৰাম নাৰায়ণ
চৰণে মোক উদ্ধাৰা।
আমি পতিতৰ পতিত পাৱন
নামৰ পৰীক্ষা কৰা।। —পৃ. ৬৭৫

কি আক্ষেপেৰে প্ৰশ্ন কৰিছে, এজন বন্ধুৱে যেন আন এজন বন্ধুক —

কিনো অপৰাধ কৰি আছো আমি
বান্ধৱ মাধৱ প্ৰাণ
নাম ধৰি ডাকো হিয়াত থাকিয়া
কেনে নেদা সমিধান।।
—পৃ. ৬৬৭

অভিমানৰো সীমা নাই —

তুমি সৰ্বসাক্ষী আত্মা হৃষীকেশ
জানাহা মোৰ চিত্তক।
শৰণগতক মঞিও আতুৰক
উপেক্ষা কৰা কিসক?
— পৃ. ৬৭৩

অথবা—

মোক নিজ দাস কৰি লৈলে হৰি এ
কহিয়ো কৃপাল কি হয় তোমাৰ হানি?
—পৃ. ৭৫৬

আচলতে এয়া ভক্তৰ নিজকে উদ্ধাৰ কৰোৱাৰ এটি কৌশল। ই এক প্ৰকাৰৰ ভক্তিমূলক উছটনিহে। এই উছটনিৰ দ্বাৰা প্ৰেৰিত হৈ, উৎফুল্লিত হৈ কিবাকৈ যদি ভগৱানৰ দ্বাৰা উদ্ধাৰ হয় হওক— এয়াই ইয়াৰ মূল উদ্দেশ্য। মাধৱদেৱৰ এনেধৰণৰ অনেক ঘোষা দেখিবলৈ পোৱা যায়।

আৰাধ্য দেৱতাক বন্ধু, সখা, সুহৃদয়, বান্ধৱ বুলি সম্বোধন কৰিলেও দাস ৰূপেহে আত্মসমৰ্পণ কৰিছে। আনকি দাসৰ দাস হ’ব পৰাটোও কম কথা নহয়। কাৰণ নিস্বাৰ্থ ভক্তৰ সেৱক হোৱা আৰু ভগৱানৰ সেৱক হোৱাৰ মাজত কোনো পাৰ্থক্য নাই, দুয়োটাই আধ্যাত্মিক দৃষ্টিত মহৎ পুণ্যৰ কাম —

নোহে জানা আমি চাৰিজাতি/ চাৰি আশ্ৰমী নোহে আতি/ নোহে ধৰ্মশীল দানব্ৰত তীৰ্থগামী। কিন্তু পুৰ্ণানন্দ সমুদ্ৰৰ/ গোপীভৰ্তা পদ কমলৰ/ দাসৰো দাস তান দাস ভৈলো আমি।। (পৃ. ৭৩২)

এইদৰে মান-অভিমান, ঠেহ-ভেম, খেদ-আক্ষেপ, প্ৰত্যাহ্বান, চুনৌতি আদি দিব পৰাৰ মূলতে হৈছে শ্ৰদ্ধেয়ৰ (কৃষ্ণৰ) প্ৰতি থকা প্ৰেম। প্ৰকৃততে মাদৱদেৱৰ আত্মনিবেদনত সোমাই আছে, এহাতে গভীৰ শ্ৰদ্ধা (শ্ৰদ্ধেয়ৰ গুণ, যাৰ বৰ্ণনা পূৰ্বতে কৰা হৈছে) আৰু আনহাতে অগাধ প্ৰেম। শ্ৰদ্ধা আৰু প্ৰেমৰ সংযোগেই হৈছে ভক্তি। ভক্তিৰ মূল শ্ৰদ্ধা আৰু প্ৰেম বুলি ড° বাণীকান্ত কাকতিদেৱেও তেখেতৰ ‘বৈষ্ণৱ ধৰ্মৰ ক্ৰমবিকাশ’ নামৰ প্ৰবন্ধত উল্লেখ কৰিছে।[15] শ্ৰদ্ধেয়ৰ প্ৰতি থকা অসমী শ্ৰদ্ধাই শ্ৰদ্ধালুক কাষলৈ টানি আনে। এটা সময়ত উঠোতে-বহোতে খাওঁতে-লওতে, শয়ণে-সপোনে শ্ৰদ্ধেয়ৰ সামীপ্য বিচৰা হয়, অধিকাৰ সাব্যস্ত কৰিবলৈ খোজা হয়। শ্ৰদ্ধেয়ৰ সকলো কাম-কাজ ভাল লগা হয় আৰু ইয়াৰ বিপৰীতে প্ৰদ্ধেয়ৰ প্ৰতি বিৰুদ্ধাচৰণ বেদনাদায়ক হয়। আৰু তেতিয়াই বুজিব লাগিব যে শ্ৰদ্ধেয়ৰ প্ৰতি প্ৰেমভাৱ উৎপন্ন হৈছে, মনত ভক্তিৰ উদয় হৈছে। ভক্তিয়ে ভক্ত আৰু ভক্তিভাজনক কটকটীয়াকৈ বান্ধি পেলায়। শৰীৰৰ সকলোবোৰ অঙ্গ-প্ৰত্যঙ্গ, জ্ঞানেন্দ্ৰিয় যেন প্ৰদ্ধেয়ৰ সামীপ্য-পীপাসু, যিদৰে পৰাগ-পীপাসু ভ্ৰমৰ। ‘আত্ম উপদেশত’[16] শৰীৰৰ সকলোবোৰ অঙ্গ-প্ৰত্যঙ্গক এই ধৰণে মাধৱদেৱে উপেদেশ দিছে যে কৃষ্ণ প্ৰেমৰ বাহিৰে যেন আন একো নাই। জিহ্বাই যেন কেৱল শ্ৰদ্ধেয় কৃষ্ণৰ মধুৰ ৰসহে পান কৰে, কৰ্ণই যেন মাত্ৰ কৃষ্ণ-যশহে শ্ৰৱণ কৰে ইত্যাদি-ইত্যাদি। এয়াই হৈছে অনন্য-ভক্তি। মাধৱেদৱেৰ আত্মনিবেদনৰ মাজেদি ফুটি উঠিছে অনন্য-ভক্তি।

মাধৱদেৱৰ আত্মনিবেদনে সৰ্বাত্মনিবেদনৰ স্থান দখল কৰিছে। সেয়েহে মাধৱৰ আত্মনিবদেন যেন প্ৰতিজন সেৱকৰে প্ৰতিজন দাসৰে নিজস্ব নিবেদন। ভক্তিৰসৰ সুন্দৰভাৱে সাধাৰণীকৰণ ঘটা দেখা যায়। প্ৰতিটো ঘোষাই, প্ৰতিটো প্ৰাৰ্থনাই যেন প্ৰতিজনৰে প্ৰাণস্পৰ্শী অতি আপোন আত্মনিবেদন। ভক্তৰ এইবোৰ যেন হিয়াৰ আমঠু, অতি সাঁচতীয়া ধন। এই আত্মনিবেদনত, দাস্যভাবৰ প্ৰকাশত সহায়ক হৈছে বছা-বছা কৰুণা-বিগলিত শব্দৰ প্ৰয়োগ তথা সাভিপ্ৰায়যুক্ত শব্দভাণ্ডাৰ। নানা অনুপাতেৰে, মিশ্ৰণেৰে নিৰ্মিত শীতল পেয়ই উষ্ণতা নিবাৰণ কৰাৰ দৰে এই সুন্দৰ শব্দ-ব্ৰহ্মৰ যথাবিহিত প্ৰয়োগে সংসাৰৰ জ্বলা-জুই, পৰিতাপ পৰিত্ৰাণ কৰি অশান্ত হৃদয়খন শাঁত কৰাত সহায়ক হৈছে। প্ৰতিটো ঘোষাই যেন গা-মন জুৰ পেলায়, মনত শান্তি আৰু অনাবিল আনন্দ দিয়ে। ৰসৰাজ বেজবৰুৱাৰ ভাষাত ক’বলৈ হ’লে শংকৰ-মাধৱ আমাৰ আঁচলৰ নিধি[17] আৰু ধৰ্মৰ বিষয়ত আমাৰ দেশ আন সকলো দেশতকৈ ধনী।

এইক্ষেত্ৰত সোণতে সুৱগা চৰাইছে অতি মৰমেৰে, অতি আপোনভাৱেৰে, ভাতৃত্ববোধেৰে কৰা আকুল আহ্বানে। জীৱনৰ অন্তিম কালত[18] ৰচিত ‘নাম-ঘোষা’খনত অৰ্দ্ধশতাধিকবাৰ ‘ভাই’[19] শব্দৰ প্ৰয়োগ দেখা যায়। ‘ভাই’ বুলি সম্বোধন কৰি হ’লেও সকলোকে আপোন কৰি দাস্য-ভক্তিৰ প্ৰৱল ধাৰা এটি ভক্ত সমাজত বোৱাবলৈ চেষ্টা কৰিছে। কেতিয়াবা একেটি ঘোষাতে একাধিকবাৰ (অধোলিখিত দৃষ্টান্তত চাৰিবাৰ) ‘ভাই’ শব্দৰ প্ৰয়োগে এই মহান প্ৰয়াসৰ পটন্তৰ হিচাপে ধৰা পৰিছে, গা-মূৰ পিহি যেন সহোদৰক পতিয়ন নিয়াবলৈ অহোপুৰুষাৰ্থ চেষ্টা কৰিছে—

ভজ ভাই মাধৱক স্মৰ ভাই মাধৱক
গাৱ ভাই মাধৱৰ গুণ।
নিচিন্ত আপোন মাৰসুখে আপোনাক তাৰ
হুয়োভাই পৰম নিপুণ।।—পৃ. ৬৩৫

এইক্ষেত্ৰত আৰু এখোপ ওপৰত উঠাত সহায় কৰিছে পুনৰুক্তি প্ৰকাশ তথা আবৃত্তিৰ প্ৰয়োগে। অতি গভীৰভাৱে, স্থায়ী ৰূপত হৃদয়ত অমৃত সাঁচ পেলাবলৈ সক্ষম হৈছে এই পুনৰুক্তি প্ৰকাশৰ জৰিয়তে। উপযুক্ত স্থানত উপযুক্ত ভাৱক সম্প্ৰেষণ কৰাৰ মানসেৰে কিছুমান শব্দৰ একাধিক বাৰ প্ৰয়োগ কৰা দেখা যায়। এটি উদাহৰণ দাঙি ধৰা হ’ল—

ৰাম কৃষ্ণ হৰি ৰাম কৃষ্ণ হৰি
ৰাম কৃষ্ণ হৰি ৰাম।
ৰাম কৃষ্ণ হৰি বুলিয়া তেজিয়ো
ধৰ্ম অৰ্থ মোক্ষ কাম।।—পৃ. ৬৫৯

‘সত্য-সত্য তিনি সত্য’ বুলি কাণত ধৰি সইত কঢ়াৰ দৰে ‘নাহি’ শব্দৰ কি সুন্দৰ ত্ৰি প্ৰয়োগেৰে নিজৰ বক্তব্যক দৃঢ়ভাৱে স্থাপন কৰিবলৈ সক্ষম হৈছে —

শ্ৰীমন্ত শংকৰ হৰি ভকতৰ
জানা যেন কল্পতৰু।
তাহান্ত বিনায় নাহি নাহি নাহি
আমাৰ পৰম গুৰু।। —পৃ. ৬৮৮

সমগ্ৰ ‘নাম-ঘোষা’ৰ মাজেৰে দাস্যভেক্তিৰ এটি প্ৰবল ধাৰা প্ৰবাহিত হৈছে। ‘দীনভাৱাপন্ন’, আত্মখেদত কাতৰ মাধৱদেৱৰ কৰুণ-কৰুণাময় ব্যক্তিত্বই আত্মপ্ৰকাশ কৰিছে।[20] দাস্যভক্তিৰ ক্ষেত্ৰত যদি ভাৰতীয় কোনোবা কবিৰ লগত মাধৱদেৱৰ তুলনা কৰিবলগীয়া হয়, তেনেহ’লে এটাই নাম পোনতে মনলৈ আহে— হিন্দী সাহিত্যৰ তুলসীদাস।[21] কোনজনা কবি কাতকৈ শ্ৰেষ্ঠ বা নিম্ন তাক ক’বলৈ টান যদিও এটা কথা নিৰ্বিবাদে ঘোষাণা কৰিব পাৰি যে দাস্যভক্তিৰ ক্ষেত্ৰত দুয়োয়োজনাৰ বৰ্ণন-শৈলী, ভাৱ-বিচাৰ, অনুভূতি, সম্প্ৰেষণীয়তা অপূৰ্ব। নিজৰ-নিজৰ ক্ষেত্ৰত, সাহিত্য জগতত দুয়োজনৰে সুকীয়া বৈশিষ্ট্য আছে আৰু শীৰ্ষস্থান অধিকাৰ কৰিবলৈ সক্ষম হৈছে। ‘নাম-ঘোষা’ অসমীয়া সাহিত্যৰ ‘বিনয়পত্ৰিকা’।[22]

মহাপুৰুষীয়া বৈষ্ণৱ ধৰ্মৰ আদৰ্শই হৈছে নিজকে ভগৱানৰ দাস বুলি দেহ-মনেৰে ভগৱানৰ সেৱা কৰাটো।[23] পৰম গুৰু শংকৰৰ বাণীকেই সাৰোগত কৰি নববিধ ভক্তিৰ ভিতৰত দাস্য ভক্তিকেই অধিক প্ৰাধান্য দিছে শিষ্য মাধৱদেৱে। এই ক্ষেত্ৰত মাধৱদেৱ এখোজ আগত যেনহে লাগে। মাধৱদেৱ যেন দাস্যভাৱৰ প্ৰতিমূৰ্ত্তিহে। দাস্যভক্তিৰ আন এটা নাম যেন ‘নাম-ঘোষা’।

দাস্যভক্তিৰ দৃষ্টিৰে মূল্যাংকন নকৰিলেও সামান্য দৃষ্টিৰে যদি চাওঁ, তেতিয়াও ক’ব লাগিব যে ধৰ্মগ্ৰন্থ হিচাপে, প্ৰাৰ্থনা পুথিৰূপে ‘নাম-ঘোষা’ অতুলনীয়। ই এখন উচ্চ-মানদণ্ডৰ মুক্তক কাব্য। উত্তৰ ভাৰতীয় ভক্ত সমাজত ‘ৰামচৰিতমানস’ৰ যি স্থান সেই একে স্থান দখল কৰি আছে অসমীয়া সমাজৰ ‘নাম-ঘোষা’ই। আজীৱন কৌমাৰ্য্যব্ৰতী অনন্য ভক্ত কবি মাধৱদেৱে সংসাৰৰ সকলো মায়া-মোহ পৰিত্যাগ কৰি ভগৱানৰ অৰুণ-চৰণত শৰণ লৈ দাস্যভাৱেৰে যি আত্মনিবেদন কৰিলে সেয়াই ‘নাম-ঘোষা’ আৰু ই অসমীয়াৰ আপুৰুগীয়া সম্পদ।❑

**পাদটীকা ঃ**

১। মাধৱদেৱৰ ব্যক্তিত্ব আৰু কৃতিত্ব, ডা. কৃষ্ণনাৰায়ণ প্ৰসাদ মাগধ, পূৰ্বোত্তৰ প্ৰদেশীয় মাৰৱাড়ী সন্মিলন, গুৱাহাটী, চন ১৯৭৯, পৃ. ৮৮

২। অসমীয়া সাহিত্যৰ ৰূপৰেখা, ডা. মহেশ্বৰ নেওগ, চন্দ্ৰ প্ৰকাশ, গুৱাহাটী, চন ১৯৮৬, পৃ. ৯৭

৩। ‘নামঘোষা’ ডা. বাণীকান্ত কাকতি, ডা. ভূপেন্দ্ৰ ৰায়চৌধুৰী সম্পাদিত মহাপুৰুষ শ্ৰীশ্ৰীমাধৱদেৱ, বৰপেটা সত্ৰৰ অন্তৰ্গত, চন ১৯৮৯, পৃ. ১০৮

৪। অসমীয়া সাহিত্যৰ ৰূপৰেখা, ডা. মহেশ্বৰ নেওগ, চন্দ্ৰ প্ৰকাশ, গুৱাহাটী, চন ১৯৮৬, পৃ. ৯৮

৫। মহাপুৰুষ শ্ৰীশ্ৰীমাধৱদেৱ, সম্পা. , ডা. ভূপেন্দ্ৰ ৰায়চৌধুৰী, বৰপেটা সত্ৰ, চন ১৯৮৯, পৃ. ১১৭

৬। কীৰ্ত্তনঘোষা আৰু নামঘোষা, সম্পা. শ্ৰীদামোদৰ দেৱ গোস্বামী, বুকলেণ্ড গুৱাহাটী, পৃ. সম্পাদকৰ দুষাৰ, পৃ. ১০

৭। মাধৱদেৱৰ ব্যক্তিত্ব আৰু কৃতিত্ব, ডা. কৃষ্ণনাৰায়ণ প্ৰসাদ মাগধ, পূৰ্বোত্তৰ প্ৰদেশীয় মাৰৱাড়ী সম্মেলন, গুৱাহাটী, চন ১৯৭৯, পৃ. ৯১

৮। মাধৱদেৱ ঃ সাহিত্য, কলা আৰু দৰ্শন, ডা. কৰবী ডেকা হাজৰিকা, বনলতা প্ৰকাশ, চন ১৯৮৭, পৃ. ১২১

৯। নৱধাভক্তি হৈছে — শ্ৰৱণ, কীৰ্ত্তন, স্মৰণ, অৰ্চন, বন্দন, পদ সেৱন, দাস্য, সখ্য আৰু আত্মনিবেদন

১০। অসমৰ বৈষ্ণৱ দৰ্শনৰ ৰূপৰেখা, আচাৰ্য্য মনোৰঞ্জন শাস্ত্ৰী, সম্পা. বাণীকান্ত কাকতি, বাণী প্ৰকাশ, গুৱাহাটী, চন ১৯৯১, পৃ. ৩৮

১১। ক্ৰৌঞ্চ পক্ষীৰ বিলাপ আটাইতকৈ বেদনাদায়ক। আদিকাব্য ৰামায়ণ ৰচনাৰ মূলতে হৈছে এই বিলাপ
মা নিষাদ প্ৰতিষ্ঠাং শাশ্বতী ত্বমগমসমাঃ।
য়ত ক্ৰৌঞ্চ মিথুনাদেকম কামমোহিতম্।।

১২। মুক্তিত নিস্পৃহ মাধৱদেৱে নামঘোষাৰ আৰম্ভণিতে মঙ্গলাচৰণ ৰূপত এইদৰে ঘোষা বৰ্ণনা কৰিছে —
মুক্তিত নিস্পৃহ যিটো সেহি ভকতক নমো
ৰসময় মাগোহো ভকতি।
সমস্ত মস্তক মণি নিজ ভকতৰ বশ্য
ভজো হেন দেৱ যদুপতি।।
— পৃ. ৬১২

১৩। মুক্তি পাঁচবিধ (ক) সালোক্য (খ) সামীপ্য (গ) সাৰূপ্য (ঘ) সাযুজ্য (লীন) আৰু (ঙ) সাৰ্ষ্টি

১৪। মাধৱদেৱ ঃ সাহিত্য, কলা আৰু দৰ্শন, ডা. কৰবী ডেকা হাজৰিকা, বনলতা প্ৰকাশ, চন ১৯৮৭, পৃ. ৩৯

১৫। অসমৰ বৈষ্ণৱ দৰ্শনৰ ৰূপৰেখা, আচাৰ্য্য মনোৰঞ্জন শাস্ত্ৰী, সম্পা. বাণীকান্ত কাকতি, বাণী প্ৰকাশ, গুৱাহাটী, চন ১৯৯১, পৃ. ৩৮

১৬। আত্ম উপদেশ, নামঘোষা, পৃ. ৬৩০-৬৩১

১৭। তত্ত্বকথা, লক্ষ্মীনাথ বেজবৰুৱা, লয়াৰ্ছ বুক ষ্টল, চন ১৯৯২, পৃ. ১৩৫

১৮। নামঘোষাৰ ৰচনা কালঃ
(ক) কথা গুৰুচৰিত (পৃ.২১৮)ৰ মতে গুৰু শংকৰদেৱৰ অনুৰোধ ৰক্ষা কৰি শিষ্য মাধৱদেৱে নামঘোষাৰ ৰচনা চন ১৫৬৮ত কৰা যেন লাগে।
(খ) শ্ৰীহৰমোহন দাসে নামঘোষা ঃ ইনট্ৰোডাকচন পৃ. ৪ত পাটবাউসীত থকা সময়ত চন ১৫৩০ত মাধৱদেৱে ৰচনা কৰা বুলি অনুমান কৰে।
(গ) শ্ৰীবাপচন্দ্ৰ মহন্তই ‘নামঘোষাঃ তত্ত্বদৰ্শন’ পৃ. ২৪১ত চন ১৫৭০ৰ পূৰ্বৰ ৰচনা বুলি অনুমান কৰে।
(ঘ) ডা. বাণীকান্ত কাকতি, তীৰ্থনাথ শৰ্মা, ডা. সত্যেন্দ্ৰনাথ শৰ্মাই ‘নামঘোষা’ক মাধৱদেৱৰ জীৱনৰ অন্তিম কালৰ ৰচনা বুলি কয়।

১৯। ভায়েকৰ মাজত তেজৰ সম্বন্ধ থাকে। এই তেজৰ সম্বন্ধই সকলো ভেদ-ভাৱ, বৈমনুষ্যত্ব নাশ কৰি ভাতৃত্ববোধ গঢ়ি তোলে। সেয়েহে ভাই বুলি শুনাৰ লগে লগে এটি আপোনভাৱ জাগি উঠে। চিনেমা, সাহিত্য আদিত ইয়াৰ যথেষ্ঠ উদাহৰণ দেখা পাওঁ।

২০। অসমীয়া সাহিত্যৰ সমীক্ষাত্মক ইতিবৃত্ত, ডা. সত্যেন্দ্ৰনাথ শৰ্মা, অৰুণোদয় প্ৰেছ, গুৱাহাটী, চন ২০০৬, পৃ. ১৩০

২১। তুলসীদাস হিন্দী ৰামভক্ত কবি সকলৰ ভিতৰত শ্ৰেষ্ঠ। মধ্যযুগীয় সৰ্বভাৰতীয় ভক্তি আন্দোলনত তুলসীদাসৰ যথেষ্ট বৰঙণি আছে। এখেতৰ শ্ৰেষ্ঠ ৰচনা হৈছে ‘ৰামচৰিতমানস’।

২২। ‘বিনয়-পত্ৰিকা’ তুলসীদাসৰ ভক্তিমূলক কাব্য। ইয়াত দাস্য-ভক্তিৰ চৰম নিদৰ্শন পোৱা যায়।

২৩। মাধৱদেৱ ঃ সাহিত্য, কলা আৰু দৰ্শন, ডা. কৰবী ডেকা হাজৰিকা, বনলতা প্ৰকাশ, চন ১৯৮৭, পৃ. ১২০

# ভাববাদ আৰু জড়বাদৰ সামাজিক মূল্যবোধ ঃ চমু পৰ্যালোচনা

বিপিন চুতীয়া

পৰিৱৰ্তিত সামাজিক প্ৰেক্ষাপটত বিভিন্ন দাৰ্শনিক মতবাদৰ ভিতৰত ভাববাদ (Idiology) আৰু বস্তুবাদ (Materialism) এ প্ৰভাৱ বিস্তাৰ কৰিছে। দুয়োটাৰে মাজত যথেষ্ট বৈষম্য আছে আৰু আধুনিক সমাজখনে ইয়াৰ যি কোনো এটা মতবাদৰ ছত্ৰছাঁয়াত অগ্ৰসৰ হৈছে। কোনটো মতবাদৰ পৰিণতি কি হ'ব পাৰে, তাক দৃঢ়ভাৱে পৰ্যালোচনা কৰাৰ সময় আহি পৰিছে। সমাজৰ পৰিৱৰ্তন অৱধাৰিত আৰু তাক ৰোধ কৰিব পৰা নাযায়। সমাজে জড়বাদৰ কবলৰ পৰা আঁতৰি আহি ভাববাদৰ মূল্যবোধক আদৰি ল'লে ভাল হয় আৰু দুয়োটা বাদ তুলনামূলক অধ্যয়নৰ যোগেদি সত্যান্বেষণ কৰি সংস্কাৰমুখী মনোভাৱেৰে সমাজখনক আগবঢ়াই নিয়া উচিত।

**জড়বাদ** (Materialism) ঃ 'জড়' মানে প্ৰাণ বা চৈতন্যহীন সত্তা। জড়বাদ মতে জড়েই হ'ল পৰম সত্তা। জগতৰ সকলো বস্তু জড়ৰ পৰাই উদ্ভৱ হৈ ধ্বংস হ'লে জড়তেই বিলীন হৈ যায়। জড়ৰ পৰা উদ্ভৱ নোহোৱা কোনো বস্তুৱেই জগতত নাই। এই বাদ মতে প্ৰাণ আৰু মন জড়ৰ পৰাই সৃষ্টি হয়। বিস্তৃতি আৰু অভেদ্যতা জড়ৰ প্ৰধান গুণ। এই মত অনুসৰি বিশ্বজগত সৃষ্টি হৈছে জড়ৰ গতি (Motion) আৰু জড়ৰ যান্ত্ৰিক সংযোগত। জড়বাদীয়ে আদৰ্শৰ অস্তিত্ব স্বীকাৰ নকৰে। পৰমাণুৰ দ্বাৰা জড় পদাৰ্থ গঠিত হৈছে। সেই বাবে পৰমাণু জগতৰ মূল উপাদান। জৈৱিক আৰু মানসিক প্ৰক্ৰিয়াবোৰকো যান্ত্ৰিকভাৱে ব্যাখ্যা কৰে। পৰমাণুৰ যান্ত্ৰিক সমাবেশ আৰু আকস্মিক সমাৱেশৰ দ্বাৰা সৌৰমণ্ডলৰ সৃষ্টি হৈছে। প্ৰাকৃতিক জগতৰ শ্ৰেষ্ঠ জীৱ মানুহৰ দেহ, প্ৰাণ আৰু মন— জড়ৰ ক্ৰমবিকাশৰ দ্বাৰা উদ্ভৱ হৈছে। পৰমাণুৰ যান্ত্ৰিক আৰু আকস্মিক সংযোগত সৃষ্টি হোৱা জীৱকোষৰ দ্বাৰা প্ৰাণীবোৰ আৰু প্ৰাণীৰ চেতনা উদ্ভৱ হৈছে। মস্তিষ্কৰ ক্ৰিয়াৰ দ্বাৰা মনৰ চেতনাৰ সৃষ্টি হৈছে। আত্মা, ঈশ্বৰ, আধ্যাত্মিকতাক জড়বাদে স্বীকাৰ নকৰে। মানৱ মনৰ নিয়ামক বুদ্ধিৰ কোনো অস্তিত্ব জড়বাদত নাই।

**ভাববাদ** (Idiology) ঃ জ্ঞাতা আৰু জ্ঞেয়ৰ সম্পৰ্ক ঘটিলে জ্ঞানৰ উদয় হয়। জ্ঞাতা হৈছে মন আৰু জ্ঞেয় হৈছে মনে জনা বস্তু (Object of knowledge)। জ্ঞেয়ক বাস্তৱ বস্তু বা তত্ত্ব (Reality) বা সত্তা বোলে। আমি চকুৰে দেখা আৰু জ্ঞানেৰে বিচৰা বস্তুটোৱেই মনৰ ধাৰণা। এনে তত্ত্ব সম্বন্ধীয় মতবাদক দুভাগত বিভক্ত কৰা হয়— বাস্তৱবাদ (Realism) আৰু ভাববাদ (Idealism)। ভাববাদীসকলৰ মতে চেতনাই হ'ল হ'ল একমাত্ৰ সত্তা; মন বা চেতনাৰ লগত সমন্ধ নোহোৱা কোনো বস্তু থাকিব নোৱাৰে। বাস্তৱবাদৰ উৎপত্তি আগ আৰু ভাববাদ পাছৰ সৃষ্টি।

ভাৰতীয় দৰ্শন মতে 'মন' অন্তৰেন্দ্ৰিয় (Internal Sense) আৰু চকু, কাণ, নাক, জিভা, ছাল এই পঞ্চ জ্ঞানেন্দ্ৰিয়ৰ লগত মনৰ পোনপতীয়া সম্বন্ধ। আত্মা হ'ল জ্ঞাতা আৰু ই সকলো ইন্দ্ৰিয়ৰ সহায়ত জ্ঞান লাভ কৰে। আত্মাক কৰ্তাও বোলে, ভোক্তাও বোলে। মনৰ কাম তিনিটা— অনুভূতি (feeling), ইচ্ছা (Willing) আৰু চিন্তা (Thinking)।

মনৰ কাৰ্যক নিয়ন্ত্ৰণ কৰিবলৈ বুদ্ধি আছে আৰু ইয়াক চেতনাও বুলিব পাৰি। চেতনাই অভিজ্ঞতা সম্বন্ধে অৱগত হয়। চেতনা আত্মাৰ বৈশিষ্ট্য। ভাববাদীসকলে জড়বাদক গ্ৰহণীয় বুলি নাভাবে। চেতনা উৎপত্তি হয় জড়ৰ পৰা বুলি জড়বাদীয়ে কোৱা কথা খণ্ডন কৰি ভাববাদীয়ে কৈছে যে জড় আৰু চেতনাশক্তি সম্পূৰ্ণ পৃথক সত্তা। গতিকে জড়ৰ পৰা মন বা চেতনাশক্তি উদ্ভৱ নহয়। জড়বাদৰ পৰমাণুৰ পৰা জগতৰ সকলো বস্তুৰ উৎপত্তি হয় বোলা যুক্তিক ভাববাদীয়ে কয় যে পৰমাণুৰ সংযোগৰ ফলত জগতৰ ঐক্য, সামঞ্জস্য, শৃঙ্খলা, সূক্ষ্ম-কলা-কৌশল আদিৰ ব্যাখ্যা দিব পৰা নাযায়। জড়বাদত ধৰ্মৰ স্থান নাই আৰু ঈশ্বৰৰ অস্তিত্ব স্বীকাৰ নকৰে। জড় যান্ত্ৰিক।

ধৰ্ম নাই, ঈশ্বৰ নাই বোলা জড়বাদক নাস্তিক বোলা হয় আৰু ই নাস্তিক দৰ্শনৰ মত। আস্তিক দৰ্শনৰ ভিতৰত ভাববাদ, আদৰ্শবাদ, আধ্যাত্মবাদ, অভিজ্ঞতাবাদ, পুৰুষবাদ, অতীন্দ্ৰিয়বাদ, দ্বৈতবাদ, অদ্বৈতবাদ আদি পৰে। জড়বাদৰ অন্তৰ্গত হৈছে ভোগবাদ। ভোগবাদীসকলে ভোগকেই জীৱনৰ চৰম লক্ষ্য বুলি অগ্ৰসৰ হৈছে আৰু আধ্যাত্মবাদীসকলে জীৱনৰ মুক্তিকেই মূল লক্ষ্য হিচাপে লৈছে আৰু বৰ্তমান সমাজত ভোগবাদে প্ৰসাৰ লাভ কৰিছে। 'প্ৰেয়'ই ভোগ বা জড়বাদ আৰু 'শ্ৰেয়'ই হৈছে ভাববাদীসকলৰ প্ৰধান লক্ষ্য।

দৰ্শন মূলতঃ দুবিধ— আস্তিক আৰু নাস্তিক। ভাৰতীয় দৰ্শন ছয় ভাগত বিভক্ত— সাংখ্য, যোগ, বৈশেষিক, মীমাংসা, ন্যায় আৰু বেদান্ত দৰ্শন। মীমাংসা, চাৰ্বাক, বৌদ্ধ, জৈন দৰ্শন নাস্তিক। নিজৰ বিষয়ে, বিশ্বৰ সম্বন্ধে, নিজৰ লগত বিশ্বৰ সম্বন্ধ, বিশ্বস্ৰষ্টা আৰু বিশ্বৰ ৰহস্য উদ্ঘাটন কৰিবলৈ দৰ্শন শাস্ত্ৰই চেষ্টা কৰে। দৰ্শন আৰু বিজ্ঞান আৰু ধৰ্মৰ মাজত সম্বন্ধ আছে আৰু ই বেদৰ অঙ্গ। বিজ্ঞান সত্য তথ্যৰ ওপৰত প্ৰতিষ্ঠিত আৰু দৰ্শন সত্যৰ যুক্তিনিষ্ঠ অন্বেষণ। ধৰ্ম বিজ্ঞান আৰু দৰ্শনৰ ওপৰত প্ৰতিষ্ঠিত। বিজ্ঞানে ঢুকি নোপোৱা অৱস্থা হ'লে দৰ্শনৰ আশ্ৰয় ল'ব লগা হয়, আৰু দৰ্শনৰ সামৰণিত ধৰ্মৰ উদ্ভৱ হয়।

জড়বাদী ভাবধাৰাত কেৱল পদাৰ্থ বিজ্ঞানৰ ওপৰতহে গুৰুত্ব আৰোপ কৰা হয়। মানৱীয় মূল্যবোধ, ঈশ্বৰৰ অস্তিত্ব, সত্য-শিৱ-সুন্দৰৰ ধাৰণা, হৃদয়ৰ আৱেগ-অনুভূতি আদিৰ ওপৰত জড়বাদে গুৰুত্ব নিদিয়ে। জীৱনৰ উপভোগৰ ওপৰত এইবাদে গুৰুত্ব প্ৰদান কৰিছে। জৈৱিক আকৰ্ষণ, জৈৱিক তৃপ্তি, ইন্দ্ৰিয়গণৰ তৃপ্তি সাধনৰ ওপৰত ভোগবাদে বিশেষ প্ৰাধান্য দিয়ে; 'খোৱা' পীয়া ফুৰ্তি কৰাই জীৱনৰ সাৰ্থকতা বুলি ভাবে। eat, drink and be merry– ওমৰ খয়ামৰ মতক ভোগবাদে মানি লৈছে। মানৱ দেহত থকা তত্ত্বসমূহৰ ওপৰত ভোগবাদে বিশেষ লক্ষ্য নাৰাখে। মানৱ দেহ পঞ্চভূতেৰে গঠন হৈছে। মাটি, পানী, বায়ু, আকাশ, অগ্নি— এই পঞ্চভূতৰ দ্বাৰা তৈয়াৰ হোৱা দেহত এই পদাৰ্থসমূহৰ মূল্য আছে বুলি ভাবে, হাত, ভৰি, মুখ, গুহ্য, লিঙ্গ— এই পঞ্চ কৰ্মেন্দ্ৰিয় প্ৰত্যক্ষ অঙ্গ হোৱাৰ বাবে ইয়াৰে কৰ্ম সম্পাদন কৰে। কিন্তু মন, বুদ্ধি, চিত্তৰ মাজত থকা তত্ত্ব উপলব্ধি কৰিব নিবিচাৰে। আত্মাৰ প্ৰাধান্য উপলব্ধি নকৰাৰ বাবে কৰ্মৰ পৰিণামৰ প্ৰতি জড়বাদৰ ভ্ৰূক্ষেপ নাই। আদৰ্শবাদ, জন্মান্তৰবাদ, পুনৰ জন্মবাদৰ কথা নাভাবি কেৱল ভোগবাদৰ ওপৰতে জড়বাদে গুৰুত্ব আৰোপ কৰে। জীৱনত যিমানবোৰ তৃপ্তি আছে, সেইবোৰ জীৱনত উপভোগ কৰাটো ভোগবাদৰ লক্ষ্য। 'ঋণং কৃত্বা ঘৃতং পীবেৎ' ধাৰ কৰিয়ো ঘিউ খাবলৈ তেওঁলোকে পৰামৰ্শ দিয়ে।

ভাৰতীয় দৰ্শন, বেদ আদিৰ মতে মানৱ জীৱনৰ ধৰ্ম, অৰ্থ, কাম, মোক্ষ— এই চতুৰ্বৰ্গৰ সাধন মূল লক্ষ্য আৰু ভক্তিসাধন আধ্যাত্মিক লক্ষ্য। পাশ্চাত্য দৰ্শন মতে এইবোৰৰ মূল্য নাই আৰু নিৰীশ্বৰবাদৰ ওপৰত প্ৰতিষ্ঠিত জড়বাদ আৰু ভোগবাদতহে আচল গুৰুত্ব।

বেদ, উপনিষদ, পুৰাণ, গীতা, ভাগৱত, ৰামায়ণ, মহাভাৰত আদি শাস্ত্ৰসমূহে ঈশ্বৰৰ অস্তিত্ব, দেব-দেৱতাৰ প্ৰভাৱ, ধৰ্মৰ প্ৰভাৱ, আধ্যাত্মিক-নৈতিক ভাবাদৰ্শ আদিৰ ওপৰত গুৰুত্ব আৰোপ কৰি ভাৰতীয় সমাজ পৰম্পৰা চালিত হৈ আহিছে। সত্য, অহিংসা, মানৱীয় শ্ৰদ্ধা-প্ৰীতি, ভাতৃত্ববোধ, সহানুভূতিশীলতা, ঐক্য সংহতি আদি ভাবেৰে উদ্বুদ্ধ হৈ মানৱ সমাজ গঢ়ি উঠিছে। বেদৰ সনাতন সত্যৰ অন্বেষণ কৰি মহা মহা সাধক, মুনিসকলে মানৱৰ আত্মাৰ উৎকৰ্ষৰ হকে যিবিলাক নীতি-নিয়ম-আচাৰ সাধন পদ্ধতি সৃষ্টি কৰিলে, সেইবোৰ হৈছে মহাজাগতিক সত্যবাণী (Universal truth or Recorded speech)। মহাজাগতিক জ্ঞানশক্তি (cosmic Intelligence) আৰু মহাজাগতিক ক্ৰিয়া শক্তি cosmic energy) যাক বোলা হয় জগতৰ কাৰণ আৰু কাৰ্য; পৰমব্ৰহ্মৰ পৰা অহা মহান তত্ত্ব। জড়বাদত এনে তত্ত্ব পোৱা নাযায়।

বেদান্ত-সাংখ্য আদিয়ে সৃষ্টি সম্পৰ্কে, জগত সম্পৰ্কে জীৱ সম্পৰ্কে যিখিনি তত্ত্ব দাঙি ধৰিছে, তাক ডাৰউইনৰ দৰে বৈজ্ঞানিকেও বিৱৰ্তনবাদ তত্ত্ব (Theory of evolution)ত ৰূপ দিছে। মহাপুৰুষ শ্ৰীমন্ত শঙ্কৰদেৱে সৃষ্টি তত্ত্ব ব্যাখ্যা কৰোতে জগতৰ মহান তত্ত্ব পঞ্চ মহাভূত, পঞ্চ জ্ঞানেন্দ্ৰিয়, পঞ্চ তন্মাত্ৰ, পঞ্চ কৰ্মেন্দ্ৰিয়, মন, বুদ্ধি, চিত্ত, অহংকাৰ, প্ৰকৃতি-মহত্ত্ব পুৰুষ, তিনিগুণ আদিৰ বিশদ বৰ্ণনা দাঙি ধৰিছে। তেওঁ ব্ৰহ্মা, পৰমাত্মা, ভগৱন্ত এক তত্ত্ব বুলি কৈছে। ভোগবাদীয়ে ইন্দ্ৰিয় তৃপ্তিতে আবদ্ধ হৈ সমীমতে থাকে, অসীম অনন্তৰ কথা চিন্তা কৰিব নোৱাৰে। আহাৰ, নিদ্ৰা, মৈথুন ইতৰ প্ৰাণীয়েও কৰে; কিন্তু মানুহ হৈ মানুহে উৰ্দ্ধলৈ গতি কৰিব লাগিব। অতীন্দ্ৰিয় ভাবনাৰে অনন্ত কোটি ব্ৰহ্মাণ্ডৰ তত্ত্ব উৎঘাটন মানুহে কৰিব লাগিব।

ভোগবাদে আমুৱায়, বিকাৰ ঘটায়। ই প্ৰেয় বাবে সীমিত অৱস্থাত মানুহক আৱদ্ধ কৰি ৰাখে। শ্ৰেয় সাধনাৰ যোগেদিহে মানুহে মানুহৰ পৰা দেৱত্বলৈ, দেৱতাৰ পৰা ঈশ্বৰত্বলৈ উধাও হ'ব পাৰে। উপনিষদে কৈছে—

"অসতোমা সৎ গময়ং,
তমসো মা জ্যোৰ্তি গময়ঃ
মৃত্যুং মা অমৃতং গময়ঃ।"

'শ্ৰেয়' বা 'ভূমা'তহে সুখৰ আছে, 'অল্প'ত পোৱা সুখ মৃত্যু আছে।

"যো বৈ ভূমা তৎ সুখম্ নাল্পে সুখম্ অস্তি,
ভূমেব সুখম্।"

এতিয়া আমাৰ সাম্প্ৰতিক কালৰ সমাজৰ মূল্যবোধ আমি বিচাৰ কৰি স্থিৰ কৰিব লাগিব। সাম্প্ৰতিক সমাজত মূল্যবোধৰ অৱক্ষয় আহি পৰিছে। আধ্যাত্মিক জ্ঞান, নৈতিক জ্ঞান আয়ত্ত কৰাৰ আৰু বাস্তৱক্ষেত্ৰত প্ৰয়োগ কৰাৰ সময় সমাগত। বৰ্তমান যুগ বিজ্ঞান আৰু প্ৰযুক্তিৰ যুগ। গোলকীকৰণ বা বিশ্বায়নৰ প্ৰভাৱে সমস্ত বিশ্বক আৰু বিশ্বমানৱক একাকাৰ কৰি পেলাইছে। বিজ্ঞানৰ ন ন আৱিষ্কাৰ আৰু অৱদানসমূহে মানৱ সমাজক যান্ত্ৰিক সভ্যতাৰ উচ্চ শিখৰলৈ নিছে যদিও অৱদানসমূহক সৎব্যৱহাৰ কৰিবলৈ মন আৰু হৃদয়ত জ্ঞান আৰু সংযম লাগিব। মানুহে আত্ম উপলব্ধি কৰিব পাৰিব লাগিব। মানৱতাক পাহৰি যাব নালাগিব। বৰ্তমান মানৱ সমাজখনত অনৈতিক কাম সংঘটিত হ'ব ধৰিছে। আসুৰিক প্ৰবৃত্তি আৰু জান্তৱ শক্তিৰ উদ্‌গীৰণ হ'ব ধৰিছে, যাৰ ফলত হত্যা, হিংসা, লুণ্ঠন, ডকাইতি, ধৰ্ষণ আদিবোৰ সঘনে ঘটিব ধৰিছে।

ভোগবাদে মানুহক আকৰ্ষণ কৰিছে— বিলাসিতা, জাকজমকতাই মানুহক গ্ৰাস কৰিলে; সুমিষ্ট আহাৰ, ৰাগিয়াল দ্ৰব্যৰ সেৱন, বিলাসী জীৱন-ধাৰণ, আনন্দ-উলাহেৰে জীৱনক প্ৰাণ চঞ্চল কৰি তোলা আদিবোৰ যেন জীৱন শৈলীত স্বাভাৱিক নীতিত পৰিণত হৈছে।

সামাজিক ক্ষেত্ৰখনক বাদ দি ৰাজনৈতিক ক্ষেত্ৰখনতো একে ধামখুমীয়াৰ ছবি দেখিবলৈ পোৱা হৈছে। চাৰিত্ৰিফালে অস্থিৰতাই বিৰাজ কৰিব ধৰিছে। সংস্কৃতিৰ ক্ষেত্ৰখনতো অপসংস্কৃতিৰ প্ৰভাৱ দেখা গৈছে। পশ্চিমীয়া সভ্যতা শিকিলি যেন দুৰ্বল হৈ আহিছে। এই সকলোবোৰৰ গুৰিতে ভোগবাদৰ প্ৰতি, সমাজৰ সৰহসংখ্যক লোক আকৃষ্ট হোৱাটো।

বৰ্তমান সমাজক ৰক্ষা কৰিবলৈ, সংযত কৰিবলৈ মহাপুৰুষসকলৰ শিকনিসমূহ প্ৰাসংগিক হৈছে। অৱতাৰী পুৰুষসকলৰ সাধন মাৰ্গবোৰ আখৰে আখৰে অনুকৰণ কৰি প্ৰতিজন নাগৰিকে নিজৰ দেহ-মন-বুদ্ধি-চিত্তক সৎপথে পৰিচালিত কৰিবলৈ যত্ন কৰা উচিত। মহাপুৰুষ শঙ্কৰদেৱে মানৱ জাতিৰ উত্তৰণৰ বাবে নিৰ্মল ভাগৱত ধৰ্ম প্ৰৱৰ্তন কৰে। তেওঁ মানৱ জাতিক এক কৰি মানৱতাৰ শিক্ষাৰে উন্নত মানৱ কৰি গঢ়ি তুলিবলৈ যত্ন কৰিছিল। তাৰাৰ ধৰ্ম শিক্ষা আছিল বিশ্বজনীন। সকলো প্ৰাণীকে সমভাৱে চোৱা, অন্য ধৰ্মক নিন্দা নকৰা তেওঁৰ ভাবাদৰ্শ আছিল। বিশ্বৰ সকলো ধৰ্মৰে মূল লক্ষ্য পৰম সত্তাত বিশ্বাস ৰাখি সৎ কৰ্ম সাধন কৰি, আত্মউপলব্ধিৰে বিশ্বৰ সকলো প্ৰাণীকে এক ঈশ্বৰৰ সন্তান বুলি ভবা আৰু বিশ্বভাবাপূৰ্ণ হ'বলৈ শিকোৱা। খ্ৰীষ্টান ধৰ্মৰ বাইবেল, ইছলাম ধৰ্মৰ কোৰাণ, বৌদ্ধধৰ্মৰ তিপিত্ৰক, হিন্দু ধৰ্মৰ বেদ-গীতা-ভাগৱত শাস্ত্ৰৰ মূলতত্ত্ব— সত্য, অহিংসা আৰু মানৱ সেৱা। বিভিন্ন ধৰ্ম, বিভিন্ন পন্থা, বিভিন্ন সম্প্ৰদায় আৰু বিভিন্ন নীতি-আচাৰৰ লোক গোট খাই আমি সমাজ পাতি বাস কৰিছোঁ। যদিও আমি মূলতঃ মানুহ। মানুহে মানুহৰ বাবে বহুত কৰণীয় আছে।

ভাববাদীয়ে হওক, জড়বাদীয়েই হওক আস্তিক বা নাস্তিকেই হওক, আধ্যাত্মবাদীয়েই হওক মানুহ হিচাপে আমাৰ মাজত কোনো বিভেদ, বৈষম্যৰ ভাব নাৰাখি এক ভগৱানৰ সন্তান হিচাপে আমাৰ মাজত ঐক্য, সংহতি গঢ়ি তুলি, সুখে-শান্তিৰে জীয়াই থাকিবলৈ আমি যত্ন কৰা উচিত আৰু সামাজিক সম্প্ৰীতি অটুট ৰাখি প্ৰগতিৰ পথেদি আগবাঢ়ি যাবলৈ অহোপুৰুষাৰ্থ কৰা উচিত।

আমি বিশ্ব নাটঘৰৰ একো একোজন ভাৱৰীয়া। আমি নিজ নিজ ভাও দিছোঁ আৰু ভাওনাৰ অৱসানত আমি পৃথিবীৰ পৰা গুচি যামগৈ। জীৱন নাটৰ সামৰণি পৰাৰ আগতেই আমি অমূল্য মানৱ জীৱনৰ কিবা নহয় কিবা এটি চিন ৰাখি থৈ যাব লাগিব। সসীমৰ পৰা অসীমলৈ অকলে যাব লাগিব। জীৱনৰ সন্ধিয়া বেলা জীৱ-পক্ষী উৰি যোৱাৰ আগতে যোৱাৰ সম্বল গোটাই ল'ব লাগিব। এয়া জীৱনৰ আবেলিৰ অনুভৱ—

"বান্ধ ঐ টোপলি বেলি হ'ল আবেলি
সময়ো সৰহ নাই।
অকলৈ যাবাগৈ বাট পথ বুলি
বেলি থাঁকোতে বান্ধা টোপোলা টাপলি।।"

# পিতা-পুত্ৰৰ বিৰোধ

(১ পৃষ্ঠাৰ পৰা)

কেনেকৈ হিৰণ্যকশিপুৰ নিধন হব তাৰ কথাও দৈৱবাণীত প্ৰকাশ কৰিলে। ক'লে--

তানে পুত্ৰ বৈষ্ণৱ প্ৰহ্লাদ।
তাক কৰে যৈসানি বিবাদ।।
তেৱে তাক কৰিবো নিৰ্য্যাণ।
ভকতেসে জানা মোৰ প্ৰাণ।।

ভগৱন্তই দেৱতাসকলক আকাশবাণীৰে আশ্বস্ত কৰিলে যে তেওঁলোক হ'ল তেওঁৰ ভকত। ভকত হয় ভগৱন্তৰ প্ৰাণস্বৰূপ, ভকতৰ দুঃখ দেখিলে ভগৱন্তৰ হৃদয় ব্যথিত হয়। দেৱতাসকলক নিৰ্ভয়ে থাকিবলৈ ভগৱন্তই ক'লে—

নিৰ্ভয়ে থাকিয়ো দেৱগণ।
অল্পতে সিজিব প্ৰৱাজন।।

আকাশবাণীত যেনে ঘোষণা তেনে কাম। হিৰণ্যকশিপুৰ চাৰিজন পুত্ৰৰ জন্ম হ'ল। তাৰ ভিতৰতে প্ৰহ্লাদ হ'ল অতি বৈষ্ণৱ। তেওঁ দিনে ৰাতিয়ে কেৱল বিষ্ণুকে চিন্তা কৰি থাকে। তেওঁ ইন্দ্ৰিয় দমন কৰি, সমস্ত প্ৰাণীকে আত্মসম জ্ঞান কৰিবলৈ ধৰিলে।

ইন্দ্ৰিয়ক কৰিলা নিয়ম।
প্ৰাণীক দেখন্ত আত্মসম।।

প্ৰহ্লাদ ৰূপে-গুণে, বিদ্যাই-বুদ্ধিয়ে পাৰ্গত, তথাপিতো তেওঁ নিৰহঙ্কাৰী। মনত অকণো গৰ্ব নাই। তেওঁ সুখে দুখে সকলো সময়ত সমান।

দুঃখতো উদ্বেগ নুহি চিত্ত।
নাহি স্পৃহা সুখতো কিঞ্চিত।।

জীৱনত তেওঁক কোনো দুঃখেই টলাব নোৱাৰে। তেওঁৰ চিত্ত কতিয়াও উদ্বিগ্ন নহয়। অন্যহাতে সুখেও তেওঁক স্পৃহাযুক্ত, আসক্ত কৰি তুলিব নোৱাৰে। দৈত্যৰ ঘৰত দৈত্যৰ ঔৰসত, দৈত্যৰ উদৰত জন্ম লভিও তেওঁৰ গাত তিলমানো অসুৰৰ স্বভাৱ নাই।

অসুৰ স্বভাৱ এড়িলন্ত।
কাম জিনি ভৈল উপশান্ত।।

সমত্ব বুদ্ধিৰে, অনুদ্বিগ্ন মনেৰে প্ৰহ্লাদে সকলোকে আপোন কৰি লবলৈ সমৰ্থ হৈছিল। তেওঁৰ এনে নিৰহঙ্কাৰী, গৰ্বহীন স্বভাৱৰ ফলত চিৰবৈৰী দৈত্য হোৱা সত্বেও দেৱতাসকলে তেওঁক সাধুৰ্বাদ কৰিছিল।

মহাভক্ত প্ৰহ্লাদে বাল্যকালৰ পৰাই অৰ্থাৎ পাঁচ বছৰ বয়সৰ পৰাই ক্ৰীড়া এড়ি হৰিত ভকতি কৰিবলৈ ললে। ঈশ্বৰ সেৱাৰ ব্যতিৰেকে তেওঁ অন্য কোনো কথাতে ৰতি প্ৰীতি নকৰে, হৰি ব্যতিৰেকে তেওঁ অন্য একো কথাকে নাভাৱে।

সদায় কৃষ্ণৰ গুণ কহে।
চিত্তত ধৰিল কৃষ্ণ গ্ৰাহে।।
নেৰৈ মনে গোবিন্দৰ পাৱ।
কৃষ্ণত উপজৈ প্ৰেম ভাৱ।।
কৃষ্ণকে চিন্তন্তে দ্ৰৱে মন।
কেহো বেলা কৰন্ত ক্ৰন্দন।।

এয়ে প্ৰহ্লাদৰ কৃষ্ণ ভক্তি। গভীৰ ঈশ্বৰ বিশ্বাস। তেওঁ কেৱল কৃষ্ণৰ গুণগানতে নিজকে মজাই ৰাখে। কৃষ্ণগ্ৰাহে তেওঁৰ চিত্তত খামোচ মাৰি ধৰিলে। গোবিন্দৰ চৰণ যুগল মনৰ পৰা এক ক্ষণ মানো এড়ি নাযায়। কৃষ্ণ চৰণত তেওঁৰ প্ৰেম উপজিল। কেতিয়াবা কান্দে, কেতিয়াবা হাঁহে। কৃষ্ণ কৃষ্ণ বুলি চিঞৰি চিঞৰি কৃষ্ণক মাতে। লাজ কাজ এৰি কৃষ্ণ নাম লৈ নাচে।

হৰি বুদ্ধি হোৱৈ আপুনাক।
কতো কৰৈ কৃষ্ণৰ চেষ্টাক।।

কৃষ্ণগুণ গাই গাই, নাচি বাগি, কৃষ্ণ চেষ্টা কৰি কৰি ভক্ত প্ৰহ্লাদ তেন নিজেই হৰি হৈ গ'ল। চৌদিশে তেওঁৰ কেৱলমাত্ৰ কৃষ্ণ চেষ্টা।

হৰিষতে তনু লোমাঞ্চিত।
কৃষ্ণতে একান্ত ভৈল চিত্ত।
এহিমতে কৰন্ত ভকতি।
আন বিষয়ৰ নাহি ৰতি।।

কৃষ্ণ ভকতিত মহা আনন্দত তেওঁ সৰ্বশৰীৰ ৰোমাঞ্চিত হয়, তেওঁৰ চিত্ত একান্তভাৱে কৃষ্ণতে লীন গৈছে। সমস্ত সংসাৰৰ মায়া মোহৰ পৰা তেওঁ আতৰি গৈছে। এয়া কৃষ্ণ ভক্তিৰ মহিমা।

"কিবা সুশোভন পাঠ পঢ়ি আছা তাত।।"

দৈত্যগুৰু শুক্ৰাচাৰ্যৰ পুত্ৰ যণ্ড আৰু অমৰ্ক। প্ৰহ্লাদৰ শিক্ষাৰ দায়িত্ব এওঁলোকৰ ওপৰতেই ন্যস্ত কৰা হৈছিল। তেওঁলোকেই প্ৰহ্লাদক বামানয় শাস্ত্ৰৰ শিক্ষা দিছিল। প্ৰহ্লাদৰ লগতে বহুতো দৈত্য ছৱালেও এই বিদ্যালয়ত, এই কেইজন দৈত্যগুৰুৰ ওচৰতে শিক্ষা গ্ৰহণ কৰিছিল। প্ৰহ্লাদৰ মনত এই শিক্ষাই অকণো প্ৰভাৱ পেলাব পৰা নাছিল।

এদিনাখন হিৰণ্যকশিপুৱে অতি আদৰেৰে পুত্ৰ প্ৰহ্লাদক কোচত বহুৱাই লৈ আনন্দ মনেৰে সুধিলে-- প্ৰহ্লাদেনো গুৰুৰ ওচৰত কি কি পঢ়িছে, তেওঁনো কাক ভাল পায় এই কথা জানিবলৈ প্ৰশ্ন কৰিলে। দেউতাকৰ প্ৰশ্নৰ উত্তৰ প্ৰহ্লাদে পোনপটিয়াকৈ দিলে। তেওঁ দেউতাকক সম্বোধন কৰি কলে যে-- এইখন ঘৰ প্ৰকৃততে অন্ধকূপৰ দৰেহে, ইয়াক চৌদিশে অন্ধকাৰে আৱৰি ৰাখিছে, পোহৰৰ সঁচেই নাই। মায়া মোহত পৰি আমি এই অন্ধকাৰকে পোহৰ যেন জ্ঞান কৰো। সেইবাবে এই অন্ধকাৰ গৃহযানৰ পৰা ওলাই গৈ আমি তপোবনত একান্ত চিত্তে ভগৱন্তক আৰাধনা কৰিব লাগিব। ঈশ্বৰেহে পোহৰৰ অধিকাৰী। এই সংসাৰত ঈশ্বৰ সেৱাৰ ব্যতিৰেকে অনা কোনো ভাল পথ নাই। পুত্ৰৰ মুখত এনে উত্তৰ শুনি হিৰণ্যকশিপুৱে হাঁহি মাৰি দৈত্যগুৰুক কলে যে কোনোবা বৈষ্ণৱে তেওঁৰ পুত্ৰৰ মতি ভেদ কৰিছে, গতিকে তাক ভালকৈ দৈত্যশাস্ত্ৰ পঢ়ুৱাব লাগিব।

দৈত্যেন্দ্ৰৰ আজ্ঞা মতে যণ্ডামৰ্কই প্ৰহ্লাদক ঘৰলৈ আনি তেওঁক কোনে এনে বিপৰ্যয় বুদ্ধি দিলে হাঁহি হাঁহি সুধিলে। নতুবা এনে বুদ্ধি তেওঁৰ মনত আপোনাআপুনি জন্মিছেনেকি তাকো জানিব খুজিলে। এই প্ৰশ্ন অতি আথে বেথে দৈত্যকুলৰ নন্দন প্ৰহ্লাদক কৰিলে। প্ৰহ্লাদেও কৃষ্ণক বন্দনা কৰি অতি গভীৰভাৱে গুৰুপ্ৰশ্নৰ উত্তৰ দিলে।

ব্ৰহ্মা আদি কৰি যত দেৱতা পণ্ডিত।
যাহাৰ পস্থত হোন্ত মায়ায়ে মোহিত।।
যাৰ মায়া বিস্তৰৰ নাহি পৰিচ্ছেদ।
হেন হৰি কৰন্ত আন্মাৰ বুদ্ধি ভেদ।।

ব্ৰহ্মাকে আদি কৰি যিমানবোৰ পণ্ডিত দেৱতা আছে, সেইসকলেও ভগৱন্তৰ মায়াত মোহিত হৈ আছে। যিজন ভগৱন্তৰ মায়াই সমাজ জগতক মোহিত কৰি ৰাখিছে, সেইজন ভগৱন্ত হৰিয়ে তেওঁৰ বুদ্ধি ভেদ কৰিছে। অতি গুৰুত্বপূৰ্ণভাৱে প্ৰহ্লাদে কলে যে এয়া প্ৰকৃততে বুদ্ধি ভেদ কৰাৰ প্ৰশ্ন নহয়। এয়াহে প্ৰকৃত বুদ্ধি। কাৰণ--

চুম্বকত আছে লোহা ভ্ৰমে যেন ঠানে।
ভিন্ন ভৈল বুদ্ধি মোৰ বিষ্ণু সন্নিধানে।।

প্ৰকৃত সত্য উদ্ভাৱন কৰি প্ৰহ্লাদে কলে যে চুম্বকৰ কাষলৈ যিৰূপে লোহা আকৰ্ষিত হৈ আহে ঠিক একে দৰেই চুম্বক স্বৰূপ হৰিৰ কাষলৈ লোহাৰূপী আমাৰ মন, বুদ্ধি আদি সমস্তই আকৰ্ষিত হোৱাটো অতি স্বাভাৱিক।

যণ্ডামৰ্কই প্ৰহ্লাদৰ উত্তৰত অতি অসন্তুষ্ট হৈ ৰূঢ়ভাৱে তেওঁক গালি পাৰিব ধৰিলে আৰু পুনঃশ্চ দৈত্যৰ শিক্ষা দিবলৈ ধৰিলে। তৰ্জন গৰ্জন কৰি বিতৰভাৱে দেখুৱাই পঢ়ুৱালে। প্ৰহ্লাদক দৈত্যকুলৰ কণ্টক, মন্দবুদ্ধি আদি অনেক কটু কথা শুনালে। তাৰ পিছত পঢ়ুৱাই শুনুৱাই আনি এদিন দৈত্যেন্দ্ৰৰ ওচৰত চমজাই দিলে। তেওঁলোকৰ চিন্তা প্ৰহ্লাদে দৈত্য শাস্ত্ৰৰ ওজা হ'ল।

প্ৰহ্লাদে পিতৃৰ চৰণত সেৱা জনালে। হিৰণ্যকশিপুৱে দুয়োহাতে পুত্ৰক ডাঙি ধৰি কোলাত বহুৱাই ঘনে ঘনে মূৰ শুঙি হাঁহি হাঁহি তেওঁৰ পৰা পঢ়াশুনাৰ কথা জানিব খুজি সুধিলে--

কিবা সুশোভন পাঠ পঢ়ি আছা তাত।
গুৰুত শিকিলা কিবা কহিও আন্মাত।।

হিৰণ্যকশিপুৱে অতি আদৰেৰে, মৰম লগাকৈ পুত্ৰ প্ৰহ্লাদক তেওঁ শ্ৰীগুৰুৰ ওচৰত কি কি সুশোভন পাঠ অধ্যয়ন কৰি শিকিলে সুধিলে। তেওঁৰ পৰা জানিবলৈ বিচাৰিলে।

প্ৰহ্লাদৰ উত্তৰঃ পিতৃ হিৰণ্যকশিপুৰৰ প্ৰশ্নৰ উত্তৰত প্ৰহ্লাদে অতি আদৰ-সাদৰকৈ উত্তৰ দিলে। তেওঁৰ উত্তৰত উত্তম পাঠৰ ব্যাখ্যা কৰিলে। তেওঁ কলে যে যিসকলে ভগৱন্ত কৃষ্ণদেৱৰ শ্ৰৱণ-কীৰ্ত্তন, স্মৰণ, বিষ্ণুৰ পদসেৱন, অৰ্চন, দাস্য, সখিত্ব, বন্দন আৰু দেহা অৰ্পণ কৰে সেয়া হ'ল উত্তম পাঠ। এয়া কৃষ্ণদেৱৰ চৰণত নৱবিধ ভক্তি। এই ভক্তিৰ যোগেদিহে মনুষ্য জীৱন সফল হয়। এই জগতত এই ন বিধ ভক্তিৰ ব্যতিৰেকে অন্য কোনো উত্তম পাঠ নাই। আমি শুনিব লাগিব কৃষ্ণৰ গুণ-গৰিমা যাক কোৱা হয় শ্ৰৱণ বুলি। আমি গাব লাগিব নামগুণ-- এয়ে গুণ কীৰ্ত্তন। স্মৰণো কৰিব লাগিব বিষ্ণুকে। অৰ্চন, বন্দন, দাস্য, সখিত্ব, পদ সেৱন আদি সমস্তবোৰ বিষ্ণুৰ লগতে সম্পৰ্কিত। বিষ্ণুৰ বিনাই দেৱে নাহি নাহি আন।

পুত্ৰৰ মুখত ভ্ৰাতৃবৈৰী বিষ্ণুৰ নাম শুনাৰ লগে লগেই হিৰণ্যকশিপুৱে দৈত্য গুৰুদ্বয়ক অতি বেয়াকৈ, খঙেৰে গালি পাৰিবলৈ ধৰিলে। তেওঁলোকক অধম ব্ৰাহ্মণ বুলি তুচ্ছাৰ্থক শব্দেৰে সম্বোধন কৰি প্ৰহ্লাদক এনে শিক্ষা দিয়াৰ বাবে জগৰীয়া কৰিলে।

দৈত্যগুৰুদ্বয়ে বিনীতভাৱে তেওঁক জনালে যে তেওঁলোকে এইবোৰ পঢ়ুৱাই নাই, শিকোৱাও নাই-- তেওঁৰ পুত্ৰই স্বভাৱতেই বিষ্ণুৰ নাম লৈছে। এইবাৰ হিৰণ্যকশিপুৱে পুত্ৰৰ পৰা জানিব বিচাৰিলে-- গুৰুৱে নিশিকোৱাকৈ তেওঁ এনে বিমঙ্গল বাণী কিৰূপে কবলৈ শিকিলে।

প্ৰহ্লাদে এইবাৰ পিতৃৰ প্ৰশ্নৰ উত্তৰত গভীৰভাৱে তেওঁৰ বিষ্ণুভক্তিৰ তত্ত্ব কথা কবলৈ ধৰিলে। এই প্ৰসঙ্গত প্ৰহ্লাদে তলৰ কথাকেইটা দৃঢ়তাৰে অৱতাৰণা কৰিলে।

১। হে পিতৃ বিষয়ীৰ কোনো কালেই গতি লাভ নহয়। ২। কৃষ্ণত ৰতি প্ৰীতিও বিষয়ী গুৰুৰ পৰা সম্ভৱ হ'ব নোৱাৰে। ৩। নিজে বিষয়ী হৈ যদি কোনোজনে বিষয়ীজনকে গুৰু মানে তেতিয়াহ'লে এনে লোকে কোনো কালে তেনে গুৰুৰ পৰা সংসাৰ সমুদ্ৰ তৰিব নোৱাৰে। অন্ধ এজনে অন্য এজন অন্ধক যেনেকৈ পথৰ সন্ধান সঠিকৰূপে দিব নোৱাৰে ঠিক একেই ৰূপত বিষয়ী গুৰুজনেও বিষয়ীলোকক সংসাৰৰ সঠিক পথ নিৰ্দেশনা দিব নোৱাৰে। বিষ্ণুক এনে গুৰুৱে নিজে নাজানেই, গতিকে আনকো দৰ্শন কৰাব নোৱাৰে। ৪। মোহত অন্ধ হৈ মানুহে যি পৰ্যন্ত বৈষ্ণৱক উপাসনা নকৰে সেই পৰ্যন্ত তেওঁ কৃষ্ণৰ চৰণত ভকতি হব নোৱাৰে। কৃষ্ণৰ চৰণত ভকতি নহ'লে সংসাৰৰ বন্ধও মুকলি নহয়। এই কথা অতি নম্ৰভাৱে পিতৃ হিৰণ্যকশিপুক সম্বোধন কৰি প্ৰহ্লাদে জনালে।

এই বিৰোধ সংস্কাৰহীন অন্ধকাৰেৰে ভৰা বামানয় পন্থী দৈত্যেন্দ্ৰ হিৰণ্যকশিপুৰ আৰু তেওঁৰে ঔৰসত জন্ম হৈ নতুন যুগ, নতুন প্ৰজন্ম, নতুনসংস্কাৰ, স্বাগত জনোৱা বিষ্ণুভক্ত প্ৰহ্লাদৰ মাজৰ। সত্যৰ সদায় জয়। ঈশ্বৰ কৃষ্ণইহে পৰম সত্য। বাকীবোৰ অসাৰ, অনিত্য, মিথ্যা, অশাশ্বত, অসত্য অনিত্য। ইয়াৰ বাবেই যুগে যুগে বিৰোধ। অহঙ্কাৰী দৈত্যপতি হিৰণ্যকশিপুৱে কাকো নামানে। তেওঁৰ হৃদয়ত দয়া, মায়া, মৰম, চেনেহ, করুণা একোৱেই নাই। কোলাৰ পৰা প্ৰহ্লাদক দলিয়াই পেলাই গৰজি উঠিল। হুকুম দিলে তেনে পুত্ৰক মাৰি কাটি নিঃশেষ কৰি দিবৰ বাবে।

"ইহাৰ বিৰোধে জানিলো অৱশ্যে মোহোৰ হৈব বিনাশ"

ভ্ৰাতৃবৈৰী বিষ্ণুৰ প্ৰতি অনাবিল ভকতি আৰু এই ভক্তিৰ অনুৰাগত পিতৃৰ আজ্ঞাও লঙ্ঘন কৰি জগতৰ সমস্ত দুখ যাতনা সহ্য কৰা পুত্ৰ প্ৰহ্লাদৰ সমাহিত ৰূপ দেখি হিৰণ্যকশিপুৱে শঙ্কা প্ৰকাশ কৰিছে। তেওঁৰ ভাৱ হৈছে যে পুত্ৰ প্ৰহ্লাদৰ বিৰোধিতাৰ ফলতেই তেওঁৰ বিনাশ ঘটিব। কিন্তু নাশ কালৰ বিপৰীত বুদ্ধি। সন্মুখত মৃত্যু ভয় দেখিও, বিপদত আশঙ্কাত ভীতিগ্ৰস্ত হৈও তেওঁ নিজৰ সিদ্ধান্তত অচল।

কোচত লৈ থকা পাঁচবছৰীয়া পুত্ৰ প্ৰহ্লাদ। কোচৰ পৰা মাটিলৈ দলিয়াই দিছে। ৰাক্ষসসকলক আজ্ঞা কৰিলে প্ৰহ্লাদক বেৰি বেৰি মাৰিবলৈ বুলি। কাৰণ তেওঁ নিজৰ পিতৃ অথচ তেওঁক ভাল নাপায়, ভাল পায় ভাতৃবৈৰী বিষ্ণুক। ৰাক্ষসসকলে দৈত্যেশ্বৰৰ প্ৰচণ্ড আদেশ শুনি হাতত শূল লৈ প্ৰহ্লাদক শূলেৰে খুচি মাৰিবলৈ ধৰিলে। প্ৰহ্লাদে বিষ্ণুক সুমৰি এই শূলৰ আঘাতক কটাক্ষকে নকৰিলে। শূল ভোটা হৈ পৰিল। দঁতাল হাতীবোৰক আদেশ কৰিলে দাঁতেৰে খুচি মাৰিবলৈ। হাতীৰ দাঁত ভাগি গ'ল, পানীত ডুবাই ৰাখিলে, শ্বাস নিশেষ নহ'ল, পৰ্বতৰ ওপৰৰ পৰা পেলাই দিলে প্ৰহ্লাদৰ একোৱেই নহ'ল। বিষাক্ত সৰ্পৰ দ্বাৰাই খুটিয়ালে, বিষ নালাগিল, সাপৰহে দাঁত ভাগি গ'ল। গাত খান্দিক প্ৰহ্লাদক পুথি থলে কিন্তু নমৰিল, বিষ পান কৰোৱালে, কাম নিদিলে, হাত ভৰি বান্ধি জলন্ত অগ্নিত পেলাই দিলে। কিন্তু প্ৰহ্লাদক জুয়ে নুপুৰিলে।

সমস্ত অৱস্থাতে বিষ্ণুৰ চৰণ চিন্তি প্ৰহ্লাদে নিৰ্ভয় মনেৰে থাকিলে। কাৰণ প্ৰহ্লাদৰ বাবে এই জাগতিক ভয়-শঙ্কা, পীড়া, মৃত্যু সমস্তই মিছা-সঁচা কেৱল ভগৱন্তৰ চিন্তন, মনন আৰু চৰণ সেৱা।

এনে অৱস্থাত পৰি হিৰণ্যকশিপুৱে ভাবিবলৈ ধৰিলে, অতি গভীৰভাৱে তেওঁৰ মনলৈ ভাৱ আহিল। কি শক্তিৰ বলত প্ৰহ্লাদে এনে এটা নিৰ্বিকাৰৰূপ গ্ৰহণ কৰিব পাৰিছেঃ সি হিৰণ্যকশিপুক বিতত কৰি পেলালে। চিন্তা কৰিলেঃ

দেখি দৈত্যপতি মনত চিন্তয়
শ্ৰুতি নাই তাৰ গাৱে।।
আছোক মৰিব ভয় নুপুজয়
নেড়য় আন্মাৰ পাশ।
ইহাৰ বিৰোধে জানিলো অৱশ্যে
মোহোৰ হৈব বিনাশ।।

হিৰণ্যকশিপুক এনে অৱস্থাত পৰা দেখি দৈত্যগুৰু যণ্ড আৰু অমৰ্কই বিৰল স্থানত অতি কাতৰভাৱে দৈত্যেন্দ্ৰ হিৰণ্যকশিপুক সজ উপদেশ দিবলৈ ধৰিলে।

বৰুণৰ পাশে বান্ধি থৈয়ো কতকাল।
আপুনি বয়স হৈলে বুদ্ধি হৈব ভাল।।
হিৰণ্যকশিপু আশ্বস্ত হ'ল। ক'লে--
এহি হৌক বুলি পাছে মাতে দৈত্যেশ্বৰ।
শিখায়োক আক ৰাজনীতি নিৰন্তৰ।।

ৰাজনীতি শিকাবলৈ নিলে। বহুতো যত্নও কৰিলে। কিন্তু প্ৰহ্লাদে কৃষ্ণৰ চৰণত নিবিড়ভাৱে চিত্ত স্থাপনা কৰিলে।❑

# আদ্যশ্ৰাদ্ধ এখনলৈ গৈছিলোঁ

**সুৰেন বড়ি**

সম্বন্ধীয় বৰদেউতা বাপাইসিং বড়িৰ আদ্যশ্ৰাদ্ধলৈ বুলি ঘৰৰ পৰা যাত্ৰা আৰম্ভ কৰিলোঁ। বৰদেউতা শ্ৰীমন্ত শঙ্কৰদেৱৰ সঙঘৰ এগৰাকী একনিষ্ঠ সংগী আছিল। গোলাঘাট জিলাৰ গেলাবিল নৈৰ উত্তৰ পাৰত থকা আমাৰ মিচিংলোকসকলৰ মাজত মহাপুৰুষ শ্ৰীমন্ত শঙ্কৰদেৱে প্ৰৱৰ্তন কৰা একশৰণ নামধৰ্মৰ প্ৰচাৰ আৰু প্ৰসাৰত অতি গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰাৰ কাৰণে তেওঁক প্ৰচাৰক বুলিও আখ্যা দিব পাৰি। তেওঁ মিচিং সমাজত পৰম্পৰাগতভাৱে চলি থকা নীতি-নিয়মবোৰৰ পৰা মিচিং লোকসকলক পৰ্যায়ক্ৰমে আঁতৰি আহি একশৰণ নামধৰ্মত দীক্ষিত হ’বৰ কাৰণে অহৰহ চেষ্টা চলাইছিল আৰু তেনে চেষ্টাৰ ফলত লাহে লাহে সফল হৈছিল। দেৱীৰ ওচৰত ম’হ, ছাগলী, হাঁহ, পাৰ আদি আগবঢ়াই বলি দিয়া নীতিত বিশ্বাসী অনেক মিচিং সম্প্ৰদায়ৰ লোকে তেওঁৰ আশাসুধীয়া প্ৰচেষ্টাত বলি-বিধান সম্পূৰ্ণৰূপে বাদ দি একশৰণ নামধৰ্মত হাঁহি হাঁহি দীক্ষিত হৈছিল। গাহৰি মাৰি মৃতকৰ দহা-কাজ কৰা অনেক মিচিং লোকে তেনে দহা-কাজৰ বিধি চিৰদিনৰ কাৰণে পৰিহাৰ কৰি একশৰণ নামধৰ্মত শৰণ লৈছিল তেওঁৰ প্ৰচেষ্টাত।

বাস্তৱতে প্ৰয়াত বাপুৰাম পাঠক (মৰাং), বাপাইসিং বড়ি, আমাৰ ওপজাৰগাঁৱৰ প্ৰয়াত বলোৰাম লইং, আমাৰ পিতৃ প্ৰয়াত খৰ্গেশ্বৰ বড়ি (মুক্তিযোদ্ধা), দ্ৰোণকান্ত মৰাং আৰু অনুৰাগ পাঠৰী আদিৰ আশাসুধীয়া প্ৰচেষ্টাত মিচিং জনগোষ্ঠীৰ অধ্যুষিত বৃহত্তৰ এলেকাত মহাপুৰুষ শ্ৰীমন্ত শঙ্কৰদেৱৰ প্ৰৱৰ্তিত একশৰণ নামধৰ্মৰ প্ৰভাৱ ক্ৰমে পৰিবলৈ ধৰিলে আৰু তাৰ ফলত হ’বলৈ ধৰা সামাজিক পৰিৱৰ্তনক আঁকোৱালী লোৱালোকৰ সংখ্যা বাঢ়ি গৈ থাকিবলৈ ধৰিলে। উত্তৰ-পূব ভাৰতৰ সৰ্ববৃহৎ ধৰ্মীয়, সাহিত্য আৰু সংস্কৃতিৰ অনুষ্ঠান শ্ৰীমন্ত শঙ্কৰদেৱ সঙঘৰ প্ৰাথমিক শাখা প্ৰায়বোৰ গাঁৱতে গঠন হ’বলৈ ধৰিলে। মিচিং জনগোষ্ঠীলোকৰ বসতি প্ৰধান বৃহৎ এলেকাত থকা মিচিংগাঁওবোৰত ইটোৰ পিছত সিটোকৈ নামঘৰ প্ৰতিষ্ঠা হ’বলৈ ধৰিলে। পুৱা-গধুলি নামঘৰবোৰ হৰিনামৰ ধ্বনিৰে মুখৰিত হ’বলৈ ধৰিলে। উদ্‌যাপন হ’বলৈ ধৰিলে মহাপুৰুষ শ্ৰীমন্ত শঙ্কৰদেৱ আৰু মহাপুৰুষ শ্ৰীশ্ৰীমাধৱদেৱৰ জয়ন্তীবোৰ, অনুষ্ঠিত হ’বলৈ ধৰিলে প্ৰাথমিক শাখা, আঞ্চলিক শাখা, জিলা শাখাৰ অধিবেশনবোৰ; মিচিং সমাজখনলৈ এনেদৰে অহা পৰিৱৰ্তনত বৰদেউতা বাপাইসিং বড়িৰ অৱদান কোনো গুণে কম নাছিল।

মোৰ গাড়ী আদ্যশ্ৰাদ্ধথলীৰ নাতিদূৰত ৰ’লহি। গাড়ীত বহি থাকিয়েই অনুভৱ কৰিলোঁ পৰিৱৰ্তনৰ বাস্তৱ এক চিত্ৰ। বৰদেউতাৰ আদ্যশ্ৰাদ্ধলৈ ইমান মানুহ অহা দেখি মই অভিভূত হ’লো। গাড়ীৰ পৰা নামি আদ্যশ্ৰাদ্ধৰ থলীলৈ আগবাঢ়ি যাওঁতে চাৰিওফালে কৃষ্ণ কৃষ্ণ ধ্বনি, বাপ আহিলে আদি সম্বোধনত মই পুলকিত হৈ পৰিলোঁ। আদ্যশ্ৰাদ্ধৰ থলী আৰু ইয়াৰ ওচৰে-পাজৰে শুধ বগা সাজ পৰিধান কৰা, ডিঙিত একোখন গামোচা লোৱা বাপ-আইসকলক দেখি মোৰ শ্ৰদ্ধাত মূৰ দোঁ-খাই গৈছিল। শ্ৰীমন্ত শঙ্কৰদেৱ সঙঘৰ সঙ্গীৰ সংখ্যা মিচিং অধ্যুষিত অঞ্চলবোৰত ভাবিব নোৱাৰা ধৰণে বৃদ্ধি পোৱাত মোৰ মনটো কেনে লাগিছিল সেয়া ভাষাৰে বৰ্ণনা কৰিব নোৱাৰোঁ।

আদ্যশ্ৰাদ্ধথলীত সমৱেত হোৱা বাপ-আইসকলৰ মাজেৰে এখোজ-দুখোজকৈ গৈ মূল ৰভাতলীৰ বাহিৰত উপস্থিত হ’লোগৈ। ৰভাতলীৰ আনটো দিশত নাম-প্ৰসঙ্গ চলি আছিল তেতিয়া। নাম-প্ৰসঙ্গৰ ওচৰলৈ যাবলৈ বাপ-আইসকলক অতিক্ৰমী যাব নোৱাৰিলোঁ। ৰভাতলীৰ এফালে পাৰি থোৱা চকীকেইখনৰ এখনত শ্ৰীমন্ত শঙ্কৰদেৱ সঙঘৰ বোকাখাত জিলা শাখাৰ সভাপতি শ্ৰীভোলা বৰুৱা বাপক বহি থকা দেখি ওচৰচাপি গ’লো। এজন বাপে সভক্তিৰে তেওঁ বহি থকা চকীখন এৰি দি মোক বহিবলৈ দিলে। শ্ৰীবৰুৱাবাপৰ ওচৰত বহি কুশল-মঙ্গলৰ বাৰ্তা ল’লোঁ। তেতিয়াও আদ্যশ্ৰাদ্ধলৈ বাপ-আইসকলৰ লগতে আনসকলো আহি থকা দেখা পালো। বাস্তৱতে এটা আদ্যশ্ৰাদ্ধত ইমানবোৰ বাপ-আই সমবেত হ’ব বুলি মোৰ মনলৈ ভাব অহাই নাছিল। আদ্যশ্ৰাদ্ধথলীত উপস্থিত হৈ মোৰ ধাৰণা ভুল বুলি প্ৰমাণিত হ’ল।

জিলা সভাপতি শ্ৰীবৰুৱাবাপক আদ্যশ্ৰাদ্ধত সমৱেত হোৱা বাপ-আইসকলৰ উপস্থিতি দেখি ক’লো— “বাপ, আপুনি মিচিং অধ্যুষিত এলেকাত সামাজিক পৰিৱৰ্তনৰ ধাৰাটো মন কৰিছেনে? এসময়ত একশৰণ নামধৰ্মত দীক্ষিত হোৱা লোকৰ সংখ্যা আঙুলিৰ মূৰত লেখিব পৰা বিধৰ আছিল। শ্ৰীমন্ত শঙ্কৰদেৱ সঙঘ মাত্ৰ কেইখনমান প্ৰাথমিক আছিল। কিন্তু সময়ৰ লগে লগে মানুহবোৰৰ পৰিৱৰ্তন চকুত লগা ধৰণৰ হৈছে। এইক্ষেত্ৰত বৰদেউতা বাপাইসিং বড়িৰ দৰে লোকৰ অৱদান অতুলনীয়। সেয়েহে তেওঁৰ আদ্যশ্ৰাদ্ধত ইমানবোৰ বাপ-আইৰ সমাগম হৈছে। এই সামাজিক পৰিৱৰ্তনে অসমীয়া সমাজখনক অধিক কটকটীয়া কৰিব নিশ্চয়।” মোৰ কথা শেষ হোৱাৰ পিছত সভাপতি শ্ৰীবৰুৱাবাপে ক’লে— “বাপ, আপুনি সজ কথাই কৈছে। ময়ো আদ্যশ্ৰাদ্ধথলীত বাপ-আইৰ ভাবিব নোৱাৰা উপস্থিতি দেখি অভিভূত হৈছোঁ। সামাজিক পৰিৱৰ্তনৰ এনে ৰূপে মোক অতিশয় আনন্দিত কৰিছে। আজিৰ এই আদ্যশ্ৰাদ্ধথলীত উপস্থিত থাকি নিজেই ধন্য হৈছোঁ। শ্ৰীমন্ত শঙ্কৰদেৱ সঙঘৰ নীতি-আদৰ্শক ৰাইজে হৃদয়েৰে গ্ৰহণ কৰাত মই আনন্দিত হৈছোঁ।

মূৰৰ বেলি লহিয়াবলৈ আৰম্ভ কৰিলে। সাধাৰণ হৈয়ো অসাধাৰণ হোৱা বৰদেউতাৰ আদ্যশ্ৰাদ্ধত সমবেত হোৱা অসংখ্য বাপ-আইৰ মাজত উপস্থিত থাকি নিজে গৌৰৱবোধ কৰিলো আৰু বৃহতৰ অসমীয়া সমাজ গঠনৰ ক্ষেত্ৰত কেনেদৰে আমাৰ মিচিং লোকসকলেও একাত্ম হোৱাৰ প্ৰয়াস কৰিছে সেয়া ভাবি ভাবি ঘৰমুৱা হ’লো।❑

# দামোদৰ বিপ্ৰাখ্যান ঃ এক অনুভৱ

**ডাঃ জ্যোতিপ্ৰসাদ বৰা**

“ধন্য ধন্য কলি কাল ধন্য নৰ তনুভাল
ধন্য ধন্য ভাৰত বৰিষ।”

আমাৰ ভাৰতবৰ্ষ এখন ঋষিমুনিৰ দেশ। হাজাৰ হাজাৰ বছৰৰ আগৰে পৰা ঋষি-মুনিসকলে হিমালয় পাদদেশত গভীৰ অৰণ্যৰ মাজত আসন-প্ৰাণায়াম, ধ্যান-ধাৰণাৰে সমাধিপ্ৰাপ্ত হৈ অজস্ৰ জ্ঞানৰ ভাণ্ডাৰ সৃষ্টি কৰি গৈছে। সেই বেদ-বেদান্ত, পুৰাণ প্ৰণয়ণেৰে ভাৰতবৰ্ষখন জ্ঞানৰ বিশ্বগুৰু মৰ্যাদা আহৰণ কৰিছে। তেনে হাজাৰ হাজাৰ বছৰৰ একোটা (যুগ সত্য, ত্ৰেতা, দ্বাপৰ আৰু কলি) যুগৰ আজি অন্তিম সময় সমাগত। সত্য, ত্ৰেতা, দ্বাপৰ যুগত ভগৱানক পাবলৈ হাজাৰ হাজাৰ বছৰ অশেষ কষ্টৰে ধ্যান-ধাৰণা যজ্ঞ আদিৰ ব্যৱস্থা আছিল কিন্তু কলিযুগত একান্তভাৱে সুদৃঢ় বিশ্বাসে ভগৱানৰ নাম স্মৰণ কৰিলেও ভগৱানৰ কৃপা লাভ কৰিব পাৰি।

“সত্য যুগে ধ্যান ত্ৰেতা যুগে যজ্ঞ
দ্বাপৰ যুগত পূজা।
কলিত হৰিৰ কীৰ্ত্তন বিনাই
নাই নাই আন দুজা।।”

মহামুনি ব্যাসদেৱে নাৰদৰ উপদেশ ক্ৰমে তেখেতৰ সৃষ্টিৰাজি— চাৰি বেদ, চৈধ্য পুৰাণতকৈও শ্ৰেষ্ঠতম কাব্য কৃষ্ণলীলাৰ পুৰাণ সূৰ্য ভাগৱত ৰচনা কৰে। সেই পৱিত্ৰ শুদ্ধ তত্ত্ব ভাগৱত পৰীক্ষিত ৰজাক মহামুনি শুকদেৱে সাতদিন সাত ৰাতি ব্যাখ্যা কৰি শ্ৰৱণ কৰাই জীৱন ধন্য কৰি গ’ল। লগে লগে সেই ভাগৱতৰ মহান বাণী, ভগৱানৰ লীলা-মালা এই ধৰাধামত প্ৰচাৰ হ’ল।

“সকল নিগম কল্পতৰু/ তাৰ ফল মহা ভাগৱত/ শুক মুখে আহি ভূমিত ভৈলা বিদিত। ৰসত চতুৰ যিটোজন/ কৃষ্ণৰ চৰণে দিয়া মন/ পৰম সন্তোষে পিয়োক ৰস অমৃত।।”

পঞ্চম শতিকাত শ্ৰীমন্ত শঙ্কৰদেৱ লগতে তেখেতৰ সমসাময়িক আৰু পৰৱৰ্তী কালত তেখেতৰ অনুগামী কবিসকল অনন্ত কন্দলি, ৰত্নাকৰ দ্বিজ, শ্ৰীহৰিদাস, গোপাল মিশ্ৰ, কবিৰত্ন কেশৱ চৰণ, জয় নাৰায়ণ আদি অন্যান্য সুপ্ৰসিদ্ধ কবিসকলে অসমীয়া ভাষাত একশৰণ ভাগৱত ধৰ্ম প্ৰচাৰৰ বাবে ভাগৱতৰ পদ ৰচনা কৰি লোক সমাজত হৰিভক্তিৰ জ্ঞান প্ৰদান কৰি গ’ল। সেইখিনিৰ লগতে সোণত সুৱগা কৰি শঙ্কৰদেৱৰ সংস্কৃতি, কলা দৰ্শনে সামাজিক জীৱনৰ প্ৰতিভা ক্ষেত্ৰত মহীয়ান কৰি অসমবাসীক অসমীয়া বুলি চিনাকি দিব পাৰিছে। আজি আমি সেই জ্ঞান-গৰিমাখিনি বিশ্ব দৰবাৰত প্ৰতিষ্ঠা কৰিবলৈ অসমৰ মহান ব্যক্তিসকলৰ লগতে শ্ৰীমন্ত শঙ্কৰদেৱ সঙঘৰ ফালৰ পৰাও অপ্ৰাণ প্ৰচেষ্টা চলাই থকা হৈছে।

এই ভাগৱত পুৰাণৰ দশম স্কন্ধত মহাপুৰুষ শ্ৰীমন্ত শঙ্কৰদেৱে দামোদৰ বিপ্ৰাখ্যানৰ মজেৰে আমাক যি সাৰগৰ্ভ জ্ঞান প্ৰদান কৰিছে তাৰে কিছু অংশ প্ৰবন্ধটিত উল্লেখ কৰাৰ মানস কৰা হৈছে।

**হৰিত একান্ত ভকতি ঃ** দামোদৰ বিপ্ৰ আখ্যানৰ মাজেৰে আমি হৰি ভক্তিৰ একান্ত গভীৰ বিশ্বাসৰ ছবিখন দেখিবলৈ পাওঁ। বিপ্ৰ-দামোদৰ এজন ইন্দ্ৰিয়ৰ সুখ-দুখ, বিষয়-বাসনা, কাম-ক্ৰোধ, লোভ-মোহ আদি সকলো সংযম কৰি জিতেন্দ্ৰীয় পুৰুষ। তেনে এজন ব্ৰাহ্মণে ৭/৮ দিন একো অন্ন নোখোৱাকৈ অকল বতাহ সেৱন কৰি জীৱন-ধাৰণ কৰিব পাৰিছিল। তেনে পৰিস্থিতিত এসাজ খাবলৈ পালে তৃপ্তিৰে খাইছিল আৰু নাপালেও মনৰ সংযমত স্থিত হৈ স্থিতপ্ৰজ্ঞ লাভ কৰিছিল। সেই অনুপাতে তেখেতৰ সহধৰ্মিনীয়েও অল্পমাত্ৰ আহাৰ গ্ৰহণ কৰি খিনাই-শুকাই পত্নীধৰ্ম পালন কৰি জীৱন ধাৰণ কৰিছিল। এদিন ব্ৰাহ্মণীয়ে দুখ-বেদনাত জৰ্জৰিত হৈ স্বামীৰ বাল্যকালৰ বন্ধু স্বয়ং ভগৱান কৃষ্ণক লগ ধৰি দুখ-দুৰ্গতি নিবাৰণৰ হেতু প্ৰাৰ্থনা জনাবলৈ মান্তি কৰাইছিল। তেতিয়া ব্ৰাহ্মণে ব্ৰাহ্মণীৰ অনুৰোধ ৰক্ষা কৰি বাল্যবন্ধুৰ ওচৰলৈ যাবলৈ মান্তি হৈ ভাবিলে— “বন্ধুৱে তেওঁৰ দুখ মোচন কৰক নকৰক তথাপি তেওঁৰ জীৱন ধন্য হ’ব। কাৰণ তেওঁ স্বয়ং ভগৱান কৃষ্ণক স্বচক্ষুৰে দেখিবলৈ পাব আৰু তেওঁৰ জীৱন ধন্য হ’ব বুলি মন উৎফুল্লিত হৈ গাইছিল।”

“বোলন্ত ব্ৰাহ্মণ নাহি কিছু ফল
এহিসে লাভে পৰম।
উত্তম শ্লোকক কৃষ্ণক দেখিবো
সফল হৈব জনম।।”

ভাগৱত, ২৯১৩

**গুৰু গৃহলৈ উপহাৰ ঃ** কোনো ধৰ্ম অনুষ্ঠান, গুৰুগৃহ বা কোনো ব্যক্তিৰ ঘৰলৈ গমন কৰিলে সাধ্যানুসাৰে হাতত কিবা এবিধ দ্ৰব্য উপহাৰ হিচাপে নিয়া বাঞ্ছনীয়। এয়া আমাৰ পৰম্পৰাৰূপে চলি আহিছে আৰু দামোদৰ বিপ্ৰাখ্যানত তাক সুকল্পিতভাৱে প্ৰকাশ কৰিছে। এইটো এটা সামাজিক শিষ্টাচাৰ। ইয়াত বিপ্ৰ বন্ধু কৃষ্ণৰ ঘৰলৈ যোৱা সিদ্ধান্ত গ্ৰহণ কৰি ব্ৰাহ্মণীক ক’লে— বন্ধুৰ কাৰণে নিবলৈ ঘৰত কি বস্তু আছে দিয়া

“ভাৰ্য্যাক বোলন্ত শুনিয়ো কল্যাণী
চলিবো মিত্ৰগৃহক।
গৃহত যি কিছু সন্দেশ আছয়
সত্বৰে দিয়োক আনি।

—ভাগৱত, ২৯১৩-১৪

**গৃহস্থৰ গৃহত ব্ৰাহ্মণ, পণ্ডিতৰ অবাধ গমন ঃ** ৰজাঘৰ, ভগৱানৰ গৃহত, মন্দিৰত ব্ৰাহ্মণ পণ্ডিতৰ প্ৰৱেশৰ কোনো বাধা নাই। ইয়াত বিপ্ৰ দামোদৰে কৃষ্ণক লগ ধৰিবলৈ একান্তভাৱে চিন্তা কৰি অসংখ্য সৈন্যৰে আবৃত্ত তিনিখন অভেদ দুৰ্গ কোনো বাধা নোপোৱাকৈ পাৰ হৈ বৈকুণ্ঠপুৰীত প্ৰৱেশ কৰিছিল। ব্ৰাহ্মণে অতি অপ্ৰয়াসে গৈ বাল্যবন্ধু কৃষ্ণৰ শতযোল্লশ ভাৰ্য্যাৰ ৰত্নময় গৃহত সব্যা নামৰ ভাৰ্য্যাৰ লগত থকা কৃষ্ণৰ শয়ন কক্ষত লগ ধৰিছিলগৈ। ইয়াত ভকতৰ ভক্তিৰ একাগ্ৰতা আৰু ভক্তৰ প্ৰতি ভগৱানৰ দয়াৰ ফল ফুটি উঠিছে।

**অতিথি পৰায়ণ ঃ** জ্ঞানৰ চৌযষ্ঠি কলা পূৰ্ণ কৃষ্ণই এই ধৰাধামত যশোদাৰ পুত্ৰ হিচাপে অৱতাৰ হৈ আমাক মনুষ্যৰ কৰ্তব্য জ্ঞান প্ৰদান কৰি ধন্য কৰি গৈছে। ভগৱান কৃষ্ণই নৰৰূপ ধৰি ‘আপোনি আচৰি আনকো শিকাৱা’ এই জ্ঞানেৰে সংসাৰত আমি মানুহ জাতিয়ে জীৱন-যাপনৰ কৰ্তব্যখিনি নিজে কৰি আমাক শিকাই থৈ গৈছে। আমাৰ গৃহলৈ আলহী আহিলে আমি কেনেকৈ আঠে-বেঠে আদৰিব লাগে, অতিথিক কেনেকৈ সেৱা-সৎকাৰ কৰিব লাগে তাক বিপ্ৰ দামোৰদৰ কাহিনীৰে আমাক জ্ঞান দিছে।

*(১৪ পৃষ্ঠাত চাওক)*

# দামোদৰ বিপ্ৰাখ্যান

(১৩ পৃষ্ঠাৰ পৰা)

আলহীক ধনী-দুখীয়া, শত্ৰু-মিত্ৰ, আপোন-পৰ ভেদাভেদ নাৰাখি সকলোকে ভগৱান স্বৰূপ বুলি শুশ্ৰূষা কৰিব লাগে। ইয়াত অভ্যাগত আহি পোৱাৰ লগে লগে সাদৰ-সম্ভাষণ জনাই প্ৰথমে হাত-ভৰি ধোৱাৰ ব্যৱস্থা কৰিব লাগে। বাহিৰৰ পৰা ঘূৰি-পকি আহি গৃহত প্ৰৱেশ কৰাৰ আগতে কৰা ই এটা বিজ্ঞানসন্মত কৰ্ম। ৰাস্তাত খোজকাঢ়ি আহোতে জীৱজন্তুৰ মল-মূত্ৰ গচকি আহিব লগা হয়, লগতে ধূলি-বালিৰ লগত বীজানু আমাৰ গাত লাগি আমি অপৰিস্কাৰ হৈ আহো। পাৰিলে তেনেক্ষেত্ৰত আমি কাপোৰ-কাণি সলাই সম্পূৰ্ণ স্নান কৰা নিতান্ত দৰকাৰ। আজিৰ যুগত আমি ভৰিত পাদুকা ব্যৱহাৰ কৰো, সেয়ে বাহিৰত ব্যৱহাৰ কৰা পাদুকা ঘৰৰ ভিতৰত ব্যৱহাৰ কৰিব অনুচিত। ভক্তিমাৰ্গত আমি আলহী আহিলে ভকতক ভৰি হাত ধুৱাই সেৱা-সৎকাৰ কৰা প্ৰথা চলি আহিছে। মহাভাৰতৰ যুধিষ্ঠিৰৰ ৰাজসূয় যজ্ঞত ভগৱান কৃষ্ণই নিজে ভকত আদৰাৰ দায়িত্ব লৈ ভকতৰ চৰণ ধুৱাই সেৱা-সৎকাৰ কৰি সন্মান জনাইছিল। দামোদৰ বিপ্ৰাখ্যানতো কৃষ্ণই বাল্যবন্ধু ব্ৰাহ্মণৰ চৰণ ধুৱাই আদৰিছিল আৰু গৃহস্থই নিজে অতিথিক সন্মান জনোৱাৰ লগতে ঘৰৰ গৃহিনী আৰু পৰিয়ালবৰ্গকো অতিথি সেৱাত আগভাগ লোৱাৰ উদাহৰণ আমি দামোদৰ বিপ্ৰ আখ্যানত পাওঁ।

"ব্ৰাহ্মণৰ পাদোদক ধৰিয়া শিৰত।
ব্ৰাহ্মণ্য পুণ্যৰ শিক্ষা দেখান্ত লোকত।।"

ভাগৱত, ২৯২৭

**গুৰুৱে সংসাৰ তৰণৰ উপায় প্ৰদান কৰে** ঃ যদিও আমি মাতৃ গৰ্ভতে কিছু জ্ঞান সঞ্চয় কৰি লৈ আহো তথাপি আমি প্ৰতিজন ব্যক্তিয়ে জন্মতে জ্ঞান শূন্য হৈ জীৱন ধাৰণ কৰো। আমাৰ জীৱনৰ প্ৰতিটো খোজতে প্ৰতিটো কাম কৰাৰ বাবে কাৰোবাৰ পৰা দেখি বা শিকি কৰিব লাগে। যিজনে আমাক কিবা এটা কৰাৰ জ্ঞান প্ৰদান কৰে তেৱে আমাৰ গুৰু। গুৰুৰ কোনো ডাঙৰ-সৰু বিচাৰ নাই। বিপ্ৰ দামোদৰ আখ্যানৰ মাজেৰে আমাৰ জীৱনৰ প্ৰধান তিনিজন গুৰুৰ মাহাত্ম্যৰ শিক্ষা প্ৰদান কৰিছে। জন্মদাতা পিতৃ-মাতৃয়ে আমাৰ জীৱনৰ প্ৰথম গুৰু। পিতৃ-মাতৃয়ে আমাক এই ধৰাধামত ভূমিষ্ঠ হোৱাৰ পৰাই শিক্ষা প্ৰদানৰ কৰ্তব্য আৰম্ভ কৰি দিয়ে। যিয়ে আমাৰ গোটেই জীৱনটো অতিবাহিত কৰাত সহায় কৰে। সেয়ে পিতৃ-মাতৃকে প্ৰথম গুৰুৰূপে মান্যতা দিয়া হয় আৰু এই গৃহ শিক্ষাই আমাক জীৱন ধাৰণৰ শৈলী গঢ়ি সমৰ্থবান কৰি তোলে। দ্বিতীয়জন গুৰু হ'ল শিক্ষাগুৰু। তেওঁ আমাক স্কুলীয়া শিক্ষা প্ৰদান কৰি অৰ্থ উপাৰ্জনৰ সমৰ্থবান কৰি নিজৰ লগতে পৰিয়ালৰ অন্ন-বস্ত্ৰ আৰু গৃহৰ সুব্যৱস্থা কৰাৰ জ্ঞান প্ৰদান কৰে। আগৰ দিনত গুৰু গৃহত বা গুৰুৰ আশ্ৰমত থাকি শিক্ষা গ্ৰহণ কৰিব লাগিছিল কিন্তু আজি আমি নিজৰ ঘৰতে থাকি বিদ্যালয়ত দিনটোৰ কাৰণে গুৰুৰ ওচৰত অৰ্থ উপাৰ্দনৰ জ্ঞান আৰ্জন কৰি বাকী সময় স্বগৃহত কটাও। তৃতীয় গুৰু হ'ল— যিজনে আমাক ব্ৰহ্মবিদ্যাৰ জ্ঞান দি জীৱন-তাৰণৰ উপায় প্ৰদান কৰে। এই গুৰুৰ পৰা আমি আধ্যাত্মিক জ্ঞান আহৰণ কৰি ঈশ্বৰতত্ত্ব আহৰণ কৰি জ্ঞানপুষ্ট হৈ দহৰ লগতে দেশৰ উপকাৰ সাধিব লাগে। আমাৰ পৰম গুৰু শ্ৰীমন্ত শঙ্কৰদেৱ প্ৰচাৰিত এক দেৱ, এক সেৱ মুলমন্ত্ৰৰ বিধান মতে নিৰ্দিষ্ট কৰি দিয়া শৰণ। প্ৰথা অনুসৰি শৰণ সদস্যৰ ওচৰত শৰণ-ভজন গ্ৰহণ কৰি এক ভগৱান কৃষ্ণত শৰণাপন্ন হৈ জীৱন ধন্য কৰিছোঁ।

মহাপুৰুষ শ্ৰীমন্ত শঙ্কৰদেৱৰ প্ৰপন্ন শিষ্য মাধৱপুৰুষে এই কলিযুগত শ্ৰীমন্ত শঙ্কৰদেৱে যে উত্তম গুৰু সেইটো তেখেতৰ মহান সৃষ্টি নাম-ঘোষাত কৈ গৈছে।

"শ্ৰীমন্ত শঙ্কৰ হৰি ভকতৰ
জানা যেন কল্পতৰু।
তাহান্ত বিনাই নাই নাই নাই
আমাৰ পৰম গুৰু।।"

সেয়ে শ্ৰীমন্ত শঙ্কৰদেৱেই আমাৰ আধ্যাত্মিক গুৰু বুলি তিনি কপাত দি মাধৱপুৰুষে কৈছে— 'এইজনা গুৰুৰ বাদে আমাৰ আৰু অন্য গুৰু নাই, যি আমাক জীৱন তৰণৰ উপায় প্ৰদান কৰিছে।

**কৰ্ম ফল এগুণত হাজাৰ গুণ** ঃ বিপ্ৰ দামোদৰ আখ্যানৰ মাজেৰে আমি এটা অতি গুৰুত্বপূৰ্ণ জ্ঞান লাভ কৰিছো। যিকোনো কাম একাগ্ৰভাৱে, সুদৃঢ়বিশ্বাসে কৰিলে তাৰ ফল ভগৱানে শতগুণ-হাজাৰগুণ দিয়ে। বিপ্ৰৰ বাল্যবন্ধুৰ মৰমত তেওঁলৈ কিবা এবিধ উপহাৰ স্বৰূপে নিবলৈ ইচ্ছাৰ কৰাত ব্ৰাহ্মণীয়ে ভিক্ষা কৰি অনা চাউল চাৰিমুঠি চিৰা বনাই একান্ত ভক্তিভাৱে কৃষ্ণ ওচৰত অৰ্পণ কৰি এটুকুৰা ফটা কাপোৰে বান্ধি ব্ৰাহ্মণক দিলে। সেই চাৰিমুঠি চিৰাৰ এমুঠি কৃষ্ণই গ্ৰহণ কৰাত বিপ্ৰ দামোদৰৰ গৃহ অট্টালিকা, ফলে-ফুলে ৰঞ্জিত দিব্য উপবনে শুশোভিত হ'ল। নাৰীগণে ব্ৰাহ্মণীক বেঢ়ি থকা দেখিবলৈ পালে। ই এটা উদাহৰণহে মাত্ৰ। এই ধৰিত্ৰীত এমুঠি সৰিহ বা ধান বীজ হিচাপে চটিয়ালে কিছু দিনৰ মূৰত তাৰ পৰা হাজাৰ গুণ শস্য পোৱা যায়। তেনেদৰে আমি জীৱন-ধাৰণ কৰি আছো। বাল্যকালত লাভ কৰা শিক্ষাই আজীৱন প্ৰতিফলিত হৈ থাকে। ইয়াত কিন্তু একাগ্ৰতা, সহিষ্ণুতা, কৰ্ম দক্ষতা লগতে ভগৱানৰ প্ৰতি একান্ত বিশ্বাসৰ প্ৰয়োজন। এই কাহিনীৰ জৰিয়তে বুজা যায় যে 'যত্ন কৰিলে ৰত্ন পায়'।

প্ৰভুৰ সমান কোন আছে মহেশ্বৰ।
অল্প বস্তু ভকতৰ কৰন্ত বিস্তৰ।।
মনে মনে গুণি দৃঢ় কৰিলা ব্ৰাহ্মণ।
আকস্মিকে ইটো সিদ্ধি কৃষ্ণসে কাৰণ।।"

ভাগৱত, ৩০৫৫

**গুৰু-শিষ্য আত্মীয়তা** ঃ আগৰ দিনত গুৰুগৃহত থাকি শিক্ষা গ্ৰহণৰ নিয়ম আছিল। বিপ্ৰ দামোদৰ আৰু কৃষ্ণ গুৰু সান্দীপনিৰ আশ্ৰমত বাল্যকালত শিক্ষা গ্ৰহণ কৰিছিল।

আশ্ৰমত শিক্ষা গ্ৰহণৰ সময়ত সান্দীপনি গুৰু আৰু গুৰু পত্নীয়ে শিষ্যগণক নিজৰ পুত্ৰৰ দৰে শিক্ষা প্ৰদান কৰিছিল। এদিন গুৰুপত্নীয়ে অন্ন সিদ্ধ কৰিবলৈ খৰি নোহোৱাত শিষ্যগণক খৰিৰ ব্যৱস্থা কৰিবলৈ ক'লে। শিষ্যগণে খৰি লুৰিবলৈ অৰণ্যৰ মাজত সোমাল, খৰি লৈ ঘূৰি আহোতে অৰণ্যৰ মাজতে সন্ধ্যা লাগিল। আৰু তেনে সময়তে প্ৰচণ্ড ধুমুহা-বৰষুণ আহিল আৰু ইতিমধ্যে সূৰ্য অস্ত গৈ আন্ধাৰে আৱৰি ধৰিলে। প্ৰচণ্ড বৰষুণৰ ফলত দশোদিশ পানীৰ ভৰি ৰাস্তা-পদুলি একো চিনিব নোৱাৰা হ'ল। একো উপায় নাপাই শিষ্যগণে মূৰত খৰিৰ বোজা লৈ আৰণ্যৰ মাজতে হিংস্ৰ জন্তু উপৰি মহ, দাহ, সৰ্প দংশন সহ্য কৰি ভোকে ভাগৰে ৰাতি হাবিৰ মাজতে থাকিব লগা হ'ল। তেনে পৰিস্থিতিত শিষ্যসকলে ব্ৰাহ্মণীৰ ওপৰত খং উঠি কটু বাক্য প্ৰহাৰ কৰিবলৈ ধৰিলে। কৃষ্ণই তেওঁলোকক বুজাই উপদেশ প্ৰদান কৰি কৈছিল।

"গুৰু অৰ্থে যদি পৰাণে মৰয়
তথাপি লভিবো গতি।
গুৰুৰ ভাৰ্য্যাক মন্দ নুবুলিবা
সবাকো কৰো কাকুতি।।"

ভাগৱত, ২৯৮৫

ৰাতি শিষ্যগণে খৰি লুৰি ঘূৰি নহা দেখি বহুত চিন্তিত হৈ গুৰু আৰু গুৰুপত্নী ৰাতিটো উজাগৰে থাকিবলগা হ'ল। পুৱাই গুৰু গৈ হাবিৰ মাজত শিষ্যগণৰ দুখ-দুৰ্গতি, ভোকত শুকান মুখমণ্ডল দেখি বৰ দুখিত হ'ল আৰু গুৰু মুখে শিষ্যগণৰ ওপৰত আশীষ উচ্চাৰণ হ'ল।

"যাতো মহা শুদ্ধভাৱে গুৰুৰ সেৱাত সৱে
কৰিলাহা তনুক অৰ্পণ।
এতেকে অল্পতে মাত্ৰ জানিবা সকল শাস্ত্ৰ
ৰহস্য সুৰস বেদগণ।।"

— ভাগৱত, ২৯৮৯

ইয়াত আমি জীৱনৰ দ্বিতীয় গুৰুৰ চৰণৰ আশীৰ্বাদৰ তাৎপৰ্যৰ জ্ঞান পালো।

**মায়া সংসাৰৰ মোহৰ পৰা বিৰকতি** ঃ জীৱনৰ চাৰি আশ্ৰমত অন্তিক ক্ষণত সংসাৰৰ মায়া মোহ ত্যাগ কৰি সন্ন্যাস গ্ৰহণ কৰিব লাগে। সন্ন্যাস গ্ৰহণ কৰা মানে সংসাৰ ত্যাগ কৰি ঘৰ-বাৰি এৰি হাবি জংঘলত বাস কৰা নুবুজায়। সন্ন্যাস লোৱা মানে মায়া-মোহ লাহে লাহে অলপ অলপ কৈ কমাই আনি (ত্যাগ কৰি) আধ্যাত্মিকভাৱে ভগৱানৰ চিন্তা-চৰ্চা কৰি আমাৰ আত্মাক পৰম আত্মাৰ লগত সংযোগ কৰাৰ চেষ্টাত ব্যস্ত থাকিব লাগে। এই বানপ্ৰস্থ কালত আমাৰ অঙ্গ-পতঙ্গবোৰ ক্ৰমে দুৰ্বল হৈ পৰে, নিজৰ কাম নিজে একো কৰিব নোৱাৰা হওঁ, সকলো সময়তে লোকৰ ওপৰত নিৰ্ভৰ কৰিব লাগে। সেয়ে আমি দেহ-মন সুস্থ হৈ থাকোতেই সংসাৰৰ মায়া-মোহৰ জালৰ পৰা লাহে লাহে এপদ এপদ কৈ আঁতৰি আহি ভগৱানৰ চিন্তাতে দিন কটাই জীৱন নাৱৰ গণ্ডী সামৰাৰ চিন্তা কৰা দৰকাৰ। যেনেকৈ ব্ৰাহ্মণ বিপ্ৰ দামোদৰে অজস্ৰ সম্পত্তি পায়েও বিৰকতি ভাৱ হৈ কৈছিল।

"কিছু কিছু কৰি ত্যজন্তেসে যাই
বিষয়ৰ অনুৰাগ।
কৃষ্ণতেসে ৰতি বাঢ়ে প্ৰতিনিতি
নেৰন্ত সাধুৰ লাগ।।"

—ভাগৱত, ৩০৮৫

ফোন ঃ ৯৭০৭০-২৩৬০৯

# শোকবাৰ্তা

**গোলাঘাট** ঃ শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘ, গোলাঘাট জিলা শাখাৰ অন্তৰ্গত ঢেকীয়াল আঞ্চলিক শাখাৰ অন্যতম প্ৰতিষ্ঠাপক সঙ্গী ডিম্বেশ্বৰ বড়া বাপগৰাকীয়ে ২০১৪ চনৰ ২৩ জানুৱাৰীত ইহলীলা সম্বৰণ কৰে। বাপগৰাকী ঢেকীয়াল আঞ্চলিক শাখাৰ প্ৰতিষ্ঠাপক সভাপতি, সম্পাদক আৰু মৃত্যুৰ সময়ত মুখ্য উপদেষ্টা আছিল। গোলাঘাট জিলা শাখাৰো প্ৰাক্তন উপ-সভাপতি আছিল। ১৯৭০চন মানত চাকৰি সূত্ৰে নাপৰূপ সাৰ কাৰখানাত আছিল। সেই সময়ত তেখেতৰ প্ৰচেষ্টাত সাৰুনগৰী প্ৰাথমিক শাখাটিও গঠন হৈছিল। শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘৰ প্ৰায় বিষয়ববীয়াৰ লগত পৰিচয় থকা বাপগৰাকী আছিল এঘৰাকী একনিষ্ঠ সংগী। বাপজনাৰ মৃত্যুৱে ঢেকীয়াল আঞ্চলিক শাখাৰ লগতে জিলা শাখাতো শোকৰ ছাঁ পেলালে। মৃত্যুৰ সময়ত বাপগৰাকীয়ে সহধৰ্মিনীৰ লগতে দুজন পুত্ৰ, দুগৰাকী বোৱাৰী আৰু তিনিটি নাতিয়েকক এৰি যায়।◆



**হাওৰাঘাট** ঃ শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘ, কাৰবিআংলং জিলাৰ হাওৰাঘাট নগৰ প্ৰাথমিক শাখাৰ একান্ত সঙ্গী শ্ৰীলক্ষেশ্বৰী আইৰ কনিষ্ঠপুত্ৰ কেশৱ চন্দ্ৰ বৰা (জান) বাপজনা যোৱা ১৬/৪/২০১৪ তাৰিখ (২ ব'হাগ) বুধবাৰে ৪০ বছৰ বয়সত স্বাস্থ্যজনিত কাৰণত পৰলোকপ্ৰাপ্তি হয়। বাপজনা প্ৰাথমিক শাখাৰ গায়ন, সূত্ৰ, শঙ্কৰী সংস্কৃতিৰ এজন একনিষ্ঠ সাধক হিচাপে সমাজত পৰিচিত আছিল। মৃত্যুৰ সময়ত বাপজনাই নিজমাতৃ, পত্নী, দুগৰাকী বায়েক, দুজন দাদাক দুগৰাকী বৌ, কেইবাটিও ভাগিন-ভতিজা লগতে আত্মীয় স্বজনক ইহসংসাৰত এৰি হৈ যায়।◆



# শুধৰণি

যোৱা এপ্ৰিল সংখ্যা মণিকাঞ্চনত মোহন বড়াবাপে লিখা 'তিনিচুকীয়াৰ অনিৰুদ্ধদেৱ ক্ষেত্ৰ' শীৰ্ষক কবিতা এটি প্ৰকাশ পাইছিল। কবিয়ে শ্ৰীকৃষ্ণৰ নাতি অনিৰুদ্ধ বুলি কবিতাটিত প্ৰকাশ কৰিলে। অৰশ্যে যিগৰাকীৰ নামেৰে তিনিচুকীয়া অনিৰুদ্ধদেৱ সমন্বয় ক্ষেত্ৰ নামকৰণ কৰা হৈছিল সেইজনা শ্ৰীকৃষ্ণৰ নাতি অনিৰুদ্ধ নহয়। এখেত হ'ল কাল সংহতি সম্প্ৰদায়ৰ গোপালদেৱ আতাৰ শিষ্য মায়ামৰা পন্থাৰ আৱিৰ্ভাৱক শ্ৰীশ্ৰীঅনিৰুদ্ধদেৱ। যি গৰাকী আছিল একান্তই বিপ্লৱী, সমাজ সংস্কাৰক আৰু সমাজ সংগঠক। এনে ভুল তথ্যৰে কবিতাটি প্ৰকাশ হোৱা বাবে আমি দুখ প্ৰকাশ কৰি সেৱা ধৰিলোঁ—

সম্পাদনা সমিতি

# ভগৱন্ত সমস্ততে ৰসৰূপে বিদ্যমান

ধৰ্মকান্ত শইকীয়া

সেৱাই হ'ল উপাসনাৰ শ্ৰেষ্ঠ ৰূপ আৰু উত্তম তপস্যা। টকা-পইচা হেৰালে আকৌ আৰ্জি ল'ব পৰা যায়, বন্ধুৰ লগত বিচ্ছেদ ঘটিলে আকৌ সম্বন্ধ গঢ়ি তুলিব পাৰি। আনকি পত্নীক হেৰুৱালেও পুনৰ বিবাহৰ দ্বাৰা আকৌ লাভ কৰিব পাৰি। কিন্তু যদি দেহটোৰ বিয়োগ ঘটে তেনে হ'লে ইয়াক পুনৰ ঘূৰাই পাব নোৱাৰি। এই পবিত্ৰ দেহটো ৰক্ষা কৰাৰ উদ্দেশ্য কি? প্ৰকৃততে ধৰ্ম সাধনৰ প্ৰাথমিক উপায় হ'ল এই দেহটো। সেই কাৰণে দেহটো ৰক্ষা কৰাৰ প্ৰয়োজন হয়। মানৱ জনম পোৱাটো বৰ দুৰ্লভ। ই পৰম পবিত্ৰ আৰু মহীয়ান। মানৱ জীৱন লাভ কৰি মানৱ জীৱনৰ মোক্ষ যদি উপলব্ধি কৰিব পৰা নাযায় তেনেহ'লে মানৱ জন্ম পোৱাৰ অৰ্থ কি? মানুহক স্মৃতিশক্তি প্ৰদান কৰা হৈছে। মানুহৰ ক্ষেত্ৰত স্বাভাৱিক জীৱনৰ অৰ্থ অন্বেষণ কৰাটো এটা প্ৰশংসনীয় গুণ। এই অন্বেষণৰ ফল স্বৰূপে বিজ্ঞান আৰু অন্যান্য জ্ঞানৰ ক্ষেত্ৰত মানুহৰ সৃজনী শক্তিৰ অৱদান বিশেষভাৱে পৰিলক্ষিত হৈছে। কিন্তু বুদ্ধি ঠিকমতে ব্যৱহাৰ কৰিব নোৱাৰাৰ ফলত আৰু অন্বেষণৰ ক্ষেত্ৰত বিপথে পৰিচালিত হোৱা কাৰণে বিভিন্ন সন্ধানত মানুহ বিফল হৈছে। এজন মানুহে গছ এজোপা দেখে। তেওঁ অকল শাখা-প্ৰশাখাবোৰহে দেখে, কিন্তু শিপাবোৰ নেদেখে। কিবা এটা বস্তুৰ বিষয়ে প্ৰকৃত সত্য অন্বেষণৰ এইটো প্ৰকৃত পথ নহয়। গছ এজোপাৰ প্ৰকৃত সত্য অন্বেষণ কৰিব লাগিলে শাখা-প্ৰশাখাবোৰ প্ৰকৃতি, শিপাবোৰৰ প্ৰকৃতি আৰু সামগ্ৰিকভাৱে গছজোপাৰ প্ৰকৃতি অন্বেষণ কৰিব লাগিব। বিজ্ঞানীয়েই হওক বা বৈদান্তিকে হওক সত্য অন্বেষণকাৰীয়ে শাখা-প্ৰশাখা শিপাক বা মূল আৰু সৰ্বাত্মকভাৱে গোটেই গছজোপাৰ অধ্যয়ন কৰিব লাগিব। ভাগৱত শাস্ত্ৰত এটি আখ্যান আছে। ৰাক্ষস আৰু দেৱতাসকলে অমৃত লাভৰ বাবে ক্ষীৰ সমুদ্ৰ মন্থন কৰিছিল। মন্থনৰ প্ৰথম ফল হিচাপে ওলাইছিল ভয়াৱহ বিহ হলাহল। হলাহল ওলোৱাত হতাশ নহৈ তেওঁলোকে সমুদ্ৰ মন্থন কৰিয়েই থাকিল। ফলস্বৰূপে এই পদ্ধতিত সমুদ্ৰৰ পৰা লক্ষ্মী, ঐৰাৱত আৰু শেষত অমৃত ওলাইছিল। তেওঁলোকে এইবোৰ লাভ কৰিবলৈ কেনেকৈ সমৰ্থ হ'ল বাৰু? ইয়াৰ কাৰণ তেওঁলোকৰ নেৰানেপেৰা প্ৰচেষ্টা।

মানুহৰ অন্তৰখন হ'ল ক্ষীৰ সমুদ্ৰৰ প্ৰতীক। যদি এই অন্তৰ সমুদ্ৰ মন্থন কৰাত জ্ঞান ৰচী ব্যৱহাৰ কৰা হয়, তেনেহ'লে প্ৰথমাৱস্থাত নিৰাশ আৰু বিফলতা সংঘটিত হ'ব পাৰে। কিন্তু এই বিফলতাত পৰাজয় স্বীকাৰ নকৰি মানুহে যদি প্ৰচেষ্টা অব্যাহত ৰাখে তেনেহ'লে সত্য, ধৰ্ম আৰু ন্যায়ৰ নিচিনা অমূল্য বস্তু লাভ কৰিব পাৰিব। তদুপৰি সহনশীলতা আৰু কাৰুণ্যৰ নিচিনা অমূল্য গুণো লাভ কৰিব নিশ্চয় পাৰিব। মানুহে সত্য, ন্যায়, প্ৰেম, সহনশীলতা, ধৰ্মনিষ্ঠতা আদি সহজ গুণবোৰ কৰ্ষণ কৰিব লাগে। কিন্তু এইবোৰ সত্যানুসন্ধানৰ গুৰুত্ব মানুহে দিব নোখোজে। ক্ষণস্থায়ী, মূল্যহীন, পাৰ্থিৱ বস্তুৰ প্ৰতিহে মানুহৰ মনোযোগ বাঢ়িছে। প্ৰকৃততে মানুহে শাশ্বত সত্যৰ অন্বেষণৰ কাৰণেহে আত্মনিয়োগ কৰা উচিত। সত্য অন্বেষণৰ ফলশ্ৰুতি হিচাপে সকলো কলাৰ উদ্ভৱ হৈছিল। আমাৰ সকলো দিশ, আমি উচ্চাৰণ কৰা সকলো শব্দ, আমাৰ আচাৰ ব্যৱহাৰ, আমি দেখা বস্তুবোৰ ইত্যাদি এই সকলো সত্য অন্বেষণৰ লগত সম্বন্ধিত। এই সকলোবোৰে ভগৱানৰ অস্তিত্ব প্ৰমাণ কৰে। উদাহৰণস্বৰূপে আমি যদি বিশাল মহাসাগৰৰ পিনে চাওঁ— ইয়াৰ বিশালতা দেখি আমি সুখ আৰু আনন্দ অনুভৱ কৰোঁ। আমি সুউচ্চ পৰ্বত এটা যদি চাওঁ ই আনন্দৰ অনুভূতি জাগ্ৰত কৰে। গভীৰ অৰণ্য এখন দেখিলে অন্তৰ আনন্দত উৎফুল্লিত হৈ উঠে, এই সকলোবোৰ সত্য আৱিষ্কাৰৰ লক্ষণ। যদিও সেইবোৰত প্ৰত্যেক্ষভাৱে ভগৱানক দেখা পোৱা নাযায়; তথাপি সেইবোৰত ভগৱানে যে বিদ্যমান সেইটো সেইবোৰেই সূচায়। এটা ক্ষুদ্ৰ গুটিৰ পৰা এজোপা প্ৰকাণ্ড গছ হয়। চৰাইৰ কণীৰ পৰা পোৱালি ওলায়। এটা প্ৰাণী আন এটা প্ৰাণীৰ পৰা জন্মগ্ৰহণ কৰে। ফুলৰ পৰা সুবাস ওলায়। গাখীৰৰ পৰা মাখন পোৱা যায়। এইবোৰ সত্যৰ সন্ধানত আৱিষ্কৃত সত্য ঘটনা। সমগ্ৰ বিশ্বব্ৰহ্মাণ্ডই তিনি ধৰণৰ কাৰ্যৰ ভিত্তিত কাৰ্য সম্পাদন কৰে। আমাৰ দৈনন্দিন জীৱনত এইবোৰৰ অভিজ্ঞতা লাভ কৰা যায়। সেই তিনিটা কৰ্মৰ ভিতৰত এটা হ'ল সৃষ্টিৰ কাৰ্য, দ্বিতীয়টো হ'ল সৃষ্টিৰ প্ৰতিপালন আৰু তৃতীয়টো হ'ল যি সৃষ্টি কৰা হ'ল তাৰ বিনাশ ঘটোৱা কাৰ্য। এই সৃষ্টি স্থিতি বা প্ৰতিপালন আৰু প্ৰলয়ে বা বিনাশ দৈনন্দিন ঘটি থকা ঘটনা। আমি এইবোৰ সদায় দেখি থাকো। এই সকলোবোৰে সত্য স্বৰূপ ভগৱানৰ অস্তিত্ব প্ৰমাণ কৰে। মানুহে মূল সত্য উপলব্ধি নকৰি ভগৱান ক'ত থাকে সেই বিষয়ে তৰ্কত অৱতীৰ্ণ হয়। ভগৱানৰ বিষয়ে বিভিন্ন প্ৰশ্ন উত্থাপন কৰাটো বৰ উজু কাম। কিন্তু ভগৱৎ অন্বেষণ বৰ কঠিন। কাৰণ ভগৱান হ'ল সকলো সত্যৰে সত্য। তেওঁ আনকি অসত্যতো সত্য হিচাপে বিদ্যমান। তেওঁ অসজ গুণত আৰু সজ গুণত সজ। এই প্ৰসংগত গীতাত ঘোষণা কৰা হৈছে যে সকলো বস্তুতে ভগৱান ৰস হিচাপে থাকে। চৰ্বতত চেনি থকাৰ দৰে বিশ্বব্ৰহ্মাণ্ডৰ সকলো বস্তুতে ভগৱান অন্তৰ্নিহিত হৈ আছে। চকুৰে ইয়াক দৃষ্টিগোচৰ নহয়। ইয়াক উপলব্ধিহে কৰিব লাগিব। সৃষ্টি, স্থিতি আৰু লয় পূৰ্ব নিৰ্ধাৰিত বিধি অনুসৰি চলি থাকে। বেদত বৰ্ণনা কৰা হৈছে যে এই তিনিওটা কাৰ্যৰ গৰাকী হ'ল ভগৱান। উপনিষদেও ইয়াত সিদ্ধ বুলি প্ৰতিপন্ন কৰিছে। এই তিনিটা পদ্ধতিৰ অধীন নোহোৱা কোনো বস্তু বিশ্বব্ৰহ্মাণ্ডত নাই। কোনোৱে এই সত্যতা অস্বীকাৰ কৰিব নোৱাৰে। দাৰ্শনিক, বৈজ্ঞানী, অভিযন্ত, ডাক্তৰ আদি সকলোৱে এই সত্য গ্ৰহণ কৰি লয়। এই পদ্ধতিৰ গৰাকীজনেই হ'ল ভগৱান। ভগৱানৰ সংকল্প অনুসৰি এই তিনিটা পদ্ধতি ঘটে। সমগ্ৰ বিশ্বজগত এই তিনিটা পদ্ধতিৰে বেষ্টিত হৈ আছে। মানুহৰ সকলো আৱেগ অন্তৰৰ পৰা উদ্ভৱ হয়। অন্তৰখন যেতিয়া পবিত্ৰ আৰু নিৰ্মল কৰি ৰখা হয়, তেতিয়া আমাৰ সকলো চিন্তা, কথা আৰু কাৰ্য মধুৰ হয়। যেতিয়া অন্তৰখন সজ উদ্দেশ্যত উৎসৰ্গা কৰা হয়, তেতিয়া আমাৰ সকলো কাৰ্য ন্যায়সংগত হয় আৰু আমাৰ জীৱনে মুক্তি লাভ কৰে। আমাৰ সকলো ভাল-বেয়া অন্তৰৰ পৰাই প্ৰকাশ পায়। ভাল আৰু বেয়াক কাচিৎহে ইটোৰ পৰা সিটোক পৃথক কৰিব পাৰি। সিহঁত দুয়োটা অবিচ্ছেদ্য। সুখ এটা বেলেগ অৱস্থা নহয়, ই দুখ কষ্টৰ লগত জড়িত। ভগৱানৰ একাত্মতাই প্ৰত্যেক বস্তুকে অন্তৰ্ভুক্ত কৰে। এই একাত্মতা উপলব্ধি কৰাৰ উপায় হ'ল মানৱীয়তা। ধৰ্ম শাস্ত্ৰবোৰে সদৰী কৰিছে যে সকলো প্ৰাণীতে একে দিব্যশক্তি বিদ্যমান। মানৱ দেহটো পঞ্চকোষে আবৃত কৰি ৰাখিছে। সেই কেইটা হ'ল অনুময় কোষ, প্ৰাণময় কোষ, মনোময় কোষ, বিজ্ঞানময় কোষ অকল মানুহৰ দেহতহে আছে আন প্ৰাণীত নাই। বিজ্ঞানময় কোষৰ নিচিনা এই অমূল্য দানৰ গুৰুত্ব মানুহে উপলব্ধি কৰা উচিত। মানুহক বহুটো মহান মানৱীয় শ্ৰদ্ধাশীল গুণ প্ৰদান কৰা হৈছে। গতিকে মানুহক গুৰুত্বহীন বুলি ভবা উচিত নহয়। মানুহে সুপ্ত গুণৰাশিৰ কথা বিস্মৃত হৈ অনুময় কোষক অধিক গুৰুত্ব দি অৰ্থহীন জীৱন-যাপন কৰিছে। প্ৰকৃততে অনুময় কোষ বেছি গুৰুত্বপূৰ্ণ নহয়। অনুময় কোষক নিৰ্ভৰ কৰি থকা পৰ্যন্ত মানুহে শান্তি পাব নোৱাৰে।

নাৰদ মুনিয়ে জ্ঞানৰ চৌষষ্ঠ শাখাত ব্যুৎপত্তি লাভ কৰিও মনত শান্তি পোৱা নাছিল। গতিকে তেওঁ সনৎ কুমাৰৰ ওচৰলৈ গৈ কৈছিল— "স্বামী, মোৰ অজ্ঞানতা আঁতৰাই মোক শান্তি লাভ কৰাৰ পথ প্ৰদৰ্শন কৰা।" সনৎ কুমাৰে কৈছিল— "নাৰদ! জ্ঞানৰ এনেকুৱা এটা ক্ষেত্ৰ নাই যিটোত তুমি পাৰ্গত নহয়।" বেদ উপনিষদ আৰু অন্যান্য ধৰ্ম শাস্ত্ৰবোৰে দিয়া সকলো বিধি ব্যৱস্থাৰ উপায়বোৰ তুমি জানা। কিন্তু এইবোৰ জ্ঞানে তোমাক অকণো শান্তি দিব পৰা নাই। এই সকলো জ্ঞান ইন্দ্ৰিয়গ্ৰাহ্য পৃথিৱীৰ লগতহে সম্বন্ধ যাৰ বৈশিষ্ট্য হ'ল অনিত্য। তুমি শাশ্বত জ্ঞান লাভ কৰিব নোৱাৰালৈকে শান্তি লাভ কৰিব নোৱাৰা।" সেই একেই সত্যকেই বিজ্ঞানীসকলেও ঘোষণা কৰিছে। তেওঁলোকে কৈছে যে বিজ্ঞানৰ য'তেই সমাপ্তি ত'তেই আধ্যাত্মিকতাৰ আৰম্ভ। বিজ্ঞান প্ৰকৃতিৰ কৰ্মবোৰৰ লগত জড়িত; ই পাৰ্থিৱ দেহটোৰ প্ৰয়োজনীয় বস্তুবোৰৰ যোগান ধৰে। দেহটোৰ যত্ন লোৱাটো যে আৱশ্যক তাত কোনো সন্দেহ নাই। কিন্তু দেহটোকে একমাত্ৰ সত্য বুলি বিবেচনা কৰিব নালাগে। যি কি নহওক প্ৰত্যেকে ইয়াৰ ভৰণ-পোষণ আৰু সুখৰ কাৰণে সকলো ধৰণৰ চেষ্টা উৎসৰ্গ কৰিব লাগে। সকলো সাফল্য দেহটোৰ ওপৰতে নিৰ্ভৰ কৰে। এনেকি ভগৱানকো দেহটোৰ যোগেদিহে উপলব্ধি কৰিব পৰা যায়। কিন্তু দেহটোত তুমি, মই, আমি নিজে নাই। ভগৱানক উপলব্ধি কৰাৰ কাৰণে ই এটা যন্ত্ৰহে মাথোন। ইয়াৰ উপৰি পৰমাত্মা দেহটোত অন্তৰ্নিহিত হৈ আছে। প্ৰেম আৰু ত্যাগৰ নিচিনা বহুতো পবিত্ৰ গুণ মানুহৰ আছে। কিন্তু মানুহে সেইবোৰ সৰ্বান্তঃকৰণে অভ্যাস নকৰে। প্ৰত্যেক মানুহৰ অন্তৰত দেৱত্ব আছে। এই দেৱত্ব বোধগম্য কৰিব নোৱাৰা কাৰণে মানুহে পাৰ্থিৱ আনন্দত লিপ্ত থাকি জীৱনটো অবাবত নষ্ট কৰিছে। পৃথিৱীৰ সকলো বস্তুৰ ভিতৰত মানুহে অতি মূল্যৱান। আন বস্তুবোৰ মূল্যবান হ'লেও সেইবোৰ বস্তুৰ মানুহৰ পৰাহে মূল্যপ্ৰাপ্তি হয়। মানুহৰ ভিতৰত প্ৰেমেই হ'ল দিব্যতম গুণ। প্ৰেমেহে ভগৱান, প্ৰেমেৰে জীয়াই থাকা। সকলোতে প্ৰেম বৰ্ষণ কৰা। এই বিশাল পৃথিৱীখনে উদাৰ হৃদয়ৰ প্ৰেম আহ্বান কৰে। তেতিয়াহে মানুহৰ মনুষ্যত্ব বিকশিত হ'ব।

দুখ-কষ্টবোৰ মানৱ অস্তিত্বৰ আনুসংগিক। সেইবোৰ যথা সময়ত পাৰ হৈ যায়। আমি পোষণ কৰা উৎকৰ্ষতাহে স্থায়ী। ভগৱানৰ পূজা মানে কি? ধ্যান, তপ, জপ আদিৰ অভ্যাস স্বাৰ্থপৰতাৰ দ্বাৰা কলুষিত হৈছে। নিজৰ দেৱত্ব উপলব্ধি কৰি ভগৱানৰ সৈতে একাত্মক হ'ব বিচৰাটোহে হ'ল ভগৱানৰ পূজা। মানুহে উপলব্ধি কৰা উচিত, দেহটো হ'ল পবিত্ৰ; কাৰণ ইয়াৰ আৱাসী হ'ল ভগৱান, ভগৱান অন্তৰস্থ আৱাসী বুলি বোধগম্য হ'লে মানুহে দুৰ্গুণবোৰৰ পৰা মুক্তহৈ থাকিব পাৰিব। অহমিকাভাৱেই হ'ল মানুহৰ নিকৃষ্টতম শত্ৰু। সমকাৰ হৈছে আন এটা অনিষ্টকৰ লক্ষণ। এই দুটা যিহেতু সকলো দোষৰ মূল সেই কাৰণে এই দুটা দোষ ত্যাগ কৰিব লাগে। এই দুটা দুৰ্গুণৰ পৰা হাত সাৰিব পাৰিলে মানুহ ঐশ্বৰিক ভাৱাপন্ন হ'ব পাৰিব। মানুহে সকলো প্ৰাণীতে ভগৱানক দেখিব পাৰে। ই বিভিন্ন ৰঙৰ ছচমা পিন্ধাৰ নিচিনা। যদি আমি প্ৰেমৰ ছচমা পিন্ধি পৃথিৱীখন চাওঁ তেনেহ'লে আমি চাৰিওফালে প্ৰেমেই দেখা পাম। ছচমা আৰু দৃষ্টি দুয়োটাৰে সমন্বয় থাকিব লাগিব। কেৱল প্ৰেমৰ চকুত প্ৰেমৰ ছচমা ব্যৱহাৰ কৰিহে পৃথিৱীৰ মনোমোহা দৃশ্য চাব পাৰি। প্ৰেমৰ পথতকৈ আন কোনো প্ৰশস্ত আধ্যাত্মিক পথ নাই। প্ৰেমৰ যোগেদিয়ে দয়া, কাৰুণ্য আৰু সহানুভূতি আদি মহান গুণবোৰ পোষণ কৰিব পাৰি। সমাজত প্ৰায়ে আলোচনা হয় ভক্ত, ভগৱান আৰু দাসৰ মাজত পাৰ্থক্য কি? আমি ভাবো দাসে তেওঁৰ দেহটোৰে ভগৱানক সেৱা কৰিবলৈ বিচাৰে। আনহাতে ভক্তই সকলো সময়তে ভগৱানক চিন্তা কৰে। গতিকে পাৰ্থক্যটো হ'ল ভক্তই সদায় ভগৱানৰ সেৱা কৰাৰ চিন্তাতহে থাকে। ভগৱানৰ ক্ষেত্ৰত কাৰো শংকা থকা উচিত নহয়। সন্দেহবাদী লোকে একো লাভ কৰিব নোৱাৰে। পূৰ্ণ প্ৰত্যয় আৰু পূৰ্ণ প্ৰেমেৰে আমি যি কোনো কাম সামাধা কৰিব পাৰো। সকলোৱে এইটো উপলব্ধি কৰা উচিত যে ভগৱানৰ কৃপা গুণেহে সংগীত, সাহিত্য আৰু কলাৰ ক্ষেত্ৰত দক্ষতা অৰ্জন কৰিব পৰা যায়। সকলো কলা ভগৱানৰ দান। নিজৰ কৃতকাৰ্যতা বুলি কোনোৱে একো দাবী কৰিব নোৱাৰে। ভগৱানৰ কৃপা প্ৰাপ্তজনৰ কোনো অভাৱ নাথাকে। তেওঁ কোনো যাতনা নাপায় আৰু তেওঁ কোনো ভুল নকৰে, কিয়নো তেওঁ ভগৱানৰ ওচৰত সকলো সমৰ্পণ কৰিছে। যি মানুহে ভগৱানক তেওঁৰ সকলো বুলি বিবেচনা কৰে তেওঁ ভগৱানৰ লগত একীভূত হৈ পৰে। সেই কাৰণেই ভগৱানৰ ফালে মনটো নিবিষ্ট কৰিব লাগে।❑❑

# আৰ্থিক বিকাশ সমিতিৰ প্ৰতিষ্ঠা দিৱসৰ আদৰণী সমিতি গঠন

**তেজপুৰ ঃ** শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘ আৰ্থিক বিকাশ সমিতিৰ কেন্দ্ৰীয় পৰিচালনা সমিতিয়ে লোৱা সিদ্ধান্ত অনুযায়ী চলিত বৰ্ষত জুন মাহৰ ১ তাৰিখে আৰ্থিক বিকাশ সমিতিৰ প্ৰতিষ্ঠা দিৱস উদ্‌যাপনৰ আদৰণী সমিতি গঠন উপলক্ষে যোৱা ১৮ এপ্ৰিল, ২০১৪ তাৰিখে শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘৰ তেজপুৰ জিলা শাখাৰ আহ্বান মৰ্মে তেজপুৰস্থ শ্ৰীমন্ত শঙ্কৰদেৱ বিদ্যালয় প্ৰাঙ্গনত এখন সাধাৰণ সভা অনুষ্ঠিত হৈ যায়। সহস্ৰাধিক ভকত-বান্ধৱৰ উপস্থিতিত অনুষ্ঠিত সভাখনিত আৰ্থিক বিকাশ সমিতিৰ কেন্দ্ৰীয় পৰিচালনা সমিতিৰ সভাপতি কুশল ঠাকুৰীয়াবাপে সভাপতিত্ব কৰাৰ লগতে সম্পাদক বুবুল দাসবাপে সভাৰ লক্ষ্য-উদ্দেশ্য ব্যাখ্যা কৰে। ২০০৮ চনতে আৰম্ভ কৰা সঙ্ঘৰ এই বিত্তীয় প্ৰতিষ্ঠানটিৰ জৰিয়তে ভকতসকলৰ মাজত ক্ষুদ্ৰ সঞ্চয়ৰ মানসিকতা গঢ়ি তোলাৰ লগতে বিভিন্ন আঁচনিৰ অধীনত ঋণ আদি গ্ৰহণ কৰি উভয়ে উপকৃত হোৱা আৰু ভাৰতীয় অৰ্থনীতিত ইয়াৰ প্ৰভাৱ সম্পৰ্কে সভাপতি ঠাকুৰীয়াবাপে উল্লেখ কৰি কয় যে তেজপুৰ জিলাত আৰ্থিক বিকাশ সমিতিৰ প্ৰথমবাৰৰ বাবে প্ৰতিষ্ঠা দিৱস উদ্‌যাপনৰ জৰিয়তে সঙ্ঘৰ প্ৰতিখন জিলালৈ এই বাৰ্তা প্ৰেৰণ কৰিব লাগিব আৰু এই উদ্দেশ্যে এখন শক্তিশালী আদৰণী সমিতি গঠন কৰিবলৈ পৰামৰ্শ দিয়ে। সভাত উপস্থিত থকা তেজপুৰ জিলাৰ সভাপতি প্ৰভাত বৰা, সম্পাদক প্ৰেমা বৰা প্ৰমুখ্যে কেন্দ্ৰীয় পৰিচালনা সমিতিৰ উপসভাপতি ধিৰসিং বৰদলৈ, সদস্য চন্দ্ৰকান্ত বৰা, কালিৰাম বৰা, জিলা শাখাৰ বিভিন্ন বিষয়ববীয়া আৰু সদস্য-সদস্যাই প্ৰতিষ্ঠা দিৱস সাফল্যমণ্ডিত কৰাৰ বিভিন্ন দিশ সামৰি পৰামৰ্শ আগবঢ়ায়। আৰ্থিক বিকাশ সমিতিৰ তেজপুৰ শাখাৰ পৰিচালনা সমিতিৰ সভাপতি, সম্পাদকৰ লগতে তেজপুৰ জিলা শাখাৰ সম্পাদক প্ৰেমা বৰাই প্ৰথমবাৰৰ বাবে উদ্‌যাপন কৰিবলৈ লোৱা প্ৰতিষ্ঠা দিৱস সকলো শ্ৰেণীৰ লোকৰে সক্ৰিয় সহায়-সহযোগিতাৰে সৰ্বাঙ্গসুন্দৰ কৰাৰ প্ৰতিশ্ৰুতিৰে মহিকান্ত বৰাক সভাপতি, কুশল কলিতাক কাৰ্যকৰী সভাপতি আৰু গজেন বৰাক সাধাৰণ সম্পাদক হিচাপে লৈ এখন ২১ জনীয়া আদৰণী সমিতি গঠন কৰে। প্ৰতিষ্ঠা দিৱসৰ কাৰ্যসূচীসমূহৰ সফল ৰূপায়ণৰ বাবে সেই দিনাই সৰ্বসন্মতি ক্ৰমে ৫০,০০০/-(পঞ্চাশ হাজাৰ) টকাৰ এখন বাজেটো গ্ৰহণ কৰা হয়। উল্লেখযোগ্য যে প্ৰতি বছৰৰ ১ জুনৰ তাৰিখটো আৰ্থিক বিকাশ সমিতিৰ প্ৰতিষ্ঠা দিৱস হিচাপে পালন কৰিবলৈ কেন্দ্ৰীয় পৰিচালনা সমিতিয়ে ইতিমধ্যে সিদ্ধান্ত গ্ৰহণ কৰিছে।◆

# কেন্দ্ৰীয় শিশু, যুৱ আৰু আই-মাতৃ সমাৰোহৰ আদৰণী সমিতি গঠন

শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘৰ হামৰেণ জিলা শাখাৰ আতিথ্যত ২০১৪ চনৰ নবেম্বৰ মাহত ২, ৩ আৰু ৪ তাৰিখে তিনিদিনীয়া বিস্তৃত তথা বৰ্ণাঢ্য কাৰ্যসূচীৰে অনুষ্ঠিত হ'বলগীয়া কেন্দ্ৰীয় শিশু, যুৱ আৰু আই-মাতৃ সমাৰোহৰ আদৰণী সমিতি গঠন হৈ যায়। এই উপলক্ষে যোৱা ১৮ এপ্ৰিল, ২০১৪ তাৰিখে দিনৰ ১১.০০ বজাত হামৰেণ জিলা শাখাই আহ্বান কৰা সাধাৰণ সভাখনিত শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘৰ সন্মানীয় পদাধিকাৰ ৰজনীকান্ত দত্তবাপে সভাপতিৰ আসন অলংকৃত কৰাৰ লগতে প্ৰধান সম্পাদক বাবুল বৰাবাপে সভাখনি আনুষ্ঠানিকভাৱে উদ্বোধন কৰি ভাষণ প্ৰদান কৰে। ভাষণ প্ৰসঙ্গত বৰাবাপে শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘৰ অতিকে গুৰুত্বপূৰ্ণ এই সমাৰোহভাগি সৰ্বাঙ্গসুন্দৰ হোৱাৰ লগতে এই সমাৰোভাগি যাতে সঙ্ঘৰ ইতিহাসত এই মাইলৰ খুটি হিচাপে চিহ্নিত হৈ ৰয় তাৰবাবে যৎপৰোনাস্তি চেষ্টা কৰিবলৈ জিলা শাখাক অনুৰোধ জনায় আৰু এই উদ্দেশ্যে এখনি শক্তিশালী আদৰণী সমিতি গঠনৰ পৰামৰ্শ দিয়ে। তিনি সহস্ৰাধিক লোকৰ উপস্থিতিত অনুষ্ঠিত সাধাৰণ সভাখনিত আই-মাতৃ কল্যাণ শাখা সমিতিৰ সম্পাদিকা ৰূপা চুতীয়া, দীপ্তলাল হাচলি, চাৰছিল কাথাৰ, দীনেশ চন্দ্ৰ হাজৰিকা, কামপুৰ জিলা শাখাৰ মূলৰ সদস্য দেহীৰাম গগৈ আৰু ইন্দ্ৰমোহন লস্কৰ বাপ বিশিষ্ট অতিথি হিচাপে উপস্থিত থাকি সমাৰোহভাগি সাফল্যমণ্ডিত কৰি তোলাত গুৰুত্ব প্ৰদান কৰে। হামৰেণ জিলা শাখাৰ সম্পাদক মোহন কোঁৱৰবাপে নবেম্বৰ মাহত অনুষ্ঠিত হ'বলগীয়া সমাৰোহভাগি সৰ্বদিশতে সফলতাৰ আশা কৰি হামৰেণ জিলা শাখাৰ সকলো বাপ-আই, যুৱক-যুৱতী তথা স্থানীয় ৰাইজৰ সক্ৰিয় সহায়-সহযোগ কামনা কৰাৰ লগতে চুবুৰীয়া জিলা আৰু মূলৰ সহযোগিতা আৰু দিহা-পৰামৰ্শৰ বাবে অনুৰোধ জনায়। শেষত জগন্নাথ বৰদলৈক সভাপতি, দীপ্তলাল হাচলিক কাৰ্যকৰী সভাপতি আৰু শ্ৰীঅম্বিৰাম দেউৰীক সাধাৰণ সম্পাদক হিচাপে লৈ এখন শক্তিশালী সমিতি গঠন কৰা হয়। উল্লেখ্য যে সমাৰোহৰ বিভিন্ন দিশৰ কামসমূহ সুচাৰুৰূপে সম্পন্ন কৰিব পৰাকৈ উক্ত সভাতেই ১২খন উপসমিতি গঠন কৰা হয় বুলি সঙ্ঘৰ যুটীয়া সম্পাদক শ্ৰীকুশল ঠাকুৰীয়াই জানিবলৈ দিয়ে।◆

## মহীয়সীলৈ লেখা আহ্বান

শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘৰ মহিলা আলোচনী 'মহীয়সী'ৰ বাবে সমূহ লেখক-লেখিকা আৰু পাঠক-শ্ৰোতাৰ প্ৰতি সবিনয় নিৱেদন এই যে অহা নবেম্বৰ,২০১৪ত হ'বলগীয়া শিশু-আইমাতৃ সমাৰোহ ভাগি হামৰেণ জিলা শাখাৰ আতিথ্যত হামৰেণ জিলাত অনুষ্ঠিত হ'ব। সেই অনুষ্ঠানতে 'মহীয়সী' নামৰ আইমাতৃসকলৰ বছেৰেকীয়া আলোচনীখন প্ৰকাশিত হ'ব। গতিকে 'মহীয়সী' আলোচনীখনলৈ আপোনালোকৰ পৰা লেখা আহ্বান কৰি প্ৰাৰ্থনা জনোৱা হ'ল। লেখাসমূহ বৈষ্ণৱ সাহিত্য আৰু শঙ্কৰদেৱ-মাধৱদেৱৰ লেখনি তথা বৈষ্ণৱ আদৰ্শৰ ওপৰত প্ৰতিষ্ঠিত হ'লে ভাল। লেখাৰ কথাসমূহৰ ভাষা স্পষ্ট, কিতাপৰ নাম, পৃষ্ঠাৰ নম্বৰ আদিৰ উদ্ধৃতি দিব লাগিব। বগা কাগজৰ এপিঠিত লেখাসমূহ লেখিব লাগিব। নিজৰ নাম, ঠিকনা আৰু ফোন নম্বৰ শুদ্ধকৈ দিব লাগিব। অবিবেচিত লেখাসমূহ ঘূৰাই পঠোৱা নহয়। সমিতিৰ অনুমোদন সাপেক্ষেহে সকলো কাম কৰা হয়। সমূহ ধৰ্মপ্ৰাণ বাপ-আইসকলে তেখেতসকলৰ প্ৰবন্ধ তলৰ ঠিকনাত ১০ অক্টোবৰ, ২০১৪ তাৰিখৰ ভিতৰত পোৱাকৈ পঠাবলৈ অনুৰোধ কৰা হ'ল।

**ঠিকনা ঃ**

ড° ইন্দিৰা শইকীয়া বৰা, সম্পাদিকা 'মহীয়সী' শঙ্কৰী সংস্কৃতি কেন্দ্ৰ, ৰূপনগৰ, গুৱাহাটী-৩২

## গোহাৰি

ইয়াৰ দ্বাৰা আমি সকলোকে জনাবলৈ পাই সুখী হৈছোঁ যে Income Tax Authorities Ministry of Finance, Govt of Indiaৰ দ্বাৰা প্ৰেৰিত নিৰ্দেশনাত জনোৱা হয় যে যিসকল সদাশয় ব্যক্তিয়ে শ্ৰীমন্ত শঙ্কৰদেৱ এডুকেশ্যন এণ্ড ছচিঅ'ইক'নমিক ডেভেলপমেণ্ট ট্ৰাষ্টৰ যোগেদি মহাপুৰুষ শ্ৰীমন্ত শঙ্কৰদেৱ বিশ্ববিদ্যালয়লৈ আৰ্থিক সাহাৰ্য আগবঢ়োৱা বিচাৰে তেখেতসকলে u/s 80G of the Income Tax Act-1961ৰ নীতি অনুযায়ী আয়কৰ হেৰাইৰ সুযোগ গ্ৰহণ কৰিব পাৰিব।

সেয়েহে জাতি-বৰ্ণ-ধৰ্ম নিৰ্বিশেষে সকলো শুভাকাংক্ষীকে মহাপুৰুষ শ্ৰীমন্ত শঙ্কৰদেৱ বিশ্ববিদ্যালয়খনিক জাতীয় বিশ্ববিদ্যালয় হিচাপে গ্ৰহণ কৰি সহৃদয়তাৰে বিশ্ববিদ্যালয়ৰ উন্নতিৰ হকে দান-বৰঙণি আগবঢ়াবলৈ গোহাৰি জনোৱা হ'ল। উল্লেখ থাকে যে শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘৰ মূল কাৰ্যালয়ৰ পৰা আৰ্থিক অনুদানৰ বিপৰীতে প্ৰাপ্তি স্বীকাৰৰ ৰচিদ সংগ্ৰহ কৰিব পাৰিব।

সেৱাৰে—

**তৰুণ কুমাৰ বৰা**
মেনেজিং ট্ৰাষ্টী
শ্ৰীমন্ত শঙ্কৰদেৱ এডুকেশ্যন এণ্ড চচিঅ'ইক'নমিক ডেভেলপমেণ্ট ট্ৰাষ্ট
ফোন ঃ ৯৪৩৫৩-৬০৮৬৬

**বাবুল বৰা**
**প্ৰধান সম্পাদক**
শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘ
ফোন ঃ ৯৪৩৫৩-৬৫৬৮৭

## 'বিশেষ পুঁজি সংগ্ৰহ' অভিযান

মহাপুৰুষ শ্ৰীমন্ত শঙ্কৰদেৱ বিশ্ববিদ্যালয়ৰ বাবে পুঁজি সংগ্ৰহৰ প্ৰক্ৰিয়া তৰান্বিত কৰাৰ উদ্দেশ্যে যোৱা ১৭/৪/২০১৪ তাৰিখে সঙ্ঘৰ মূল কাৰ্যালয়ত অনুষ্ঠিত হোৱা ট্ৰাষ্ট সমিতিৰ এখনি গুৰুত্বপূৰ্ণ কাৰ্যনিৰ্বাহক বৈঠকত বিশ্ববিদ্যালয়ৰ পুঁজি সংগ্ৰহৰ বাবে বিষয়ববীয়া/ সদস্যৰে এখনি কেন্দ্ৰীয় সমিতি গঠন কৰা হয়। উক্ত সমিতিয়ে জিলাসমূহত গঠিত হোৱা পুঁজি সংগ্ৰহ সমিতিৰ লগত যোগাযোগ কৰি চলিত মাহ (মে' মাহ)ৰ পৰাই জিলাই জিলাই '**বিশেষ পুঁজি সংগ্ৰহ**'ৰ বাবে অভিযান চলাব। উক্ত অভিযানত জিলাসমূহৰ বিশেষ ব্যক্তি, সাংসদ, মন্ত্ৰী, বিধায়ক আৰু অন্যান্যসকলক সামৰি লোৱা হ'ব। উক্ত পুঁজি সংগ্ৰহ অভিযানত আপোনাৰ জিলাৰ পূৰ্ণ সহযোগিতা কামনা কৰি সেৱা ধৰা হ'ল।

সেৱাৰে—

**বাবুল বৰা**
প্ৰধান সম্পাদক, শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘ

## শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘ

পঞ্জীয়ন নং ঃ ২২/১৯৬৩

### সত্যসন্ধা প্ৰেছ

শঙ্কৰী সংস্কৃতি কেন্দ্ৰ, ৰূপনগৰ, গুৱাহাটী-৩২

### শুভ উদ্বোধন

তাৰিখ ঃ ১২ ব'হাগ, ৫৬৫ শঙ্কৰাব্দ
ইং ২৬/৪/২০১৪
শনিবাৰ
সময় ঃ বিয়লি ৪.০০ বজা

ঃ উদ্বোধক ঃ

**শ্ৰীযুত ৰজনীকান্ত দত্ত**
পদাধিকাৰ, শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘ

## লেখা আহ্বান

শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘই শিশুসকলৰ উদ্দেশ্যে প্ৰকাশ কৰা **শিশু-মঞ্জৰী** আলোচনীখনিৰ ত্ৰয়োদশ সংখ্যা প্ৰকাশৰ দিহা কৰা হৈছে। অহা নবেম্বৰ, ২০১৪ত হ'বলগীয়া শিশু-আইমাতৃ সমাৰোহত উক্ত আলোচনীভাগিত প্ৰকাশ কৰিবৰ বাবে শিশু-উপযোগী গল্প, কবিতা, প্ৰবন্ধ, কাহিনী, শিশু নাটিকা, আলেখ্য, উপদেশ-বাণী আদি তলৰ ঠিকনাত প্ৰেৰণ কৰিবলৈ অনুৰোধ কৰা হ'ল।

**ভবেন দুৱৰী**
সম্পাদক, শিশু-মঞ্জৰী
শঙ্কৰী সংস্কৃতি কেন্দ্ৰ, ৰূপনগৰ, গুৱাহাটী-৩২

বাৰ্তালোচনী প্ৰকাশন শাখা সমিতি ঃ উপদেষ্টা— ভবেন্দ্ৰনাথ ডেকা, হৰিপ্ৰসাদ হাজৰিকা, কেশৱমোহন কলিতা ঃ সভাপতি— গোলাপ বৰুৱা ঃ পৰিচালন সম্পাদক— খগেন্দ্ৰ মহেলা (ফোন নং- ৯৪৩৫০৬৩২৫০) ঃ প্ৰকাশক— বাবুল বৰা, প্ৰধান সম্পাদক, শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘ ঃ সদস্যসকল— শোধন গগৈ, বাবুল বৰা, জ্যোতিপ্ৰসাদ চুতীয়া, ড° যতীন চুতীয়া, প্ৰ াদ শইকীয়া, প্ৰদীপ কুমাৰ বৰা, নিপণ বৈশ্য ঃ ব্যৱস্থাপক— ডাঃ জ্যোতিপ্ৰসাদ বৰা ঃ
ৰূপসজ্জা-অক্ষৰ বিন্যাস— ৰমেন মেধি
সম্পাদক —খগেন্দ্ৰনাথ তালুকদাৰ (ফোন নং— ৯৪০১৬-৫৯৫০৯)
সহযোগী সম্পাদক— দীপজ্যোতি চহৰীয়া (ফোন নং- ৯৮৬৪০-৭০৩৭৯)

শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘৰ হৈ প্ৰধান সম্পাদক বাবুল বৰাৰ দ্বাৰা প্ৰকাশিত। গুৱাহাটীৰ ফণ্ট্ৰিয়াৰ পাব্লিকেছন্ প্ৰাঃ লিঃ, গুৱাহাটী ৭৮১০১৬ত মুদ্ৰিত। সম্পাদক ঃ খগেন্দ্ৰনাথ তালুকদাৰ, শঙ্কৰী সংস্কৃতি কেন্দ্ৰ, ৰূপনগৰ, গুৱাহাটী ৭৮১০৩২